দৈনিক অগ্ৰদূত

গুৱাহাটী, ১০ ছেপ্টেম্বৰ, ২০২২ শনিবাৰ পৃষ্ঠা তিনি


## নগাঁও আৰক্ষীৰ জালত পুনৰ জালনোট ব্যৱসায়ী ঃ ১৫ লাখ টকাৰ জালনোটসহ ধৃত দুই

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/জাগীৰোড, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও আৰক্ষীয়ে জালনোট ব্যৱসায়ৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান অব্যাহত ৰাখিছে। নগাঁৱৰ আৰক্ষীয়ে আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ আলিছিঙাত এক বিশেষ সূত্ৰৰ পম খেদি জাগীৰোড আৰক্ষীৰ সহযোগত জালনোটৰ সন্ধানত অভিযান চলায়। অভিযানৰ সময়ত আৰক্ষীয়ে ১৫ লাখ টকাৰ জালনোট (নকল টকা) জব্দ কৰাৰ লগতে দুজন জালনোট ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক

## চৰকাৰৰ লাওলোৱা আৰ্থিক দুৰৱস্থাৰ স্বৰূপ উদঙালে এটা চৰকাৰী কাৰ্যালয়ে

# তিৰপালেৰে ঢকা উৰুখা ঘৰত চক্ৰ বিষয়াৰ কাৰ্যালয়

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰীকে আদি কৰি মন্ত্ৰী-বিধায়কসকলে ৰাজ্যখনৰ আৰ্থিক ফটা ঢোলটো স্বচ্ছলতাৰ কথাৰে যিমানেই নোকোবাওক কিয়, এই ক্ষেত্ৰত চৰকাৰখন যে বনে ঢকা নাদৰ ওপৰতহে বৰ্তি আছে তাৰ এক জ্বলন্ত প্ৰমাণ ডিব্ৰুগড়ৰ এটা চৰকাৰী কাৰ্যালয়। বিগত সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বৰ কালত ডিব্ৰুগড় পশ্চিম ৰাজহ চক্ৰৰ কাৰ্যালয়টো বৰ্তমান ডিব্ৰুগড় পূব ৰাজহ চক্ৰৰ অঞ্চলাধীন মাটিত থকাৰ পৰা নিজ চক্ৰৰ অঞ্চলাধীন বৰবৰুৱাৰ এডোখৰ সুচল ঠাইলৈ স্থানান্তৰ কৰিবলৈ প্ৰথমবাৰৰ বাবে তদানীন্তন মুখ্যমন্ত্ৰীজনক এখন আবেদন পত্ৰ প্ৰদান কৰিছিল ডিব্ৰুগড়ৰ জেষ্ঠ সাংবাদিক শৰৎ চন্দ্ৰ নেওগে। আৰু তেওঁ তাৎক্ষণিকভাৱে বিহিত ব্যৱস্থা হাতত ল'বলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে আৰু উপায়ুক্তই মাটি বিচৰাকে আদি কৰি প্ৰাথমিক কামবোৰ কৰি একপ্ৰকাৰ সমাপ্ত কৰিছিল। কিন্তু শেহতীয়াভাৱে জানিব পৰা গ'ল যে এইবাৰ কাৰ্যালয়ৰ গৃহ নিৰ্মাণৰ বাবে বাজেটত টকা ধাৰ্যই কৰিব নোৱাৰিলে টকা নোহোৱাৰ বাবে। অন্যহাতে, বৰ্তমান যিটো কাৰ্যালয় গৃহত পশ্চিম ৰাজহ চক্ৰৰ কাৰ্যালয়টোৰ কাম-কাজ চলাই থকা হৈছে তাৰ প্ৰায়বোৰ খুঁটাই ঘুণে ধৰি, উঁয়ে খোৱাৰ ফলত যিকোনো সময়ত ভাগি পৰাৰ আশংকা আছে। আজি কিছুদিনৰ পূৰ্বে হঠাৎ এজাক বতাহ কেইমিনিটমানৰ বাবে মাত্ৰ আহোতেই কাৰ্যালয়টো ভাগি পৰাৰ ভয়ত সকলো কৰ্মচাৰী বাহিৰলৈ ওলাই আহিবলগীয়া হৈছিল। ভাগ্যে নাভাগিল যদিও টিনপাত দুচটামানকে উৰুৱাই নিয়াত লগে-লগে বৰষুণ দিলেই ভিতৰত পানী পৰিবলৈ ধৰিলে। বৰ্তমানৰ টিনপাতৰ ওপৰতেই তিৰপাল দি লৈহে কাম-কাজ চলাই আছে। কিন্তু হ'লে কি হ'ব? দুজাকমান বৰষুণ দিলেই ভগাবেৰেদি কাৰ্যালয়ৰ ভিতৰত সাপ-ভেকুলী আদি সোমাই কাৰ্যালয় চলি থাকোতেও টোৰটোৱাই থাকেহি। আজি এমাহৰ পূৰ্বে বিদ্যুৎ সংযোগৰ ৰেৰিংবোৰ পুৰণি হৈ উঁৱলি যোৱাত শ্বৰ্ট চাৰ্কিট হৈ কাৰ্যালয়টোৰেই জ্বলি যোৱাৰ উপক্ৰম হৈছিল। তেতিয়াও কথমপি কোনো বিশেষ অঘটন নঘটিল যদিও দুই এটা কম্পিউটাৰ-লেপটপৰ বিজুতি ঘটিল বুলি জানিব পৰা গৈছে। কাৰ্যালয়টোৰ মাটি থকা সত্ত্বেও টকাৰ অভাৱত স্থানান্তৰ কৰিবতো পৰা নায়েই, আনকি চক্ৰ বিষয়াজনকো আহ-যাহ ছয় পৃষ্ঠাত চাওক



*পৰিচালনা সমিতিৰ সভাত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্মে আঠখেলীয়া নামঘৰত কটকটীয়া নিৰাপত্তা ব্যৱস্থা।*

## নগাঁৱত খাদ্য নিগমৰ শ্ৰমিকৰ উত্তাল প্ৰতিবাদ



**বিশেষ সংবাদদাতা**

**নগাঁও, ৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয় খাদ্য নিগমৰ শ্ৰমিকসকলে শ্ৰমিকৰ পাপ্য অধিকাৰকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত নগাঁৱত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী শ্ৰমিকসকলে নগাঁও চহৰৰ হয়বৰগাঁওস্থিত খাদ্য নিগমৰ নগাঁও মাণ্ডলিক কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী শ্ৰমিকসকলে তেওঁলোকৰ দাবীৰে ছয় পৃষ্ঠাত চাওক

## লাহৰীঘাটত হোটেলৰ মহিলা কৰ্মচাৰীক ধৰ্ষণৰ অভিযোগত ৰঙাঘৰৰ আলহী স্বত্বাধিকাৰীৰ পুত্ৰ

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও/লাহৰীঘাট, ৯ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত এখন হোটেলৰ মহিলা কৰ্মচাৰীক ধৰ্ষণ কৰাৰ অভিযোগত হোটেলৰ স্বত্বাধিকাৰীৰ পুত্ৰক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আজি জেল হাজোতলৈ প্ৰেৰণ কৰে। এই ঘটনাই সমগ্ৰ অঞ্চলটোতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী মতে, লাহৰীঘাট বজাৰৰ মাজ মজিয়াত থকা গ্ৰীনলেণ্ড হোটেলত কৰ্মৰত এগৰাকী মহিলা কৰ্মচাৰীক যোৱা নিশা হোটেলৰ স্বত্বাধিকাৰীৰ পুত্ৰ তথা বিবাহিত যুৱক ছলমান আলীয়ে মহিলাগৰাকী থকা ভাড়া ঘৰত প্ৰৱেশ কৰি ধৰ্ষণ কৰে। এই ঘটনাৰ পাছত ভুক্তভোগী মহিলাগৰাকীয়ে ছলমান আলীৰ বিৰুদ্ধে লাহৰীঘাট থানাত এখন এজাহাৰ দাখিল কৰে। ভুক্তভোগী কৰ্মচাৰীগৰাকীৰ এজেহাৰৰ ভিত্তিত লাহৰীঘাট আৰক্ষীয়ে লম্পট যুৱকজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধি ৩৭৬/৫০৬ ধাৰাৰ অধীনত ৩৩৯/২২ নম্বৰত এটা গোচৰ ৰুজু কৰে আৰু অভিযুক্তক গ্ৰেপ্তাৰ কৰি আজি জেল হাজোতলৈ প্ৰেৰণ কৰে।

## লেচেৰা-বৰটাৰী পথত ভয়ংকৰ পথ দুৰ্ঘটনা

### থিতাতে মহিলাৰ মৃত্যু, আহত দুজন

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৯ ছেপ্টেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ আনন্দ বজাৰ আৰক্ষী চকীৰ অন্তৰ্গত লেচেৰা-বৰটাৰী পথত যোৱা নিশা সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ থিতাকে মৃত্যু হোৱাৰ লগতে আন দুজন যুৱক গুৰুতৰভাৱে আহত। মৃত মহিলাগৰাকী উত্তৰবৰটাৰী গাঁৱৰ নন্দেশ্বৰী দাস (৫৩)। আহত যুৱক দুজন হৰজিৎ দাস আৰু বীৰদাউ স্বৰ্গীয়াৰী। ঘটনাৰ বিষয়ে জানিব পৰা মতে নিশা এখন গ্লেমাৰ মটৰ চাইকেল উত্তৰ বৰটাৰীৰ নন্দেশ্বৰী দাস আৰু তেওঁৰ পুত্ৰ হৰজিৎ দাস সৰুপেটাৰ বন্ধন বেংকৰ পৰা কাম সামৰি ঘৰলৈ অহাৰ সময়ত লেচেৰা-বৰটাৰী পথৰ মাজত থকা এটা কালভাৰ্টৰ কাষত বিপৰীত দিশৰ পৰা অহা এখন পালছাৰ মটৰ চাইকেলেৰে মুখামুখি সংঘৰ্ষ হয়। দুৰ্ঘটনাটো ইমানেই ভয়ংকৰ আছিল যে ঘটনাস্থলীতে মৃত্যু হয় নন্দেশ্বৰী দাস নামৰ ৫০ উৰ্দ্ধৰ মহিলাগৰাকী। আনপিনে দুৰ্ঘটনাটো নন্দেশ্বৰী দাসৰ পুত্ৰ হৰিজৎ দাস আৰু পালছাৰ বাইক ছয় পৃষ্ঠাত চাওক

## জুৰীয়াত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৯ ছেপ্টেম্বৰ ঃ** জুৰীয়া আৰক্ষীয়ে প্ৰতিদিনেই চলাই অহা ড্ৰাগছ বিৰোধী অভিযানৰ অংশস্বৰূপে আজি থানাখনৰ অধীনৰ মাহগুৰি অঞ্চলত চলোৱা অভিযানত ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। জুৰীয়া আৰক্ষী থানাৰ এটা দলৰ লগতে চি আৰ পি এফৰ ৩৪ নম্বৰ বেটেলিয়নৰ এটা দলে যুটীয়াভাৱে চলোৱা অভিযানত মাহগুৰিৰ ৰাজা চাহেব ওৰফে বিকি নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ লগতে ড্ৰাগছ সৰবৰাহকাৰীজনৰ পৰা দুটা চাবোনৰ বাকচভৰ্তি ড্ৰাগছৰ কণ্টেইনাৰ জব্দ কৰে। আটকাধীন সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

### মুখ্যমন্ত্ৰী-শ্ৰমমন্ত্ৰীৰ পুত্তলিকা দাহ

## খুমটাইত ধোদৰআলি বহলীকৰণৰ নামত চাহগছ উচ্ছেদক লৈ প্ৰতিবাদ আটছাৰ



**খুমটাই, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ খুমটাই সমীপৰ গৰঙা চাহ বাগিচাৰ লগতে জিলাখনৰ কে'বাখনো চাহ বাগিচাত একাংশ চাহগছ ধোদৰআলি বহলীকৰণৰ বাবে উচ্ছেদ কৰাক লৈ আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে আটছাই। বুৰঞ্জী প্ৰসিদ্ধ ধোদৰআলিতে আটছাৰ শতাধিক কৰ্মীৰ লগতে একাংশ চাহ শ্ৰমিকে বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, প্ৰতিবাদকাৰী সকলে ছয় পৃষ্ঠাত চাওক

### ১৫খন একাংকিকা নাট, কুৰিখন নৃত্য-নাটিকা ৰচনাৰে সমৃদ্ধি অৰ্জন

## ৮৮ বছৰ বয়সতো দেহবিচাৰৰ গীত গাই সংস্কৃতিৰ সাধনা



■ **কিশোৰ কুমাৰ কলিতা**

**নলবাৰী, ৯ ছেপ্টেম্বৰ ঃ** প্ৰবীণ শিল্পী, লোকসংস্কৃতিৰ সাধক ভোলানাথ তালুকদাৰৰ হৃদয় আজি ব্যথিত। বাৰ্ধক্য আৰু সৰু-সুৰা ৰোগৰ বাবে চাইকেলখন লৈ ওলাই যাব নোৱাৰি তেওঁৰ সাংস্কৃতিক মনটোৱে সদায় হাহাকাৰ কৰে। অকল ওলাই যাব নোৱাৰাৰ ব্যথাই নহয় সুদীৰ্ঘ ৬০ বছৰ ধৰি লোকসংস্কৃতিৰ সাধনা কৰিও চৰকাৰী স্বীকৃতিৰ পৰা বঞ্চিত হোৱাৰ দুখেও মানুহজনক হতাশ কৰি তুলিছে। শাৰীৰিক দুৰ্বলতাৰ বাবে মানুহজনে সংস্কৃতিৰ আখৰা কৰিবলৈ জিলাখনৰ বিভিন্ন ঠাইলৈ যাব নোৱাৰিলেও নিজ গৃহতে ৮৮ বছৰ বয়সতো লোকসংস্কৃতিৰ চৰ্চাত ব্যস্ত থকা বিষয়টোৱে বিশেষ চৰ্চা লাভ ছয় পৃষ্ঠাত চাওক





বিজ্ঞান আৰু উদ্ভাৱনৰ ইকোছিষ্টেমৰ প্ৰচাৰ অভিযান উপলক্ষে 'চেণ্টাৰ-ষ্টেট ছায়েন্স কনক্লেভ' অহা ১০ ছেপ্টেম্বৰৰ পুৱা ১০-৩০ বজাত (ভিডিঅ' কনফাৰেন্স যোগে ) উদ্বোধন কৰিব সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰী মোদীয়ে।

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ২৪ ভাদ ১৪২৯ ভাস্কৰাব্দ ১০ ছেপ্টেম্বৰ ২০২২



# এণ্টিবায়'টিকৰ প্ৰচলন

এক সমীক্ষাৰ তথ্য অনুসৰি, ভাৰতত কৰ'নাৰ আগমনৰ পাছত এণ্টিবায়'টিক দৰবৰ বিক্ৰী আৰু ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে। 'লেনচেট ৰিকনেল হেলথ্ ছাউথ ইষ্ট এছিয়া' শীৰ্ষক বিজ্ঞান গৱেষণামূলক পত্ৰিকাত শেহতীয়াভাৱে প্ৰকাশ পোৱা এখন প্ৰতিবেদনত উল্লেখ কৰা মতে, ২০১৯ বৰ্ষত ভাৰতত ৫০০ কোটি এণ্টিবায়'টিক দৰব বিক্ৰী হৈছিল। প্ৰতিবেদনত লগতে কোৱা হৈছে যে ভাৰতত এণ্টিবায়'টিক হিচাপে বজাৰত সৰ্বাধিক এজিথ্ৰ'মাইচিন ৫০০ এম জি দৰব বিক্ৰী হৈ আহিছে। ২০১৯ত দেশত এণ্টিবায়'টিক ব্যৱহাৰকাৰীৰ ৭.৬ শতাংশই এজিথ্ৰ'মাইচিন সেৱন কৰিছিল। আনহাতে, ভাৰতৰ বজাৰত দ্বিতীয় সৰ্বাধিক বিক্ৰী হোৱা ছেফিক্সিম ২০০ এম জি এণ্টিবায়'টিক দৰব উক্ত বৰ্ষত সেৱন কৰিছিল ৬.৫ শতাংশ এণ্টিবায়'টিক ব্যৱহাৰকাৰীয়ে। একে প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ভাৰতীয় লোকৰ মাজত জধে-মধে এণ্টিবায়'টিক দৰব ব্যৱহাৰৰ প্ৰৱণতা বৃদ্ধি পাইছে। 'লেনচেট'ৰ প্ৰতিবেদন কোৱা হৈছে যে ভাৰতীয়সকলে চিকিৎসকৰ পৰামৰ্শ তথা নিদান অবিহনে নিজৰ ইচ্ছাত এণ্টিবায়'টিক দৰব গ্ৰহণ কৰে আৰু এই প্ৰৱণতাৰ ফলত জনস্বাস্থ্যত নেতিবাচক প্ৰভাৱ পৰিছে। এই অধ্যয়ন চলোৱা মুখ্য গৱেষক ডাঃ ছাফীয়ে কয় যে অজ্ঞাত বেক্টেৰীয়াৰ বিৰুদ্ধে ব্যৱহাৰ কৰা এণ্টিবায়'টিকৰ প্ৰয়োগ অতি সাৱধানতাৰে কৰা জৰুৰী, অন্যথা এজন ব্যক্তিৰ স্বাস্থ্যৰ হানি হ'ব পাৰে। ডাঃ ছাফীয়ে লগতে কয় যে এনে ধৰণৰ দৰব তেতিয়াহে ব্যৱহাৰ কৰা উচিত যেতিয়া ৰোগীৰ প্ৰাণ সংকটত পৰে আৰু তেওঁৰ শৰীৰত অজ্ঞাত বেক্টেৰীয়া থকাটো নিশ্চিত হয়। প্ৰতিবেদনত উল্লেখ কৰা আন এক উদ্বেগজনক কথা হৈছে, ভাৰতত সম্প্ৰতি যিসমূহ এণ্টিবায়'টিক বহুল প্ৰচলিত হৈছে; এনে দৰবৰ সৰহ সংখ্যকে ড্ৰাগছ কণ্ট্ৰ'ল বিভাগৰ দ্বাৰা স্বীকৃত নহয়। এই অধ্যয়নত গৱেষকৰ দলটোৱে যিসমূহ এণ্টিবায়'টিকক সামৰি লৈছিল, তাৰ মাত্ৰ ৪৫.৫ শতাংশ দৰবহে চেণ্ট্ৰেল ড্ৰাগছ ষ্টেণ্ডাৰ্ড কণ্ট্ৰ'ল অৰ্গেনাইজেচন (চিডিএছচিঅ')ৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম অনুসৰি উৎপাদন কৰা হৈছিল।

সচৰাচৰ দৰবৰ ভিতৰত এণ্টিবায়'টিকৰে ব্যৱহাৰ সৰ্বাধিক হয়; কিন্তু এণ্টিবায়'টিক সেৱনৰ ক্ষেত্ৰত এজন ব্যক্তি সাৱধান হোৱা উচিত। কেৱল চিকিৎসকৰ পৰামৰ্শ আৰু নিদান অনুসৰিহে নিৰ্দিষ্ট স্বাস্থ্যজনিত সমস্যাৰ পৰা সকাহ লাভ কৰিবলৈ এণ্টিবায়'টিক দৰব গ্ৰহণ কৰিব লাগে; কিন্তু আমাৰ দেশত সততে প্ৰত্যক্ষ হয় যে জ্বৰ, চৰ্দি, কাহ আদি হ'লেই বহুতে চিকিৎসকৰ পৰামৰ্শ নলৈ ফাৰ্মাচীৰ পৰা এণ্টিবায়'টিক ক্ৰয় কৰি স্বচিকিৎসা কৰে। এইদৰে নিজে জধে-মধে দৰব নিৰ্বাচন কৰি সেৱন কৰাৰ ফলত চৰ্দি-জ্বৰৰ পৰা সকাহ লাভ কৰিলেও একে সময়তে এণ্টিবায়'টিকৰ অবিজ্ঞানসন্মত ব্যৱহাৰৰ ফলত মানৱ স্বাস্থ্যৰ ক্ষতি হৈছে। উল্লেখ্য যে আজিও প্ৰায়বোৰ ফাৰ্মাচীতে চৰকাৰে নিষিদ্ধ ঘোষণা কৰা নানা ধৰণৰ স্বাস্থ্যৰ বাবে ক্ষতিকাৰক তথাকথিত দৰব বিক্ৰী হৈ আহিছে। এইসমূহ দৰব চেণ্ট্ৰেল ডাগ্‌ছ ষ্টেণ্ডাৰ্ড কণ্ট্ৰ'ল অৰ্গেনাইজেচনৰ দ্বাৰা নিৰ্ধাৰিত নিয়ম-নীতি অনুসৰি তৈয়াৰ কৰা নহয়। জনসাধাৰণে চৰ্দি-জ্বৰৰ দৰে স্বাস্থ্য সমস্যাই দেখা দিলে স্বইচ্ছাত ফাৰ্মাচীৰ পৰা দৰব কিনি সেৱনৰ অভ্যাস কৰাত বহু সময়ত নিষিদ্ধ আৰু স্বাস্থ্যৰ বাবে ভয়াৱহ দৰবৰ ৰাসায়নিকে মানৱ দেহৰ বৃক্ক, যকৃত, হৃদপিণ্ড, হাওঁফাওঁ আদিৰ ক্ষতি কৰিছে। এণ্টিবায়'টিকৰ অবাধ ব্যৱহাৰ পূৰ্বৰে পৰা অব্যাহত আছিল, কিন্তু ক'ভিড-১৯ৰ আগমনৰ পাছত ভাৰতীয়ৰ মাজত এণ্টিবায়'টিক জধে-মধে ব্যৱহাৰৰ প্ৰৱণতা বৃদ্ধি পাইছে। ফলত এজন ব্যক্তিৰ অজ্ঞাতে স্বাস্থ্যৰ ক্ষতি হ'বলৈ ধৰিছে। জনস্বাস্থ্যৰ বাবে এণ্টিবায়'টিকৰ এনে অবাধ প্ৰচলন এক উদ্বেগৰ বিষয়।

ৰোগ চিকিৎসাৰ ক্ষেত্ৰত এণ্টিবায়'টিক দৰবৰ এক বিশেষ ভূমিকা আছে। এণ্টিবায়'টিকৰ প্ৰয়োগৰে নানা ৰোগ প্ৰতিৰোধ কৰিব পাৰি; কিন্তু এই দৰব একমাত্ৰ চিকিৎসকৰ পৰামৰ্শতহে নিৰ্দিষ্ট পৰিমাণত ৰোগীয়ে গ্ৰহণ কৰিব লাগে। অন্যথা এণ্টিবায়'টিকৰ অসাৱধান সেৱনৰ ফলত মানৱ দেহৰ লাভতকৈ ক্ষতিহে হোৱাৰ শংকা থাকে। স্বচিকিৎসাৰ বাবে এণ্টিবায়'টিকৰ সেৱন অনুচিত। এণ্টিবায়'টিকৰ অপব্যৱহাৰৰ সন্দৰ্ভত জনসাধাৰণ সজাগ-সচেতন হ'ব লাগিব। চিকিৎসকৰ কাষ নাচাপি নিজে দৰব ক্ৰয় কৰি সেৱনৰ ভয়াৱহ প্ৰৱণতাৰ পৰা আমি মুক্ত হোৱাটো জৰুৰী। তদুপৰি এণ্টিবায়'টিকৰ বিক্ৰীৰ ক্ষেত্ৰতো চৰকাৰে কঠোৰ নীতি বান্ধি দিয়া প্ৰয়োজন। চিকিৎসকৰ নিদান পত্ৰ অবিহনে ফাৰ্মাচীত এনে দৰবৰ বিক্ৰী বন্ধ কৰাব পাৰিলেহে ভাৰতত এণ্টিবায়'টিকৰ অবাধ আৰু অপ্ৰয়োজনীয় ব্যৱহাৰ সীমিত হ'ব।

## খোলা মঞ্চ

# এবাৰ মন্ত্ৰীৰ গাদীত বহিলে...



**দিলীপ বৰ্মন,** লেখক

**হিন্দীত** এষাৰ কথা আছে— 'লোভ লালচ বঢ়তি জাতি হে, লেকিন উমৰ ঘটটি জাতি হ্যায়।' কথা হ'ল জন্মৰ পাছৰে পৰা আমি মৰিবলৈ আগবাঢ়িছোনে, চিৰজীৱী হ'বলৈ আগবাঢ়িছো? ধন, জন, টকা-পইচা কিয় আৰু কাৰ বাবে, এটি ডাঙৰ প্ৰশ্ন। সন্তান গৰ্ভত থকাৰ পৰাই এচাম অভিভাৱকে সেই সন্তানটিৰ উত্তৰ সুৰীৰ কথা চিন্তা কৰে। এপিৰি-দুপিৰি নহয়, একেবাৰে সাত-আঠ পিৰিলৈকে, অৰ্থাৎ চৈধ্য পুৰুষলৈকে। অন্ন, বস্ত্ৰ, বাসস্থান মৌলিক অধিকাৰ যদিও একাংশ সুবিধাবাদী ধুৰন্ধৰে অন্যায়-অনীতিত নামি সমাজত বিষবাষ্পহে বিয়পাই আহিছে। আজিৰ প্ৰেক্ষাপটত যেন *ধনেই ধৰ্মৰ মূল, ধন নহ'লে যায় জাতিকুল* / কথাষাৰলৈ লক্ষ্য কৰিলে আজিৰ সময়ত গৰিব হোৱাটো যেন অপৰাধহে। গৰিব মানেই যেন আজি অস্পৃশ্য। টকাই একাংশ মানুহক অন্ধ কৰিছে, একাংশক অমানুহ কৰিছে, একাংশক হিংস্ৰ কৰিছে, একাংশক চোৰ-ডকাইতলৈ পৰ্যবসিত কৰাইছে। এইটো ন-দি ক'ব পাৰো যে অসম চৰকাৰৰ প্ৰায় ষাঠি শতাংশ চৰকাৰী চাকৰিয়ালে চাকৰি ধনবলতহে পাইছে। অবৈধভাৱে হোৱা চাকৰিসমূহৰ মূল শক্তিয়ে হ'ল টকা। সৌ-সিদিনালৈকে বিশেষকৈ কংগ্ৰেছ আৰু অগপ চৰকাৰৰ দিনত মন্ত্ৰী-বিধায়কৰ বাসগৃহৰ পৰাহে নিযুক্তি পত্ৰ লাভ কৰিছিল। বহু মন্ত্ৰী-বিধায়কে আজিও তেওঁলোকৰ ওচৰলৈ যোৱা সমষ্টিৰ অন্য প্ৰান্তৰ মানুহক যাতায়াত ভাত পানী খোৱা ইত্যাদি ধৰণৰ কাৰ্যত এহেজাৰ-দুহেজাৰকৈ দিওঁতে দৈনিক দুই তিনি লাখ টকা খৰচ কৰে। এইবোৰ টকা মন্ত্ৰী-বিধায়কে ক'ৰপৰা পাইছে, কোনোবাই এবাৰ ভাবিছেনে? কেৱল এহেজাৰ বা দুহেজাৰ টকাত বিক্ৰী গৈ তেওঁলোককহে বাঃ বাঃ দিয়ে। দিয়াজন ভাল, নিদিয়াজনহে বেয়া। আমি কোৱা নাই যে সকলো মন্ত্ৰী বিধায়কে দুৰ্নীতিত লিপ্ত, ইয়াৰে কম সংখ্যকে এতিয়াও নীতি আদৰ্শ পৰিহাৰ কৰা নাই। পূৰ্বৰ একাংশইও কৰা নাছিল। আকৌ এটা কথা কওঁ যে বহু মন্ত্ৰী-বিধায়কৰ পৰিয়ালে নাজানে তেওঁ ক'ত কিমান মাটি ক্ৰয় কৰিছে, ক'ত কিমান সম্পত্তি কৰি থৈছে! সম্প্ৰতি চিন্তনীয় কথাটো হৈছে যে বহু অনভিজ্ঞৰ হাতত ক্ষমতাৰ পাত্ৰ অৰ্পণ কৰা বাবে আজি বহু ক্ষেত্ৰত বিপৰ্যয়ে দেখা দিছে। আমি ক'ব বিচাৰো যে প্ৰতিগৰাকী মন্ত্ৰী-বিধায়কৰে সম্পত্তিৰ জৰীপ চলাব লাগে। দুৰ্নীতিৰ প্ৰশ্ৰয়ত গঢ়া সম্পত্তি বাজেয়াপ্ত কৰিব লাগে। এতিয়া বহু মন্ত্ৰী-বিধায়কৰ অৰ্হতা বুলি ক'লে ধনৰ ক্ষমতাকহে বুজা যায়। কিমানজন মন্ত্ৰীৰ তেওঁ পদ লাভ কৰা বিভাগটোৰ অভিজ্ঞতা আছে সেইটোও চিন্তনীয়। অভিজ্ঞতা নথকা গোটেই বিশ্বকে আজি যেন টকাই পৰিচালনা কৰে। আকৌ টকাই একাংশক প্ৰেৰণা দিয়ে, সাহস দিয়ে, ক্ষমতা দিয়ে আৰু বলিয়াও কৰে। টকাই সূচল পথকো পিচল কৰি দিব পাৰে। কথা হ'ল— এবাৰ মন্ত্ৰীৰ গাদীত বহিলে চৈধ্য পুৰুষলৈ চিন্তা নাই বোলা কথাষাৰৰ বহু ক্ষেত্ৰতে বাস্তৱ ভিত্তি আছে। মন্ত্ৰী-বিধায়ক, আমোলা-বিষয়াসকলৰ সৰহসংখ্যকে ধনলোভী। নীতি আদৰ্শ পৰিহাৰ কৰি বহুতে অনীতিৰে সম্পত্তিৰ পাহাৰ চৈধ্য পুৰুষলৈ গঢ়ি থৈছে আৰু একাংশই গঢ়িব ধৰিছে। বহু মন্ত্ৰী-বিধায়কে, বহু আঁচনি কাগজে কলমে ৰূপায়ণ হোৱা দেখুৱাই ধন ৰাশি আত্মসাৎ কৰিছে আৰু কৰি আহিছে। বহু মন্ত্ৰী বিধায়কে চাকৰিৰ মুকলি বজাৰ খুলিও সম্পত্তিৰ পাহাৰ গঢ়িছে। আৰু এটা কথা কওঁ যে বহু মন্ত্ৰী-বিধায়কে অকৰা মৈত উঠা দিয়ে। যিসকলৰ এই স্বভাৱটো আছে তেওঁলোকে পৰিহাৰ কৰক।

*ফোন ঃ ৯১০১৭৫৮০১৫*

## 'শিক্ষক দিৱস'ৰ প্ৰেৰণা আৰু উপলব্ধি

# আজীৱন শিক্ষকসকলেই সমাজৰ খনিকৰ

**অৱলোকন**



**ড° জয়কান্ত শৰ্মা**

**এক**

**প্ৰতিটো** 'শিক্ষক দিৱসে' আমাৰ মনলৈ একপ্ৰকাৰৰ আত্মবিশ্বাস কঢ়িয়াই আনে; মনৰ মাজত থিতাপি লয় নতুন আশা আৰু উদ্দীপনাই। সমাজ গঢ়াৰ খনিকৰ শিক্ষকসকল; সমাজৰ উত্তৰণৰ পথো নিহিত আছে শিক্ষাৰ মাজতহে। সেয়ে নিজে শিক্ষক হৈ তাৰ বাবে কিঞ্চিৎ গৌৰৱবোধ কৰাৰ থল নথকা নহয়। তাতে এই দিৱস পালন কৰা হয় এগৰাকী স্বনামধন্য শিক্ষকৰ সোঁৱৰণত, যিগৰাকী আছিল স্বামী বিবেকানন্দৰ পাছত ভাৰতৰ ১০ হেজাৰ বছৰীয়া ঐতিহ্য আৰু সংস্কৃতিৰ বিশ্লেষণেৰে বিশ্বৰ বৌদ্ধিক সমাজ আলোকিত কৰি তোলা দ্বিতীয়গৰাকী মনীষী। সেইবাবে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ উপলব্ধি প্ৰতিগৰাকী বিদ্যানুৰাগী ভাৰতীয়ৰ বাবে আত্মবিশ্বাসৰ সমল।

১৮৮৮ৰ পাঁচ ছেপ্টেম্বৰত মাদ্ৰাজৰ (এতিয়া চেন্নাই) ওচৰৰ সৰু গাঁও এখনৰ এটা দুখীয়া পৰিয়ালত সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্ম। মিছনেৰী স্কুলত বিদ্যাৰম্ভ কৰি তেওঁ মাদ্ৰাজৰ খ্ৰীষ্টান কলেজৰ পৰা দৰ্শন বিষয়ত সুখ্যাতিৰে উত্তীৰ্ণ হয়, আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ পাছত মহীশূৰ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিবলৈ লয়। তাতেই ৰাধাকৃষ্ণণে 'Ethics of vedanta' শীৰ্ষক গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। কে'বাবছৰো কলিকতা বিশ্ববিদ্যালয়ৰ সন্মানজনক আসনত অধ্যাপনা কৰাৰ পাছত ১৯৩৬ত তেওঁ অক্সফৰ্ড বিশ্ববিদ্যালয়ত অধ্যাপকৰূপে নিযুক্তি লাভ কৰে। ১৯৩৯ৰ পৰা ১৯৪৮লৈ ৰাধাকৃষ্ণণ বেনাৰছ হিন্দু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আছিল।

লক্ষ্যণীয় যে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে এটাৰ পাছত আনটো বিদ্যায়তনিক উপলব্ধি সাধন কৰাৰ সময়ছোৱাতে ভাৰতীয় সমাজ স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত উদ্বেলিত হৈ উঠিছিল; কিন্তু ড° ৰাধাকৃষ্ণণে ৰচনা কৰি গৈছিল 'Indian Philosophy' 'An Ideal view of Life', 'The Religion We Need' আদিৰ দৰে এখনৰ পাছত আনখন মহামূল্যৱান গ্ৰন্থ। এই প্ৰসংগতে মনত পৰে, ১৯৪৩-৪৪ত ফেচীবাদ প্ৰতিহত কৰিবলৈ লণ্ডনবাসীয়ে চলাই থকা বিভিন্ন কাৰ্যসূচীৰ মাজতো দিনে-নিশাই পৰীক্ষাগাৰত সোমাই থকা এগৰাকী গৱেষকৰ কথা। জাতীয়তাবাদী গণ আন্দোলনত তেওঁ কিয় যোগদান কৰা নাই বুলি প্ৰশ্ন কৰাত তেওঁ উত্তৰ দিছিল, 'মহাসমৰৰ অন্ত পৰিলে যিটো খাদ্য সংকটৰ সৃষ্টি হ'ব, তাৰে সমাধানকল্পে মই উন্নত আলুবীজ উদ্ভাৱনৰ গৱেষণাত ব্যস্ত আছো। সেই বাৰ্তা ড° সৰ্বেপল্লী



ৰাধাকৃষ্ণণৰ জীৱন পৰিক্ৰমাৰ মাজতো আছে।

তেওঁৰ এই উপলব্ধিত আনন্দিত হৈ বিশ্ববিশ্ৰুত দাৰ্শনিক ব্ৰাৰ্ট্ৰাণ্ড ৰাছেলে কৈছিল, বিশ্বত দৰ্শনশাস্ত্ৰ এতিয়াহে সন্মানিত হ'ল। পিছে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ চৰিত্ৰৰ বিশেষত্ব আছিল এয়ে যে তেওঁ নিজকে এগৰাকী শিক্ষক বুলি পৰিচয় দিহে গৌৰৱবোধ কৰিছিল। সঁচা অৰ্থত তেওঁ আছিল এগৰাকী আজীৱন শিক্ষক।

**দুই**

'তমসো' মা জ্যোতিৰ্গময়' (আন্ধাৰৰ পৰা মোক পোহৰলৈ নিয়া) দৰ্শনৰ ধ্বজাবাহক হ'ল শিক্ষকসকল। শিক্ষকসকলে দেখুৱায় ছাত্ৰক বৌদ্ধিক বিকাশৰ পথ। ভাৰতীয় গুৰুকুল ব্যৱস্থাই ইতিমধ্যে ইউনেস্ক'ৰ 'ঐতিহ্যপূৰ্ণ প্ৰাচীনতম সংস্কৃতি'ৰূপে স্বীকৃতি পাইছে। ব্যৱস্থাটোৰ আৰম্ভণিতে আছিল গুৰুৱে শিষ্যক প্ৰদান কৰা 'শ্ৰৱণ-স্মৰণ'ৰ কৌশল। গুৰুকুল শিক্ষা ব্যৱস্থা ক্ৰমশঃ বিকশিত হৈ আজিৰ বিদ্যালয়ৰ শিক্ষাৰ পৰ্যায় পাইছে, শেহতীয়াভাৱে পদ্ধতিটোত ইণ্টাৰনেটৰ মাধ্যম সংযোজিত হৈছে, সেইটো অন্য কথা; কিন্তু ভাৰতীয় সমাজত শিক্ষকসকল সততে শ্ৰদ্ধাৰ পাত্ৰৰূপে পৰিগণিত হৈ আহিছে; আজিও 'শিক্ষাগুৰু'ৰ ধাৰণাটো বিলুপ্ত হোৱা নাই। অন্ততঃ 'শিক্ষক দিৱস'ৰ উপলক্ষত নিজৰ জীৱনত শিক্ষকৰ অতুলনীয় অৱদানৰ বিষয়ে স্মৰণ নকৰা শিক্ষিত লোক কমেই ওলাব। আজীৱন শিক্ষকৰ ধাৰণাটো তৃণমূল পৰ্যায়লৈ প্ৰসাৰিত।

বিদ্যালয়ত শিক্ষাগুৰুসকলৰ পৰা মাথোন পুথিগত শিক্ষাই নহয়, বৌদ্ধিক প্ৰেৰণা আৰু জীৱনৰ শিকনি লাভ কৰাটোৱেই আছিল ভেঁটি। তাৰ পাছত ঢাপে ঢাপে পাই আহিছো অনেক আজীৱন শিক্ষকৰ সান্নিধ্য। পণ্ডিত প্ৰৱৰ গিৰিধৰ শৰ্মাৰ সান্নিধ্য কটাইছো কে'বাটাও বছৰ। নিজে কৰ্মময় জীৱনত গৱেষণাৰ বাবে সময় উলিয়াব নোৱাৰা শৰ্মাছাৰে আমাক গৱেষণাৰ বাবে উদ্বুদ্ধ কৰিব পাৰিছিল, তেতিয়া ইউজিচিৰ কোনো উদ্‌গনিমূলক নিৰ্দেশনা নথকা সত্ত্বেও। আকৌ শিক্ষকসকলে মাথোন শ্ৰেণীকোঠাতেই নহয়, আলোচনা চক্ৰ, কৰ্মশালা, সামাজিক সেৱা, শিক্ষামূলক ভ্ৰমণ আদিৰ মাজেৰেও শিক্ষাদানত ব্ৰতী হোৱাটো বিচাৰিছিল গিৰিধৰ শৰ্মাই। সেয়া আছিল আজীৱন শিক্ষকৰ বাৰ্তা।

আজীৱন শিক্ষকৰ ৰূপত দুগৰাকী প্ৰসিদ্ধ বিজ্ঞানীৰ সান্নিধ্য লাভ কৰাটোও মোৰ বাবে কম সৌভাগ্যৰ কথা নাছিল। প্ৰথমগৰাকী আছিল শিক্ষাগুৰু ড° ৰোহিণী কান্ত বৰুৱা, যিগৰাকী আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন ৰসায়নবিদ হৈও এগৰাকী সু-সাহিত্যিক আছিল। দ্বিতীয়গৰাকী হ'ল মোৰ গৱেষণাৰ গুৰু তথা ড° বৰুৱাৰ সুযোগ্য শিষ্য ড° প্ৰতুল গোস্বামী। গুৱাহাটী মেডিকেল কলেজৰ জৈৱ-ৰসায়ন বিভাগৰ মুৰব্বী অধ্যাপক হৈও তেওঁ গৱেষণাক এক জীৱনজোৰা সাধনা ৰূপে গ্ৰহণ কৰিছিল। সীমিত সম্পদৰ সদব্যৱহাৰৰ মাজেৰে অতি উন্নতমানৰ গৱেষণাকৰ্ম সিদ্ধ কৰিব পৰা যায়, সেই কৌশল আয়ত্ত কৰিছিলো ড° প্ৰতুল গোস্বামী ছাৰৰ পৰা।

ডক্টৰেট ডিগ্ৰী লাভ কৰা (১৯৭৯)ৰ পাছতে সেই সময়ৰ শৈক্ষিক তথা সামাজিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অসম কলেজ শিক্ষক সংস্থাত জড়িত হৈ পৰিছিলো; সেইটোৱে ছাৰক হতাশ কৰিছিল। এদিনাখন দেখা কৰিবলৈ যাওঁতে কৈছিল— আপোনাৰ গৱেষণা পত্ৰই দেশে-বিদেশে স্বীকৃতি পোৱা সম্পৰ্কে আপুনি অৱগত; পৰৱৰ্তী গৱেষণাৰ বাবে Poland University-এ আপোনাক সহযোগিতাৰ প্ৰস্তাৱ দিছে। অথচ আপুনি যোগ দিলেগৈ শিক্ষকৰ আন্দোলনত। এনে ক্ষেত্ৰত আপোনাৰ গৱেষণাই বিজ্ঞান জগতত কি অৰিহণা যোগালে? সেই কথাটোকে মোক অন্য ধৰণে কৈছিল ড° মুকুন্দ মাধৱ শৰ্মাই। তেওঁ তেতিয়া ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য। ACTAৰ মঙলদৈ অধিৱেশন (১৯৯৪)ত মুখ্য অতিথিৰ আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱাৰ উদ্দেশ্যৰে তেওঁক লগ ধৰিবলৈ গৈছিলো। তেওঁ সকলো কথা জানি-বুজি ল'লে, আৰু আমাৰ প্ৰস্তাৱত সন্মতিও জনালে; কিন্তু বিদায় ল'বৰ পৰত ক'লে,— ACTA ত আপুনি কি কৰি আছে? মই জনাত সংগঠনটোৰ নেতৃত্ব ল'বলৈ সক্ৰিয় কৰ্মীৰ অভাৱ হোৱা নাই। আপুনি সেইবোৰ এৰি লেখা-মেলাৰ কামত মনোনিৱেশ কৰক।

আজীৱন শিক্ষক ড° মুকুন্দ মাধৱ শৰ্মাৰ কথাষাৰে মোৰ জীৱনত প্ৰভাৱ বিস্তাৰ নকৰাকৈ নাথাকিল। তাকে সোঁৱৰণ কৰি আজিও পুলকিত হওঁ। স্বাভাৱিকতে 'শিক্ষক দিৱস'ত এনেবোৰ কথাৰ ৰোমন্থনে ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ নাথাকে। অৱসৰ গ্ৰহণৰ পাছতো অত বছৰে দেখোন প্ৰকাৰান্তৰে শিক্ষা জগতৰ স'তে জড়িত হৈ আছো; সেইটোও কম সৌভাগ্যৰ কথানে?

**১৯৪৯ৰ পৰা ড০ সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ ৰাজনৈতিক গতিবিধি আৰম্ভ হয়। প্ৰথমে বিদেশত ৰাষ্ট্ৰদূত, তাৰ পাছত দেশৰ উপ-ৰাষ্ট্ৰপতি আৰু শেষত ৰাষ্ট্ৰপতি পদ; আকৌ ড০ ৰাধাকৃষ্ণণেই হ'ল ভাৰতৰ প্ৰথমগৰাকী 'ভাৰতৰত্ন'।**

**তিনি**

এইবেলিৰ 'শিক্ষক দিৱস'টো মোৰ বাবে আনন্দৰ দিন নাছিল। আমাৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু অনন্তৰাম দাস আৰু নাই। দুসপ্তাহমান তেওঁ হাস্পতালত চিকিৎসাধীন হৈ থকাৰ পাছত সাত আগষ্টৰ দিনা নিজৰ ঘৰতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰিলে। খবৰটো মোক লগে লগেই দিছিল তাহানিৰ সহপাঠী তথা বিশিষ্ট বন্ধু হৰিচৰণ ডেকাই, সুধিছিল— শ্মশানলৈ আহিবা নেকি? কিন্তু চিকিৎসকৰ কঢ়া সকীয়নি উলংঘা কৰি তালৈ যোৱাটো সম্ভৱ নাছিল। আকৌ ২৮ আগষ্টত কমলপুৰ উন্নয়ন সমিতিয়ে ছাৰৰ স্মৃতিত অনুষ্ঠিত কৰিলে 'আজীৱন শিক্ষক অনন্তৰাম দাসলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি'। একে কাৰণত সেইটো অনুষ্ঠানতো উপস্থিত থাকিব নোৱাৰিলো। সময়ত নিজৰ এনে স্বাস্থ্যজনিত অক্ষমতা বিষাদৰ কাৰণ হৈ পৰে।

অৱশ্যে অনন্তৰাম দাসলৈ কমলপুৰবাসীয়ে যথোচিত সন্মান যাঁচিছে। উন্নয়ন সমিতিৰ সভাপতি ৰমেন চৌধুৰীৰ অধ্যক্ষতাত পৰিচালিত দিনজোৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত স্মৃতিচাৰণৰ উপৰি সৰ্বধৰ্ম প্ৰাৰ্থনা সভা, নাম-প্ৰসংগ, ভাগৱত পাঠকে আদি কৰি বিভিন্ন কাৰ্যসূচী অন্তৰ্ভুক্ত হৈছিল। প্ৰকৃতাৰ্থত সেয়া আছিল কমলপুৰৰ সমাজ জীৱনত ছটা দশক ধৰি দাস ছাৰে আগবঢ়াই থৈ যোৱা নিঃস্বাৰ্থ সেৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন।

অনন্তৰাম দাস ছাৰে আমাক গণিত বিষয়টো পঢ়াইছিল। তেওঁ অংকবোৰ এনেদৰে বুজাইছিল যে কোনেও কঠিন অংক এটা নুবুজাকৈ থকাটো সম্ভৱ নাছিল। অৱশ্যে এছাৰিডাল তেওঁৰ হাতত আছিলেই! সময়ত খঙাল হৈ ৰুদ্ৰমূৰ্তি ধাৰণ কৰা দাস ছাৰৰ অন্তৰখন আছিল পিতৃস্নেহেৰে ভৰা। আনকি এছাৰিৰ সৎব্যৱহাৰ সম্পৰ্কেও তেওঁ সচেতন আছিল। আমোদজনক যেন লাগিলেও সঁচা, অৱসৰ পোৱাৰ একুৰি বছৰ পাছতো এদিন হেনো তেওঁ মোৰ বিষয়ে বাইদেউক কৈছিল— মাজে মাজে ভাব হয়, মই বাৰু তাক বেছিকৈয়ে কোবাইছিলো নেকি? 'প্ৰান্তিক' আলোচনীত প্ৰকাশ পোৱা মোৰ 'অংক' গল্পটোৰ (১ ডিচেম্বৰ, ২০২১) কেন্দ্ৰবিন্দু আছিল পৰম শ্ৰদ্ধাৰ দাস ছাৰ।

সাম্প্ৰতিক কালৰ শিক্ষা ব্যৱস্থাত প্ৰচলিত 'ছাত্ৰ-ছাত্ৰীৰ অবিৰত আৰু সামগ্ৰিক মূল্যায়ন পদ্ধতি'টো দাস ছাৰে অজানিতে তাহানিতে প্ৰয়োগ কৰিছিল। তেওঁৰ মতে শৃংখলাবোধ আৰু অধ্যয়ন স্পৃহা হ'ল ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ ছাবি-কাঠী। সেয়েহে শ্ৰেণীকোঠাৰ ভিতৰতে নহয়, শ্ৰেণীকোঠাৰ বাহিৰতো ছাত্ৰ-ছাত্ৰীৰ আচৰণ আৰু গতিবিধিৰ ওপৰত তেওঁ চোকা দৃষ্টি ৰাখিছিল। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপলব্ধি সন্দৰ্ভত তেওঁ যথেষ্ট সচেতন আছিল; তেওঁলোকৰ কোনে ক'ত কি কৰি আছে, সকলোবোৰ আছিল তেওঁৰ নখদৰ্পণত। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক লৈ গৌৰৱবোধ কৰাটো তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল।

অনন্তৰাম দাস এগৰাকী আজীৱন শিক্ষকেই নাছিল, তেওঁ আছিল কমলপুৰৰ ৰাজহুৱা জীৱনত এগৰাকী অভিভাৱকসদৃশ ব্যক্তি। সেই সময়ত কমলপুৰ সমগ্ৰ অঞ্চলটোৰ শিক্ষাৰ কেন্দ্ৰ হোৱাৰ উপৰি খেলা-ধূলা, গীত-মাত আৰু নাট্যাভিনয়ৰো কেন্দ্ৰ হৈ পৰিছিল। এনে ধৰণৰ সকলোবোৰ অনুষ্ঠানতে দাস ছাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। ১৯৯২ত চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পাছত এই দিশত তেওঁৰ সক্ৰিয়তা আৰু বৃদ্ধি পাইছিল। পুৰুষ-মহিলা, যুৱক-যুৱতী, শিশু-বৃদ্ধকে ধৰি সমাজৰ সকলো স্তৰৰ লোকক লৈ একেলগে কাম কৰাৰ অপূৰ্ব চানেকি তেওঁ দেখুৱাই থৈ গৈছে। এইটো সঁচা, কমলপুৰৰ সামাজিক জীৱনৰ নেতৃত্ব সততে শিক্ষকসকলেই গ্ৰহণ কৰি আহিছে; কিন্তু যুৱ প্ৰজন্মৰ নতুন নতুন লোকক ৰাজহুৱা জীৱনত জড়িত কৰোৱাৰ অপূৰ্ব দক্ষতা আছিল অনন্তৰাম দাসৰ। তাৰে সুফল বৰ্তমানৰ সমাজে লাভ কৰিছে।

**চাৰি**

আজি-কালি 'শিক্ষক দিৱস'ৰ উপলক্ষত বিদ্যাৰ্থীসকলে শিক্ষাগুৰুক প্ৰণাম আৰু শুভেচ্ছা যঁচাৰ উপৰি উপহাৰ দিয়াৰ পৰম্পৰা আৰম্ভ হৈছে। সাধাৰণতে ফুলৰ থোপা, কলম, কিতাপ আদি উপহাৰ দিয়া হয়। উপহাৰ পৰ্বটো আমাৰ দিনত নাছিল। অৱশ্যে চাকৰিৰ পৰা অৱসৰ লোৱাৰ ডেৰটা দশকৰ পাছতো শৈক্ষিক অনুশীলনৰ বিভিন্ন গতিবিধিত জড়িত হৈ আছো। হয়তো সেই বাবেই বিভিন্ন জনৰ পৰা 'শিক্ষক দিৱস'ৰ শুভেচ্ছা পাওঁ।

পিছে এইবেলি মোৰ আচৰিত হোৱাৰ পাল। পাঁচ ছেপ্টেম্বৰৰ পুৱাতে হাতত শুভেচ্ছা পত্ৰ আৰু উপহাৰ লৈ দুই নাতিনী হাজিৰ। মৰমেৰে সিহঁতৰ শুভেচ্ছা গ্ৰহণ কৰি ধেমালি কৰিবলৈকে ক'লো, — মোক তহঁতে কলম দিছ নহয়? মোক আৰু কলম নালাগে, লিখি লিখি আমনি লাগিছে। সিহঁতে তপৰাই উত্তৰ দিলে, —ওহোঁ, নহ'ব; তুমি লিখি থাকিবই লাগিব। তুমি আমাৰ সকলোৰে শিক্ষক।

সময়ত শিশুৰ কথা এষাৰিও প্ৰেৰণাৰ উৎস হৈ পৰে। তাতেই শিক্ষকতাৰ সাৰ্থকতা।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# শিক্ষা ব্যৱস্থাক লৈ চলিছে বিতৰ্ক

## দিল্লী বনাম অসম

**শেহতীয়াকৈ** দেশৰ ৰাজধানী দিল্লী আৰু অসমৰ শিক্ষা ব্যৱস্থাক লৈ দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ তুমুল বাক্-বিতণ্ডাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। শিক্ষা এক সাৰ্বজনীন বিষয়বস্তু। শিক্ষাৰ ক্ষেত্ৰত নিৰ্দিষ্ট কোনো পৰিসীমা নাই। কেৱল মাত্ৰ প্ৰমাণপত্ৰধাৰী শিক্ষাই এখন দেশ বা ৰাজ্যৰ শিক্ষাখণ্ডৰ মান নিৰ্ধাৰণ নকৰে। শিক্ষাৰ ক্ষেত্ৰত কোনো এক মডেল শ্ৰেষ্ঠ অথবা কোনোবা এক মডেল বিফল সেয়া নিৰ্ধাৰণ কৰিবলৈ কেৱল মাত্ৰ কেইটামান বছৰ পৰ্যবেক্ষণ কৰিলেই নহ'ব। ইয়াৰ এক সুদূৰপ্ৰসাৰী প্ৰভাৱ থাকিব পাৰে। দিল্লীৰ শিক্ষা মডেলত কি উল্লেখনীয় এনে পদক্ষেপ আছে যিয়ে ইয়াক শ্ৰেষ্ঠতাৰ মৰ্যাদা দিছে— সেয়া দিল্লীৰ শিক্ষা মডেল অসমত প্ৰযোজ্য কৰক বুলি কোৱা অধিকাংশই নাজানে। তাৰ উপৰি শিক্ষা ক্ষেত্ৰৰ বহু বৃহৎ সিদ্ধান্ত সৰ্বসাধাৰণে একো তলকিবই নোৱাৰে। শেহতীয়াভাৱে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি সমগ্ৰ দেশতেই আংশিকভাৱে প্ৰযোজ্য কৰা হৈছে; কিন্তু এই নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিত কি নতুনত্ব আছে তাৰ বিষয়ে কেৱল চৰকাৰ-প্ৰশাসন, দুই-এক ছাত্ৰ সংগঠনৰ বিষয়ববীয়া আৰু শিক্ষাখণ্ডৰ লগত জড়িত একাংশৰ বাহিৰে গাঁৱৰ সৰ্বসাধাৰণ হোজা মানুহে একো তলকিবই পৰা নাই; কিন্তু এই বিশাল আয়োজনত অংশীদাৰিত্ব হ'ব গাঁৱৰ সহজ-সৰল হোজা পৰিয়ালৰ ল'ৰা-ছোৱালীয়েই।

কেৱল বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নত কৰিলেই অথবা দিল্লীৰ শিক্ষা মডেল গ্ৰহণ কৰিলেই যে অসমৰ শিক্ষা ব্যৱস্থাত এক আমূল পৰিৱৰ্তন আহিব, সেয়া সম্ভৱ নহয়। অসমত এতিয়াও এনে বহু অঞ্চল আছে, য'ত অভিভাৱকে আজিৰ দিনতো ল'ৰা-ছোৱালীক বিদ্যালয়লৈ পঠিওৱাৰ পৰিৱৰ্তে ঘৰুৱা কামত নিয়োজিত কৰাৰ প্ৰতি বিশেষ আগ্ৰহী। তেনে ল'ৰা-ছোৱালীয়ে বিদ্যালয়ৰ মুখ দেখাৰ সম্ভাৱনা যথেষ্ট কম; লাগিলে সেয়া দিল্লী শিক্ষা মডেলেই হওক বা আন কোনো বিদেশী শিক্ষা মডেলেই হওক। দিল্লীৰ শিক্ষাখণ্ডই ছাত্ৰ-ছাত্ৰীক অনাগত দিনত কৰ্মক্ষেত্ৰত অধিক নিয়োজিত হ'ব পৰাকৈ গঢ় দিছে, কিন্তু তেনে কৰ্মক্ষেত্ৰ অসমত এতিয়াও গঢ় লৈ উঠা নাই। দিল্লীত প্ৰতি বছৰে প্ৰায় তিনি-চাৰিমাহলৈ অসমৰ দৰে বানপানী নহয়। দিল্লীত কিমানটা শিক্ষক সংগঠন গঢ় লৈ উঠিছে আৰু কিমানটা ছাত্ৰ সংগঠন আছে সেয়াও হিচাপ কৰিবলগীয়া বিষয়। সৌ সিদিনাখনলৈ ছাত্ৰ সংগঠনসমূহে ষষ্ঠ-সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীকো আন্দোলনলৈ উলিয়াই আনি বিদ্যালয় ছুটী দিয়া ঘটনাৰো নজিৰ আছে অসমত। চমকপ্ৰদ এক শিক্ষা মডেলে অসমৰ দৰে অঞ্চলত শিক্ষাৰ গুণগত মান উন্নত কৰিব নোৱাৰে। অসমৰ ভৌগোলিক, সামাজিক আৰু কৰ্ম সংস্থাপনৰ অৰ্থনৈতিক দিশসমূহ চালি-জাৰি চাই অসমৰ বাবে এক স্বকীয় শিক্ষা মডেলৰ আৱশ্যক আছে।



শিক্ষাক ৰাজনীতিৰ মেৰপাকেৰে বান্ধি সাম্প্ৰতিক যি শ্ৰেষ্ঠ ৰাজনৈতিক দল অথবা শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী প্ৰতিপন্ন কৰাৰ এক অঘোষিত প্ৰতিযোগিতা চলিছে তাৰ ফলত সময়ত অধিক ক্ষতিগ্ৰস্ত হ'ব ছাত্ৰ-ছাত্ৰীসকল। শিক্ষাৰ ওপৰত আলোচনা হৈছে, সেয়া ভাল; কিন্তু শিক্ষাৰ কান্ধত বন্দুক থৈ ৰাজনৈতিক বিষয়বোৰলৈ গুলি ফুটোৱা কাৰ্যই সময়ত শিক্ষাখণ্ডৰ ব্যাপক ক্ষতি সাধন কৰিব। আমি নিজৰখিনি বেয়া আনৰখিনি ল'ব পাৰিলেহে আমাৰ উন্নতি হ'ব— এনে মনোভাৱ ত্যাগ কৰি নিজৰখিনিক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰাৰ প্ৰতিযোগিতাহে কৰিব লাগে। উদাহৰণস্বৰূপে স্বাধীনতাৰ পাছত ভাৰতৰ হাতত দুই ধৰণৰ অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণৰ সুযোগ আছিল। মহাশক্তিমান আমেৰিকা তথা ইউৰোপীয় দেশসমূহৰ দৰে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থা অথবা ছোভিয়েট ইউনিয়নৰ দেশসমূহৰ দৰে সমাজবাদী অৰ্থনৈতিক ব্যৱস্থা; কিন্তু ভাৰতবৰ্ষই দেশৰ ৰাজনৈতিক, সামাজিক, ভৌগোলিক দিশৰ প্ৰতি লক্ষ্য ৰাখি এক নব্য অৰ্থনৈতিক ব্যৱস্থা, মিশ্ৰ অৰ্থনৈতিক ব্যৱস্থা গ্ৰহণ কৰিছিল। আজিৰ দিনত পৃথিৱীৰ উন্নয়নশীল আন আন দেশসমূহৰ তুলনাত ভাৰতবৰ্ষই যথেষ্ট অগ্ৰণী স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এয়া সম্ভৱপৰ হৈছে; কাৰণ ভাৰতবৰ্ষৰ প্ৰতিগৰাকী নাগৰিকে এই অৰ্থনৈতিক ব্যৱস্থাক গ্ৰহণ কৰি এক অৰ্থনৈতিকভাৱে সমৃদ্ধিশালী ৰাষ্ট্ৰ নিৰ্মাণত অৰিহণা যোগাইছে। ইয়াৰ পৰিৱৰ্তে যদিহে আমি আন দেশৰ অৰ্থনৈতিক ব্যৱস্থা শ্ৰেষ্ঠ, তেনে অৰ্থনৈতিক ব্যৱস্থাইহে এখন দেশৰ কল্যাণ সাধিব পাৰে বুলি হাত সাবটি কেৱল অভিযোগেই কৰিলোহেঁতেন, তেন্তে ভাৰতত পুনৰ ব্ৰিটিছ শাসন প্ৰৱৰ্তন হ'লহেঁতেন।

শিক্ষাৰ ক্ষেত্ৰখনক লৈ মতামত দিয়াৰ নৈতিক অধিকাৰ সকলোৰে আছে; কিন্তু ইয়াক ৰাজনীতিৰ মেৰপেচেৰে বান্ধি বোকা ছটিওৱাসকলে দহৰ উন্নতিৰ বিপৰীতে অসমৰ শিক্ষা ব্যৱস্থাক এক ধ্বংসমুখী যাত্ৰালৈ ঠেলি দিছে। চৰকাৰীপক্ষই হওক, অথবা বিৰোধীপক্ষই হওক দুয়োপক্ষৰ এচাম অন্ধ সমৰ্থকে শিক্ষা মডেলৰ একো আঁতি-গুৰি নজনাকৈয়ে আমাৰ হুজুৰে যি কৰিছে সেয়াই শ্ৰেষ্ঠ, সেয়াই সাৰ্বজনীন মনোভাৱেৰে সামাজিক মাধ্যমত শিক্ষা বিষয়টোৰেই অচল অৱস্থা কৰি তুলিছে। শিক্ষা বিষয়ক কথা-বতৰাসমূহত ইমান তৰলকৈ মন্তব্য দিয়াৰ বিপৰীতে প্ৰয়োজনত বিভিন্ন সভা, অধ্যয়ন চক্ৰ আদিৰ আয়োজন কৰা হওক। সৰ্বসাধাৰণে নিজৰ মতামত দাখিল কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা হওক। ছাত্ৰ-ছাত্ৰীৰ হৈ কেৱল দুই-এক ছাত্ৰ সংগঠনেই সিদ্ধান্ত দিয়া অথবা মতামত দিয়াৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ পৰা পোনপটীয়াকৈ মতামত গ্ৰহণৰ ব্যৱস্থা কৰা হওক। ভোটদান প্ৰক্ৰিয়াত যদিহে ব্যক্তি বিশেষে মতামত গ্ৰহণৰ ব্যৱস্থা কৰিব পৰা যায়, তেন্তে গণতান্ত্ৰিক দেশ এখনত শিক্ষাৰ দৰে বিষয়বস্তুৰ ওপৰতো পোনপটীয়াকৈ মতামত গ্ৰহণৰ ব্যৱস্থা কৰা উচিত।

**ভাৰ্গৱ দাস**

ফোন ঃ ৭০০২৮৮৮০৭২

# ন্যায়ৰ টিকনি পাছফালে

**অভিমত**

আগতে অশিক্ষিত সমাজত মানুহৰ জীৱন-যাত্ৰা আছিল সৰল-সহজ আৰু পোনপটীয়া। শিক্ষিত হৈ অহাৰ লগে লগে প্ৰায় মানুহৰ জীৱন-যাত্ৰাবোৰ হ'ল জটিল, কূট-কৌশলী। আইনৰ প্ৰয়োগ য'তেই, যেতিয়া কৰা হয়, তাতেই প্ৰতিপক্ষক শলঠেকত পেলাবলৈ বিভিন্ন কৌশল গ্ৰহণ কৰা হয়, যাক কোৱা হয় আইনৰ সুৰুঙা। এই সুৰুঙাই আৰু ইয়াৰ ব্যৱহাৰে বিভিন্ন মামলা-মোকৰ্দ্দমাত প্ৰতিপক্ষ হ'ব লাগে জ্বলা-কলা, টকা-পইচাও খৰচ কৰিব লগা হয় অধিক। সময় হয় অনিশ্চিত। এনে মেৰপেচৰ কাৰণে বিচাৰ প্ৰক্ৰিয়াত ন্যায্যতাৰ প্ৰতিফলন কমেইহে হোৱা উদাহৰণ ঘটে। নক'লেও চলে বিত্তবান লোকৰ মাজত ধনৰ প্ৰাধান্যই শক্তিশালী স্থিতি গ্ৰহণ কৰে। অভিযোগকাৰীৰ অভিযোগবোৰৰ ভিতৰত অসত্য, সাজিলোৱা অভিযোগৰ প্ৰাবল্যতাত সত্য হয় বিপৰ্যস্ত। গোচৰ নিষ্পত্তিৰ সময় নিশ্চিত নথকাৰ কাৰণে দীৰ্ঘদিনলৈ মানুহৰ ব্যস্ততা অব্যাহত থাকে, ধনৰ ভৰণিও হয় অনিশ্চিত।

বাধ্যত পৰি দুৰ্বল গোচৰীয়া হ'লে ন্যায় আশাক জলাঞ্জলি দিয়া উদাহৰণ ঘটে। আমাৰ সমাজত গোপন হাতৰ প্ৰাধান্য থকা কথা সকলোৰে মুখে মুখে চৰ্চিত। গোপন হাতৰ ক্ষমতা থকা পক্ষই জয়ী হোৱাৰ সম্ভাৱনা থকা কাৰো দুৰ্বোধ্য নহয়। এনেবোৰ প্ৰক্ৰিয়াত ধাৰমান হোৱাৰ বাবে নেতিবাচক ফলৰ পৰিমাণ বৃদ্ধি পাই আহিছে। আমাৰ মুখেৰে যিমানেই ন্যায়-নিষ্ঠাৰ কথা উল্লেখ কৰা হয়, সিমানবোৰেই কাৰ্যত সুফলৰ মুখ দেখাৰ পৰা আমি যে বঞ্চিত, সি সত্য নহ'ব কিয়? আমি লাভ কৰা আমাৰ স্বাধীনতাই আমাক ভালতকৈ বেয়াটোহে অধিক শিকালে যেন লাগে।

**কেশৱ শৰ্মা,** কৈৰাৰা, নলবাৰী

ফোন ঃ ৯৪০১৮৭৯৪০৮

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১০ ছেপ্টেম্বৰ শনিবাৰ, ২০২২ পৃষ্ঠা ৫

# গান্ধীবাদী এগৰাকী অসমৰ মহিলা চিকিৎসক

## তেতিয়াৰ দিনত আমাৰ পাছপৰা সমাজখনে তিৰোতাৰ গৰ্ভধাৰণ অশুচি বুলি জ্ঞান কৰি ঘৰৰ আটাইতকৈ লেতেৰা ঠাইত থাকিবলৈ দিছিল

**তিলোত্তমা বাইদেৱে বহুতো ইচ্ছুক সেৱিকাক নিজৰ ঘৰতে ৰাখি চিভিল হাস্পতালত নাৰ্ছৰ প্ৰশিক্ষণ দিয়াইছিল। সেইদৰে ডাঃ হৰিকৃষ্ণ দাসে বহুতো অনাথ ল'ৰা-ছোৱালী তুলি-তালি উপযুক্ত কৰি জীৱন পথত মানুহ হিচাপে গঢ় দি সমাজত প্ৰতিষ্ঠিত কৰিছিল**

অৱলোকন
অহল্যা গগৈ



**জয়জয়তে** প্ৰখ্যাত চিকিৎসক প্ৰয়াত ডাঃ তিলোত্তমা ৰায়চৌধুৰীলৈ একাঁজলি শ্ৰদ্ধা আগবঢ়ালো। তেওঁৰ গান্ধীবাদী পিতৃ স্বনামধন্য ডাঃ হৰিকৃষ্ণ দাস এগৰাকী চৰকাৰী বিষয়া আছিল। ১৯২৪ত তেওঁ চিভিল চাৰ্জন পদত অধিষ্ঠিত হৈ অসমৰ প্ৰথমগৰাকী চৰকাৰী চিকিৎসক হৈও ১৯২৭ত উক্ত পদ ত্যাগ কৰি তেওঁ দেশৰ স্বাধীনতা আৰু সমাজ সেৱাৰ কামত ব্ৰতী হৈছিল। প্ৰচাৰ বিমুখ এই গান্ধীবাদী দেশসেৱক গৰাকীৰ গান্ধীবাদী শিক্ষয়িত্ৰী পত্নী হেমপ্ৰভা দাস আৰু সুযোগ্যা কন্যাদ্বয় ডাঃ তিলোত্তমা ৰায়চৌধুৰী আৰু অসমৰ উজ্জ্বল নক্ষত্ৰ সৰ্বোদয় নেত্ৰী অমল প্ৰভাই দেশ আৰু সমাজ সেৱাৰ এক বিৰল আদৰ্শ দাঙি ধৰিছিল। তিলোত্তমা ৰায় চৌধুৰী আছিল অসমৰ দ্বিতীয় মহিলা চিকিৎসক আৰু তেওঁৰ ভগ্নী অমল প্ৰভা দাস আছিল অসমৰ প্ৰথম এমএছচি ডিগ্ৰীধাৰী মহিলা। শল্য চিকিৎসক ডাঃ হৰিকৃষ্ণ দাস আছিল মহান আদৰ্শৰ চানেকিৰে এগৰাকী মুক্তিযোদ্ধা আৰু তেওঁৰ পত্নী হেমপ্ৰভা আছিল স্ত্ৰীশিক্ষাৰ বাটকটীয়া এজন বিশিষ্ট শিক্ষয়িত্ৰী। এই পৰিয়ালৰ বিষয়ে লিখিবলৈ প্ৰথমে জানিব লাগিব যে বৰপেটা নিবাসী আইনজীৱী জুৰোৰাম দাসৰ কনিষ্ঠ পুত্ৰ হৰিকৃষ্ণ দাসে কলিকতাত মেডিকেল পাছ কৰি গুৱাহাটীত চৰকাৰী চিকিৎসালয়ৰ এছিচটেণ্ট চাৰ্জন হিচাপে নিযুক্ত হয়। তাৰ পাছত ডিব্ৰুগড়ৰ 'বেৰী হোৱাইট মেডিকেল স্কুল'ত অস্ত্ৰোপচাৰৰ শিক্ষকৰূপে নিযুক্ত হয়। ১৯০৬ত ডিব্ৰুগড়ৰ হেমপ্ৰভা দত্তৰ লগত বিবাহ সম্পন্ন হয়। ১৯০৮ত প্ৰথম কন্যা তিলোত্তমা আৰু ১৯১১ত দ্বিতীয় কন্যা অমল প্ৰভাৰ জন্ম হয়। উল্লেখনীয় যে ১৮৯৭ত হেমপ্ৰভাৰ মাতৃ দেৱী প্ৰভা দত্তই তেওঁৰ দুজনী জীয়াৰী দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক কলিকতালৈ নি দুয়োকে 'বেথুন কলেজ'ত নাম লগাই দি লগতে আছিল। যি কাম অসমত প্ৰথম তেৰেঁই কৰি দেখুৱাইছিল। হেমপ্ৰভাৰ স্বামীয়ে এফ এ পঢ়ি থাকোতে দেউতাক মাধৱ চন্দ্ৰ দত্তৰ মৃত্যু হোৱাত অসমলৈ গুচি আহিবলগীয়া হয়। ডিব্ৰুগড়লৈ আহি হেমপ্ৰভাৰ ডাঃ হৰিকৃষ্ণ দাসৰ লগত বিবাহ সম্পন্ন হয়। ১৯১৩ত হেমপ্ৰভা দাসে 'ডিব্ৰুগড়' মডেল স্কুল'ৰ প্ৰধান শিক্ষয়িত্ৰী পদ গ্ৰহণ কৰাৰ পাছত স্বামীৰ স'তে মিলি স্কুলখন হাইস্কুললৈ উন্নীত কৰে। তিলোত্তমা আৰু অমল প্ৰভাই এই স্কুলতে পঢ়ি সুখ্যাতিৰে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। হেমপ্ৰভা আছিল এগৰাকী সুলেখিকা। তেওঁ শ্বেক্সপীয়েৰৰ ১৩টা গল্প অসমীয়ালৈ অনুবাদ কৰি দুটা খণ্ডত কিতাপ আকাৰে প্ৰকাশ কৰিছিল। এখন পৰিপূৰ্ণ ঘৰ গৃহস্থালী নিয়াৰিকৈ চলায়ো তেওঁ 'অসম বান্ধৱ' নামৰ



*মাজত ডাঃ হৰিকৃষ্ণ দাস (পিতৃ) বাওঁফালে বৰজীয়ৰী ডাঃ তিলোত্তমা ৰায়চৌধুৰী, সোঁফালে সৰু জীয়ৰী অমল প্ৰভা দাস*

আলোচনী এখনত ভালেমান প্ৰৱন্ধ লিখিছিল।

১৯২১ত গান্ধীজী প্ৰথমবাৰ ডিব্ৰুগড়লৈ অহাৰ পাছৰে পৰা গোটেই পৰিয়ালটোৱেই গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ বিলাসিতা বৰ্জন কৰিছিল আৰু সূতা কাটি খদ্দৰ কাপোৰ ঘৰতে বৈ উলিয়াইছিল। ঘৰতে এৰী, পাট পলু পুহি তাৰে সূতা কাটি কাপোৰ ব'বলৈ লয়। তিলোত্তমা আৰু অমল প্ৰভাক মাতৃগৰাকীয়ে তাঁত বোৱা কামত পাৰ্গত কৰি তুলিছিল। মেধাবী তিলোত্তমাই প্ৰৱেশিকা পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ত চতুৰ্থ স্থান দখল কৰি সোণৰ পদক পাইছিল। তেওঁ ইয়াৰ পাছত মেডিকেল পঢ়িবলৈ কলিকতালৈ যায় আৰু ১৯৩৩ত 'কলিকতা মেডিকেল কলেজ'ৰ পৰা স্ত্ৰীৰোগ বিশেষজ্ঞৰূপে এমবি পাছ কৰি গুৱাহাটীলৈ আহে। ইতিপূৰ্বে পিতৃ হৰিকৃষ্ণ দাসে স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়াৰ উদ্দেশ্যে নিজৰ চৰকাৰী চিভিল চাৰ্জন পদ ইস্তফা দি গুৱাহাটীত নিজৰ ঘৰতে এখন সৰু হাস্পতাল সাজি তাতে অস্ত্ৰোপচাৰ আৰু অন্য চিকিৎসাৰ কাম আৰম্ভ কৰিছিল। তিলোত্তমাই চৰকাৰী চাকৰিলৈ মন নেমেলি দেউতাকৰ হাস্পতালখনত চিকিৎসা আৰম্ভ কৰে। দেউতাকে তেওঁৰ বাবে নিজৰ হাস্পতালখনৰ লগতে মহিলা বেমাৰীসকলৰ কাৰণে নতুনকৈ ঘৰ সাজি দিয়ে। তিলোত্তমাই কলিকতা মেডিকেল কলেজত পঢ়ি থকাৰ সময়ত ডাঃ প্ৰভাত কুমাৰ ৰায়চৌধুৰীৰে স'তে পৰিচয় হৈ বিবাহ পাশত আবদ্ধ হৈছিল। কিছুদিন পাছত এই চিকিৎসক দম্পতীয়ে অসমলৈ আহি পিতৃ হৰিকৃষ্ণ দাসৰ চিকিৎসালয়ত যোগদান কৰি দেউতাকৰ স'তে মানৱ সেৱাত জড়িত হৈ পৰে। ১৯৩৮ত তেওঁলোকৰ এটা কন্যা সন্তান জন্ম হয়। সন্তানটোৰ নাম ৰখা হয় 'নন্দিতা'। ১৯৪৫ৰ জানুৱাৰীত তিলোত্তমা আৰু অমল প্ৰভাৰ মাতৃ হেমপ্ৰভা দাসে ইহলীলা সম্বৰণ কৰে। পত্নীৰ বিয়োগত হৰিকৃষ্ণ দাসে দেশ সেৱাত নিমগ্ন হৈ সান্ত্বনা লভিছিল। ১৯৪৬ৰ জানুৱাৰীত মহাত্মা গান্ধী শেষবাৰৰ বাবে অসমলৈ আহোতে শৰণীয়া পাহাৰত 'কস্তুৰবা গ্ৰাম সেৱিকা বিদ্যালয়' এখন উদ্বোধন কৰে। সেই সময়ত ডাঃ দাসৰ ঘৰখন সদায় গণ্যমান্য ব্যক্তিৰে ভৰপূৰ হৈ আছিল। স্বাধীনতা আন্দোলনৰ সেনানী নেতাজী সুভাষ চন্দ্ৰ বসু, কাকাচাহেব কালেল্‌কাৰ, ঠক্কৰ বাপা, আচাৰ্য বিনোৱাভাৱে, নানাজী দেশমুখ প্ৰমুখ্যে স্বাধীনতাৰ সেনানীৰে মুখৰিত হৈ আছিল। তিলোত্তমা আৰু অমলপ্ৰভাই এওঁলোকৰ সান্নিধ্যৰ ধন্য হৈছিল। দেশ স্বাধীন হোৱাৰ পাছত তিলোত্তমা ৰায় চৌধুৰীয়ে উচ্চ শিক্ষাৰ বাবে সপৰিয়ালে লণ্ডনলৈ যাত্ৰা কৰে। স্বামী, স্ত্ৰী দুয়ো ক্ৰমে চকু বিশেষজ্ঞ আৰু স্ত্ৰীৰোগ বিশেষজ্ঞৰ শিক্ষা লৈ অসমলৈ উভতি আহি দেউতাকৰ চিকিৎসালয়খনৰ লগত জড়িত হৈ পৰে। ৰায়চৌধুৰীৰ মধুৰ দাম্পত্য জীৱনৰ দিনবোৰৰ মাজতে পিতৃ হৰিকৃষ্ণ দাসে ইহলীলা সম্বৰণ কৰে। তেওঁৰ অৱৰ্তমানত পিতৃৰ সকলো দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল চিকিৎসক দম্পতীয়ে। তিলোত্তমা ৰায়চৌধুৰীৰ বোৱাৰী জীৱনো বৰ সুখৰ আছিল। প্ৰতিবছৰে দুৰ্গা পূজাৰ সময়ত ৰায়চৌধুৰী দম্পতীয়ে দীঘলীয়াকৈ গুৱাহাটীৰ পৰা কলিকতাৰ স্বামী গৃহৰ ঘৰখনত আত্মীয়-স্বজনৰ লগত মুক্ত মনেৰে কটাইছিল তিলোত্তমাই বোৱাৰী জীৱন। বোৱাৰী হিচাপে স্বামীৰ ঘৰত সকলোৰে মৰম-আদৰ লাভ কৰিবলৈ তেওঁ সক্ষম হৈছিল। কলিকতাত কটোৱা দিনকেইটাত বাইদেৱে সাজে-পাৰে, কথাই-বতৰাই তাৰেই এগৰাকী আদৰ্শনীয় বাংলা বোৱাৰী হৈ পৰিছিল। ১৯৫০ত ডাঃ প্ৰভাত কুমাৰ চৌধুৰী দম্পতীয়ে ইংলণ্ডলৈ গৈ স্বামীয়ে চকু চিকিৎসাৰ এবছৰীয়া ডিপ্ল'মা লয়। তিলোত্তমা বাইদেৱে স্ত্ৰীৰোগৰ বিষয়ে তিনিমহীয়া প্ৰশিক্ষণ লৈছিল।

তিলোত্তমা বাইদেৱে পাছপৰা অসমৰ চিকিৎসা কাৰ্য সম্পন্ন কৰোতে বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। সেইবোৰ কাহিনী তেওঁ পাছত নিজেই ব্যক্ত কৰি কৈছিল যে সেই সময়ত যিহেতু মহিলা ডাক্তৰ নাছিল, সেইবাবে প্ৰথমতে গৰ্ভৱতী মহিলাবিলাকে বাইদেউক ডাক্তৰ বুলি বিশ্বাস নকৰিছিল। সেই কালত চহৰৰ ধাইবোৰে প্ৰসূতিৰ কাম চলাই আছিল, সেইবাবে ডাক্তৰ ৰায় চৌধুৰীক তেওঁলোকৰ ভাত মাৰিব বুলি শত্ৰুহেন জ্ঞান কৰিছিল। কিন্তু বাইদেৱে যেতিয়া তেওঁলোকক মৰমৰে পৰিষ্কাৰ- পৰিচ্ছন্নভাৱে কেনেকৈ কাম কৰিব লাগে শিকাইছিল, তেতিয়া তেওঁলোকে বাইদেউক বন্ধু হেন জ্ঞান কৰিবলৈ ধৰিলে। তেতিয়াৰ দিনত আমাৰ পাছৰপৰা সমাজখনে তিৰোতাৰ গৰ্ভধাৰণ অশুচি বুলি জ্ঞান কৰি ঘৰৰ আটাইতকৈ লেতেৰা ঠাইত থাকিবলৈ দিছিল। তেওঁ এবাৰ গৰু-গোহালিতো প্ৰসৱ কৰোৱাব লগা হৈছিল। চুৰা যোৱাৰ ভয়ত এমাহলৈ কেঁচুৱাক চোলা নিপিন্ধিছিল। ডাক্তৰক ফিজ দিয়াৰো মানুহৰ সামৰ্থ্য নাছিল। তেওঁ সেয়ে লগত সদায় তুলা, দৰৱ পাতি, কেঁচুৱা ধুউৱা চৰিয়া, আনকি পৰিষ্কাৰ ফটা কাপোৰ লৈ যাবলগীয়া হৈছিল। কিছুমান গাঁৱত প্ৰসৱ কৰোৱালৈ ধাই নোহোৱাত গৰ্ভৱতী তিৰোতাই নিজেই কেঁচুৱাৰ সকলোখিনি কাম কৰিবলগীয়া হৈছিল।

তিলোত্তমা বাইদেৱে বহুতো ইচ্ছুক সেৱিকাক নিজৰ ঘৰতে ৰাখি চিভিল হাস্পতালত নাৰ্ছৰ প্ৰশিক্ষণ দিয়াইছিল। সেইদৰে ডাঃ হৰিকৃষ্ণ দাসে বহুতো অনাথ ল'ৰা-ছোৱালী তুলি-তালি উপযুক্ত কৰি জীৱন পথত মানুহ হিচাপে গঢ় দি সমাজত প্ৰতিষ্ঠিত কৰিছিল।

ডাঃ তিলোত্তমা বাইদেৱে জীৱনৰ অন্তিম কাললৈকে সেই অনাথ শিশুসকলৰ উন্নতিৰ বাবে পাৰ্যমানে তদাৰক কৰিছিল। উল্লেখ্য যে ডাঃ হৰিকৃষ্ণ দাসৰ গোটেই পৰিয়ালটোৱেই তেওঁলোকৰ স্থাবৰ বা অস্থাবৰ সকলো সম্পত্তি দেশৰ অভাৱী দুখীয়াসকলৰ হিতাৰ্থে 'অসম সৰ্বোদয় ট্ৰাষ্ট' নামে এটা ন্যাস গঠন কৰি গঠনমূলক কামৰ বাবে দান কৰি নিজে সাধাৰণভাৱে জীৱন-যাপন কৰিছিল। ৰায়চৌধুৰী দম্পতী দুয়ো নিজ নিজ কৰ্মক্ষেত্ৰত সুচিকিৎসক বুলি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। তিলোত্তমা বাইদেউ আৰু অমল প্ৰভা বাইদেৱে সদায় মেখেলা-চাদৰ পিন্ধি মূৰত ওৰণি লৈছিল। প্ৰায়ে সন্ধিয়া পৰত দুয়ো বাই-ভনীয়ে ৰবীন্দ্ৰ সংগীত শুনিছিল। ডাঃ তিলোত্তমা বাইদেউৰ একমাত্ৰ জীয়াৰী নন্দিতা বেনাৰ্জী তেওঁৰ স্বামীৰ স'তে আমেৰিকাৰ বাসিন্দা। উল্লেখ্য যে ডাঃ তিলোত্তমা বাইদেউ সেই সময়ৰ একমাত্ৰ মহিলা স্ত্ৰীৰোগ চিকিৎসক হোৱা বাবে সমগ্ৰ অসমত তেওঁ জনাজাত আছিল। তেওঁৰ স্বামীৰ মৃত্যুৰ পাছত অমল প্ৰভা দাসৰ স'তে আজীৱন দিন কটাইছিল। পাণবজাৰৰ ঘৰখনতেই দুয়োগৰাকী একেলগে বাস কৰাৰ পাছত ১৯৯৪ৰ জুলাইত তিলোত্তমা বাইদেৱে ইহলীলা সম্বৰণ কৰে।

সেই একেটা বছৰৰ ডিচেম্বৰত অমল প্ৰভা বাইদেৱেও চিৰবিদায় লয়। সেই কালত গুৱাহাটীত নাৰ্ছিংহোম নাছিল। একমাত্ৰ চিভিল হাস্পতালখনৰ বাহিৰে গুৱাহাটী তথা অসমৰ একমাত্ৰ প্ৰাইভেট হাস্পতাল হ'ল ডাঃ হৰিকৃষ্ণ দাসে ১৯২৭ত স্থাপন কৰা তেওঁলোকৰ হাস্পতালখন, যিখন আজি পুনৰ নিৰ্মাণ কৰি 'হৰিকৃষ্ণ-হেমপ্ৰভা-দেৱীপ্ৰভা মেম'ৰিয়েল পলিক্লিনিক নামেৰে নামকৰণ কৰা হৈছে। ২০০৯ৰ ২১ অক্টোবৰত মুক্তিযুজাৰু শিৱপ্ৰসাদ বৰুৱাৰ দ্বাৰা আধাৰশিলা স্থাপন কৰি নিৰ্মাণৰ কাম অৰম্ভ কৰা হৈছিল। 'ট্ৰাষ্ট'খনৰ সাঁচতীয়া ধন, প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অনুদান, ৰাইজৰ দান আদিৰে তিনি মহলীয়াকৈ আৰু আৰ চি চি বিল্ডিং নিৰ্মাণ কৰা হয়। ২০২০ত অসমৰ ৰাজ্যপাল জগদীশ মুখীয়ে পাঁচমহলীয়া এই হাস্পতালখনৰ শুভ উদ্বোধন কৰে।

এইগৰাকী মহীয়সী নাৰী তিলোত্তমা বাইদেউৰ প্ৰতি পুনৰ শ্ৰদ্ধা জনাই লেখাটোৰ সামৰণি মাৰিলো।

*ফোন ঃ ৯৯৫৪০৩৮৭০৪*

---

# নাৰীৰ নিঃসংগতা

## ৰীতা লেভি, ডায়ানফচি, হানচেন আদিৰ কথাৰে

অনিতা গোস্বামী



**নাৰীয়েই** যেতিয়াই মূৰৰ ওৰণি গুচাই ঘৰৰ চাৰিবেৰৰ পৰা বাহিৰ ওলাই আহি, বহিৰ্বিশ্বত নিজকে প্ৰতিষ্ঠিত কৰিব বিচাৰে, তেতিয়াই সৃষ্টি হয় প্ৰতিবন্ধকতাৰ। কিয়নো, শেষ পৰ্যন্ত সংসাৰৰ মূল দায়িত্ব থাকে নাৰীসকলৰ ওপৰতে। সেয়েহে যিসকল নাৰীয়ে নিজকে প্ৰতিষ্ঠিত কৰিব বিচাৰে অথবা একনিষ্ঠভাৱে কোনো কাম কৰিব বিচাৰে, তেওঁলোকৰ ক্ষেত্ৰত বিবাহ অথবা মাতৃত্বই প্ৰতিবন্ধক হৈ থিয় হয়; কিন্তু পুৰুষৰ কথা সুকীয়া । বাহ্যিক জগতত তেওঁলোকৰ এখন সুকীয়া আসন আছে। তদুপৰি সংসাৰ তথা সন্তানৰ দায়িত্বও পত্নীৰ ওপৰতে প্ৰায়খিনি এৰি দি তেওঁৰ সুকীয়া আসনত বহি নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে।

সেয়েহে বহুতো নাৰীয়ে ক'ব বিচাৰে সংসাৰৰ বন্ধনৰ মাজত সোমাই পুৰুষৰ দৰে তেওঁলোকে সম্পূৰ্ণভাৱে সাফল্য লাভ কৰিব নোৱাৰে। সম্পূৰ্ণ একাকী জীৱনেহে নাৰীক কোনো কামত একনিষ্ঠভাৱে মনোনিবেশ কৰাত সহায় কৰে। সংসাৰ তথা সন্তানৰ দায়িত্বৰ পৰা মুক্ত নাৰীয়েহে জীৱনৰ চৰম কৃতকাৰ্যতাৰ শিখৰত আৰোহণ কৰিবলৈ সক্ষম হয়।

এই সংক্ৰান্তত ইটালীৰ ইহুদী পৰিয়ালৰ কন্যা ৰীতা লেভি মণ্টেলচিনিৰ কথা আমি ক'ব পাৰো। সেয়া আছিল মুচোলিনীৰ যুগ। হিটলাৰৰ প্ৰভাৱত ইহুদী বিদ্বেষ বিশেষভাৱে গঢ়ি উঠিছে। স্বৈৰাচাৰী শাসকৰ বিৰোধিতাৰ মাজত শংকাত জীৱন কটাইছিল ইহুদীসকলে। এইবোৰ পৰিৱেশৰ মাজতে ডাঙৰ-দীঘল হৈছিল ৰীতা। ছাত্ৰাৱস্থাৰ পৰাই বিজ্ঞানৰ প্ৰতি তেওঁৰ প্ৰবল ধাউতি আছিল। স্কুলৰ শিক্ষা সমাপ্ত কৰি পৰিয়ালৰ মানুহৰ আপত্তিক অস্বীকাৰ কৰি নামভৰ্তি কৰিলে মেডিকেল কলেজত। কেৱল ডাক্তৰ হোৱাই নহয়, তেওঁৰ সপোন আছিল আৰু সুগভীৰ। চিকিৎসা বিজ্ঞানক লৈ গৱেষণা কৰি মানুহৰ জ্ঞানৰ ভাণ্ডাৰক আৰু বেছি সমৃদ্ধ কৰি তুলিব তেওঁ। আজিৰ দিনত সেই কথা স্বাভাৱিক যেন লাগিলেও, সেই সময়ত কোনো ইহুদী কন্যাই এনে কথা চিন্তা কৰাতো মুঠেই সহজ কথা নাছিল। তদুপৰি ৰীতা আছিল কেৱল এজনী ছোৱালী। সহযোগী আৰু কোনো বান্ধৱীতো নাছিলেই বৰঞ্চ বিৰোধিতা আছিল পদে পদে। তথাপি কিন্তু বহু কষ্ট কৰি একনিষ্ঠভাৱে ৰীতাই ডাক্তৰী পঢ়ি গ'ল। ডাক্তৰী পাছ কৰাৰ পাছতো তেওঁ কোনো গৱেষণাগাৰ নাপালে। যন্ত্ৰপাতিও একো নাই। কি লৈ আৰম্ভ কৰিব গৱেষণা? কিন্তু এই ছাত্ৰীগৰাকীৰ একাগ্ৰতা দেখি এজন অধ্যাপক আগবাঢ়ি আহিল। তেওঁ নিজেও ইহুদী আছিল। ৰীতাৰ এটা নিচেই সাধাৰণ অণুবীক্ষণ যন্ত্ৰ আছিল। সকলো অসুবিধা নেওচি নিজৰ ঘৰতে ৰীতাই ভ্ৰূণৰ তত্ত্বৰ ওপৰত গৱেষণা আৰম্ভ কৰি দিলে। গৱেষণা কৰি পোৱা তথ্যৰ ভিত্তিত নিবন্ধ তৈয়াৰ কৰি ইটালীৰ ছাইল জাৰ্ণাললৈ পঠিয়াই দিলে। কিন্তু কেৱল ইহুদী বুলিয়েই তেওঁৰ এই লিখা প্ৰকাশ হৈ নোলাল। হতাশ নহৈ ৰীতাই এই নিৱন্ধ পুনৰ বেলজিয়ামলৈ পঠিয়াই দিলে। বেলজিয়ামৰ ছাইন্স জাৰ্ণালত এই লিখা প্ৰকাশ হৈ ওলাল। লগে লগেই চকুত পৰিল আমেৰিকাৰ বিখ্যাত ভ্ৰূণ বিজ্ঞানী হাম বুৰ্গাৰৰ। তেওঁৰ পৰা ৰীতাই যথেষ্ট প্ৰশংসা আৰু উদ্‌গনি পালে। কিন্তু দুৰ্ভাগ্যই যে ৰীতাৰ পিছ এৰা নাই। ফেচিষ্ট চৰকাৰৰ কোপদৃষ্টিত পৰিল ৰীতা আৰু তেওঁৰ পৰিয়াল। ফলস্বৰূপে আত্মৰক্ষাৰ কাৰণে আত্মগোপন কৰিবলৈ তেওঁলোক বাধ্য হ'ল। গৱেষণাই ৰীতাৰ সাধনা আছিল যদিও, আত্মগোপন কৰি সেই কাম চলাই নিয়া কোনো মতেই সম্ভৱ নহ'ল। যুদ্ধ শেষ হোৱালৈ তেওঁ তেনেকৈয়ে থাকিল। যুদ্ধ শেষ হোৱাৰ পাছতহে তেওঁ আমেৰিকালৈ যায়। নিৱন্ধ প্ৰকাশৰ পাছতেই ৰীতাক এই আমন্ত্ৰণ কৰা হৈছিল। তাৰ পাছৰে পৰা, অবিৰতভাৱে ৰীতাই গৱেষণাত মনোনিবেশ কৰি আহিছে। ১৯৮৬ত সহযোগী কোহেনৰ স'তে সূক্ষ্মভাৱে তেওঁ ন'বেল বঁটা লাভ কৰে। হিটলাৰ মুচোলিনীৰ আমোলত এগৰাকী ইহুদী যুৱতীয়ে এনেদৰে নিৰ্ভীক হৈ থাকিব পৰাতো সঁচাকৈয়ে আশ্চৰ্যৰ বিষয়।

ৰীতাই ন'বেল বঁটা বিজয়ী হ'বলৈ সক্ষম হ'ল সঁচা, কিন্তু জীৱনত স্বামী, পুত্ৰ, কন্যা, সংসাৰ এইবোৰ একোৰেই নাপালে। সেয়া এক বেলেগ অধ্যায়। ৰীতাৰ ধাৰণা আছিল এইবোৰৰ মাজত থাকি নিজৰ সাধনাত জয়ী হোৱা নাযায়। সেয়েহে তেওঁ সম্পূৰ্ণ একাকী জীৱনকে আদৰি ল'লে। একাকী জীৱন আদৰি ল'লেও স্বদেশ এৰি কিন্তু তেওঁ থাকিব পৰা নাই। ইটালীলৈ তেওঁ পুনৰ উভতি আহিছে। ৰোমত বিশাল গৱেষণাগাৰ খুলি তাতেই নিত্য-নতুন আৱিষ্কাৰত ব্যস্ত হৈ থাকিল এইগৰাকী নিঃসংগ বৃদ্ধা।

আন এগৰাকী নিঃসংগ নাৰী হ'ল— ডায়ান ফচি। ডায়ানৰ প্ৰেম হ'ল অৰণ্য। অৱলুপ্তিৰ কৱলৰ পৰা প্ৰাণী সম্পদক জীয়াই ৰখাই তেওঁৰ একনিষ্ঠ আকাংক্ষা। সেই আকৰ্ষণে তেওঁক টানি লৈ যায় আফ্ৰিকাৰ গভীৰ অৰণ্যলৈ। সেই সময়ত গৰিলা অৱলুপ্তিৰ আশংকাই দেখা দিছিল। ভয়ংকৰ চেহেৰা আৰু গৰ্জনৰ কাৰণে চিকাৰীসকলৰ হাতত অকাৰণতে নিহত হয় এই গৰিলা গোষ্ঠী। তদুপৰি গৰিলা পৰিবাৰৰ সকলোকে নিহত কৰি চিৰিয়াখানাৰ কাৰণে শিশু গৰিলা সংগ্ৰহৰ নিষ্ঠুৰ ৰীতিও আছিল।

এই সকলোবোৰৰ বিৰুদ্ধে গৈ গৰিলা সংৰক্ষণৰ কামত ডায়ান জঁপিয়াই পৰিল। সমুখত তেওঁৰ একাধিক প্ৰতিপক্ষ। অচিন দেশ, অচিন পৰিৱেশ; কিন্তু একোৱেই তেওঁক বিব্ৰত কৰিব নোৱাৰিলে। গভীৰ অৰণ্যত ঘূৰি ঘূৰি গৰিলা সম্পৰ্কে বহুতো তথ্য সংগ্ৰহ কৰিলে। সেই তথ্যৰ ভিত্তিতে অৰণ্যৰ মাজত গৰিলা গৱেষণা কেন্দ্ৰ গঢ়ি তুলিলে। ভয়ংকৰ স্বভাৱৰ বুলি পৰিচিত এই গৰিলা শ্ৰেণীৰ কেইটামানৰ স'তে তেওঁৰ বন্ধুত্ব গঢ়ি উঠিছিল। জয়ানৰ প্ৰিয় গৰিলা বন্ধুটোৰ নাম আছিল 'ডিজিট'। সামান্য কেইটামান সহায়ক প্ৰাণী আৰু ছাত্ৰ-ছাত্ৰীক লৈ ডায়ানে কাম-কাজ চলাইছিল। ভাৰতৰ দৰে দেশত বন্যপ্ৰাণী সংৰক্ষণ দূৰত থাকক, অৰণ্য সম্পদ ৰক্ষাৰ চেনতাও আজিলৈকে প্ৰাথমিক স্তৰতে সীমাৱদ্ধ। অথচ জয়ানে গৰিলা লৈ গৱেষণা আৰু গৰিলা সংৰক্ষণৰ তাগিদাত সংসাৰ, স্বজন ত্যাগ কৰি অৰণ্যৰ জীৱন আদৰি লোৱাৰ উপৰি অজীৱন অবিবাহিতা হৈ থকাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে। ডায়ানে এদিন আনন্দত উল্লসিত হৈ উঠিছিল। তেওঁৰ এই আনন্দ উৎসাহৰ উৎস কোনো প্ৰেমিকৰ আকুল স্পৰ্শত নহয়, অথবা কোনো







সন্তান জন্ম দিয়াৰ কৃতিত্বৰ আনন্দও নহয়। ডায়ানে অতি বেছি আনন্দিত হৈছিল সিদিনা, যিদিনা এহেজাৰতকৈয়ো অধিক গৰিলা চোৰাংভাৱে ধৰাৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ সক্ষম হৈছিল; কিন্তু সেই বিজয় মুহূৰ্তত ডায়ানে নিশ্চয় বুজা নাছিল যে গৰিলা ৰক্ষা কৰিবলৈ গৈ তেওঁ নিজেই চোৰাং চিকাৰীৰ অস্ত্ৰৰ লক্ষ্য হৈ উঠিছে। এদিন তেওঁৰ প্ৰিয় বন্ধু ডিজিট চোৰাং চিকাৰীৰ হাতত নিহত হ'ল। শোক, দুখ আৰু খণ্ডত ভাঙি পৰিল ডায়ান। গৰিলা হত্যা বন্ধৰ কাৰণে গোটেই বিশ্বৰ ওচৰতে তেওঁ আবেদন জনাইছিল। ডিজিটৰ মৃত্যুৰ পাছত এই অনুৰোধ আৰু তীব্ৰ হ'ল। আনহাতে, ডায়ানৰ বিৰুদ্ধে চোৰাং চিকাৰীৰ ষড়যন্ত্ৰ তেতিয়া সম্পূৰ্ণ প্ৰায় ।হেজাৰ হেজাৰ পশু হত্যা যাৰ কাৰণে এক ধেমালি, নিঃসংগ এজনী অৰণ্যবাসিনী যুৱতী হত্যা সিহঁতৰ কাৰণে জানো কিবা সমস্যা? ১৯৭৫ৰ বৰদিনৰ নিশা নিৰ্জন অৰণ্য কুটীৰত ডায়ানক খুঁচি খুঁচি এক আততায়ী দলে হত্যা কৰিলে।

ডায়ান ফচিৰ দৰে নাৰী হ'ল লিজা হানসেন আৰু ডোনা হানসেন। প্ৰকৃতি সংৰক্ষণ আৰু গৱেষণাত নিষ্ঠা বা মনোনিৱেশত যাতে অভাৱ নঘটে, তাৰ কাৰণে জীৱনৰ এটি প্ৰধান পৰ্ব তেওঁলোকে বাদ দি ৰাখিছে। কোনোৱে হয়তো বিয়াই কৰোৱা নাই, কোনোৱে হয়তো সন্তান জন্ম নিদিবলৈ বদ্ধপৰিকৰ আৰু এই বিকল্প জীৱন বাছি লোৱাৰ এটাইতো কাৰণ। সংসাৰৰ দায়িত্ব বেছি থাকে নাৰীৰ ওপৰত। সন্তান ধাৰণ কেৱল ব্যক্তিগত আকাংক্ষা বা নাৰীত্বৰ সাৰ্থকতাই নহয়— নাৰীসকলৰ সামাজিক কৰ্তব্যও। গতিকে এপিনে সংসাৰ, মাতৃত্ব আনপিনে কোনো কামৰ প্ৰতি একনিষ্ঠ প্ৰচেষ্টাৰ গভীৰ টান— এই দুয়োটাৰ মাজত আপোচৰ দায়িত্ব থাকে নাৰীৰ ওপৰতে অধিক। পুৰুষ এই দ্বন্দ্বৰ পৰা কিছু মুক্ত। সেই একেই প্ৰশ্নকে তুলিছে ন'বেল বঁটা বিজয়ী নুচলাইন কলগৰ্ডে। সংসাৰ আৰু গৱেষণা— এই দুটাৰ এটাই আনটোৰ ওপৰত বাধা হৈ থিয় দিব পাৰে— সেই আশংকাকে কৰি নুচলাইনে সংসাৰ জীৱনত প্ৰৱেশ কৰা নাই।

বনচাৰী প্ৰাণীৰ ছবি তুলিবলৈ নামিবিয়াৰ অৰণ্যলৈ গৈছিল তৰুণী লিজা। তাতেই লগ পায় ওয়েন হানসেনক। ওয়েনক বৰ বেছি ভাল লাগি যায় লিজাৰ। দুয়ো বিবাহপাশত আবদ্ধ হয়; কিন্তু ওয়েনক বিয়া কৰোৱাৰ আগতেই লিজাই জানিছিল যে তেওঁলোকৰ কেতিয়াও সন্তান নহ'ব। ওয়েনৰ ভনী ডোনাও লিজাৰ লগতে আছে। তেৰোঁ বন্যপ্ৰাণী সংৰক্ষণৰ কামত জঁপিয়াই পৰিছে। ডোনাই বিয়া কৰাইছে ঠিকেই, কিন্তু মাতৃত্বৰ আশা বাদ দি।

আমাৰ ভাৰতবৰ্ষৰ কোকিলকণ্ঠী স্বৰ্গীয়া লতা মংগেশকাৰো আজীৱন অবিবাহিতা হৈয়েই আছিল। নিজৰ কণ্ঠেৰে সমগ্ৰ পৃথিৱীৰে মন জয় কৰা ভাৰতৰত্ন বিজয়ী এইজনা মহান শিল্পীয়ে নিজেই কৈছে— 'সংগীতৰ স'তে মোৰ বিয়া হৈ গৈছে।' আমাৰ অসমীয়া সাহিত্যৰ প্ৰথম আৰু প্ৰধান মহিলা কবি স্বৰ্গীয়া নলিনীবালা দেৱীও বাল্যকালতে বিধৱা হৈছিল। আজীৱন তেওঁ একাকী জীৱন যাপন কৰি সাহিত্য সাধনাকে জীৱনৰ ব্ৰত কৰি লৈছিল।

তেনেহ'লে এই কথা আমি স্পষ্টকৈ ক'ব পাৰো নেকি যে সম্পূৰ্ণ একাকী জীৱনেহে নাৰীৰ জীৱনলৈ অধিক সাফল্য কঢ়িয়াই আনে।

*ফোন ঃ ৯৮৬৪২৯৫০২৪*

---

# কৰ্মঠ মানুহক নিষ্কৰ্মা কৰি উন্নত ৰাজ্য গঢ়িব পাৰি জানো?

## চৰকাৰৰ বিনামূলীয়া আঁচনিয়ে উপকাৰতকৈ অধিক অপকাৰহে কৰাৰ সম্ভাৱনা

হেমেন কুমাৰ দাস



প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীয়ে কৈছিল— 'জনতাক কোনো বস্তু বিনামূলীয়াকৈ নিদিব।' কেৱল শিক্ষা, চিকিৎসা আৰু ন্যায় বিনামূলীয়াকৈ পোৱা উচিত। বিনামূলীয়াই মানুহক অকৰ্মণ্য কৰে আৰু দেশক দুৰ্বল বনাই।' সঁচাকৈয়ে দেশক ভালপোৱা প্ৰতিজন নাগৰিকেই ভাৰতৰত্ন বাজপেয়ীৰ এই কথাষাৰক সমৰ্থন কৰিব। কিয়নো এখন সমৃদ্ধিশালী দেশৰ বাবে দেশখনৰ প্ৰতিগৰাকী নাগৰিকৰেই কৰ্মস্পৃহা থকাটো বাঞ্ছনীয়। কৰ্মঠ নাগৰিকক লৈহে কোনো এখন চৰকাৰে এখন উন্নত ৰাজ্যৰ সপোন দেখিব পাৰে। কৰ্মসংস্কৃতি অবিহনে উন্নত ৰাজ্য তথা দেশৰ স্বপ্ন নিৰৰ্থক। এইবোৰ কথা প্ৰতিটো ৰাজনৈতিক দলৰেই জ্ঞাত। তেওঁৰ কথাষাৰ হৃদয়ংগম কৰিলে ৰাজ্য তথা দেশৰ হিত সাধন হয়; কিন্তু অতি পৰিতাপৰ কথা যে, তৎসত্বেও প্ৰতিটো ৰাজনৈতিক দলেই কেৱল ৰাজনৈতিক ক্ষমতা কুক্ষিগত কৰিবলৈকে বাৰে বাৰে উপেক্ষা কৰি আহিছে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সেই কথাষাৰ ।আন ৰাজনৈতিক দলৰ কথাটো বাদেই স্বয়ং বাজপেয়ীৰ দৰে মহান নেতাৰ অহোপুৰুষাৰ্থৰ ফলত দেশত ঠন ধৰি উঠা ভাৰতীয় জনতা পাৰ্টী (বিজেপি) দলেও উপেক্ষা কৰি আহিছে তেওঁৰ কথাষাৰক। বিগত কেইটামান দশকৰ পৰা সমগ্ৰ দেশৰ লগতে আমাৰ ৰাজ্য অসমতো ৰাজনৈতিক দলসমূহে ৰাজনৈতিক লাভালাভৰ বাবে ভোটাৰক হিতাধিকাৰী বনোৱাত অধিক গুৰুত্ব আৰোপ কৰিছে। তদানীন্তন কংগ্ৰেছ চৰকাৰেও ভোটবেংকৰ বাবেই একাংশ ভোটাৰক হিতাধিকাৰী বনাইছিল। সেয়া ৰাজনৈতিক দলটোৰ বাবে সাময়িক সকাহ আছিল; কিন্তু পৰৱৰ্তী কালত এই হিতাধিকাৰীয়ে কংগ্ৰেছক ক্ষমতালৈ ওভটাই আনিব নোৱাৰিলে। কংগ্ৰেছৰ ৰাজনৈতিক ফৰ্মূলাকে প্ৰয়োগ কৰি বৰ্তমান ৰাজ্যখনত বিজেপিয়েও ৰাইজক সকাহ দিয়া বুলি প্ৰচাৰ চলাই অজস্ৰ হিতাধিকাৰী সৃষ্টি কৰিছে। কেতবোৰ চৰকাৰী আঁচনিৰে একাংশ ভোটাৰক সামৰি লৈ হিতাধিকাৰী সৃষ্টি কৰিলেও ইয়াৰ জৰিয়তে দৰিদ্ৰতা নিৰ্মূল কৰাতো মুঠেই সম্ভৱ নহয়। বৰঞ্চ চৰকাৰীভাৱে একাংশ নাগৰিকক বিনামূলীয়াকৈ প্ৰদান কৰা সা-সুবিধাই কৰ্মঠ লোকসকলকো অকৰ্মণ্যহে কৰি তুলিছে। এনেবোৰ বিনামূলীয়াই কৰ্মঠ লোকসকলৰ কৰ্মস্পৃহাও



নাইকিয়া কৰি পেলাইছে। যদি চৰকাৰীভাৱেই বিনামূলীয়াকৈ চাউল, কোনো শ্ৰম নকৰাকৈ ধন লাভ কৰিব পাৰি কাম কৰাৰ যুক্তিয়েই বা থাকিব ক'ত; এনেকৈ শ্ৰমহীনভাৱে বিনামূলীয়াকৈ পোৱাৰে কোনোমতে পেটেভাতে খাই জীয়াই থাকিব পাৰি; কিন্তু ভৱিষ্যতৰ বাবে একো পৰিকল্পনা কৰিব নোৱাৰি। কেৱল নিষ্কৰ্মা বৰ্তমানটোক লৈ ভৱিষ্যতৰ সপোন কোনেও দেখিব নোৱাৰে। যদি ভৱিষ্যতেই ধূসৰ সেই জীৱনৰ মাদকতাই বা ক'ত?

ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰায়েই কয়, 'আমি অসমক দেশৰ পাঁচখন উন্নত ৰাজ্যৰ শাৰীত উপবিষ্ট কৰাব বিচাৰো।' নিঃসন্দেহে মুখ্যমন্ত্ৰীয়ে সেয়া ভাল লক্ষ্য নিৰ্ধাৰণ কৰিছে। ইয়াৰ বাবে তেওঁ কঠোৰ পৰিশ্ৰমো কৰিছে; কিন্তু এচাম অতি কৰ্মী লোকক বিনামূলীয়া চৰকাৰী সা-সুবিধা প্ৰদানেৰে কৰ্মবিমুখ কৰি তোলা হৈছে নেকি? যদিহে চৰকাৰী বিনামূলীয়া সা-সুবিধা লাভ কৰি এচাম লোক নিষ্কৰ্মা হৈ পৰিছে তেন্তে তেনে নিষ্কৰ্মা লোকসকলকলৈ তেওঁ নিৰ্ধাৰণ কৰা লক্ষ্যৰ দিশেৰে কিমানদূৰ আগবাঢ়িব পাৰিব? সেয়াহে বিচাৰ্যৰ বিষয়। অৱশ্যে হিতাধিকাৰী সৃষ্টি কৰি ৰাজনৈতিক ক্ষমতা কুক্ষিগত কৰাৰ কৌশল দেশৰ প্ৰতিখন ৰাজ্যৰ চৰকাৰেই প্ৰয়োগ কৰিছে। যিটো দেশৰ প্ৰগতিৰ অন্তৰায়। আচলতে হিতাধিকাৰী সৃষ্টি কৰি ৰাজনীতিত সাময়িকভাৱে সফল হ'ব পাৰি। মানে ই ৰাজনীতিত সফল হোৱাৰ চমুবাট; কিন্তু এই ব্যৱস্থাই কৰ্মসংস্কৃতিৰ বিনাশ ঘটোৱাৰ লগতে দেশৰ অৰ্থনীতিও কোঙা কৰি পেলাব।

বিনামূলীয়াকৈ জনগণক চৰকাৰী সা-সুবিধা প্ৰদান কৰাত আমাৰ কোনো আপত্তি নাই; কিন্তু এই বিনামূলীয়া সেৱা ভাৰতৰত্ন বাজপেয়ীয়ে কোৱাৰ দৰে হোৱা উচিত। ইংলণ্ডৰ নিচিনাকৈ আমাৰ দেশতো জনতাৰ বাবে শিক্ষা আৰু স্বাস্থ্য সম্পূৰ্ণ বিনামূলীয়াকৈ হোৱাটো অতিকে প্ৰয়োজন। চৰকাৰী নথিত এই সেৱাও বিনামূলীয়া যদিও বাস্তৱ ক্ষেত্ৰত ছবিখন সম্পূৰ্ণ বিপৰীত। আচলতে এখন জনপ্ৰিয় চৰকাৰৰ দায়িত্ব হৈছে কৰ্মসংস্কৃতি গঢ়ি তোলা। প্ৰতিগৰাকী সক্ষম কৰ্মঠ লোকৰ কৰ্মস্পৃহাক জাগ্ৰত কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্যৱহাৰ কৰা; কিন্তু চৰকাৰৰ বিনামূলীয়া ব্যৱস্থাই যেন এতিয়া এসময়ৰ কৰ্মী লোকসকলক এলেহুৱা কৰি তুলিছে। পত্নীয়ে বিনামূলীয়াকৈ সুলভ মূল্যৰ দোকানৰ পৰা মাহে গাইপতি পাঁচ কেজিকৈ চাউল পাব, প্ৰধানমন্ত্ৰী উজ্বলা আঁচনিৰ অধীনত বিনামূলীয়া ৰন্ধন গেছ পাব, কাম নকৰাকৈয়ে অৰুণোদয় আঁচনিৰ ধন পাব, বচ ঘৰখন চলি যাব। এই মানসিকতা লৈ এতিয়া একাংশ হিতাধিকাৰী পৰিয়ালৰ মাজত কৰ্মসংস্কৃতি নাইকিয়া হৈ পৰিছে। সমৃদ্ধিশালী ৰাজ্য তথা ৰাষ্ট্ৰ গঢ়িবলৈ হ'লে চৰকাৰে প্ৰতিটো ক্ষেত্ৰতে কৰ্মসংস্কৃতি গঢ়ি তোলাৰ নিষ্ঠাৱান প্ৰয়াস চলাব লাগিব। শ্ৰমৰ প্ৰতি কৰ্মবিমুখ হোৱা লোকসকলকো আগ্ৰহী কৰি তোলাৰ উপৰিও শ্ৰমৰ প্ৰকৃত মৰ্যদা দিব লাগিব। অপ্ৰিয় হ'লেও সত্য যে,আমাৰ ৰাজ্য তথা দেশত এতিয়াও কৃষক-শ্ৰমিক বুলিলে অৱজ্ঞাৰ চকুৰেহে চোৱা হয়। কোনো এখন চৰকাৰে দেশৰ অৰ্থব্যৱস্থা লাওলোৱা কৰি নিজৰ ভোট অক্ষত ৰাখিবলৈকে হিতাধিকাৰী সৃষ্টি কৰাৰ প্ৰয়োজন নাই। জনহিতকৰ কাম কৰিলে ভোটাৰে নিঃস্বাৰ্থভাৱেই ভোটদান কৰিব। আমি প্ৰকৃত দৰিদ্ৰ লোকৰ সঁচা অৰ্থত উন্নয়ন হোৱাটো বিচাৰো। এচাম দুখীয়া লোকক চৰকাৰী আঁচনিৰ হিতাধিকাৰী সজাই তেঁওলোকক সাময়িক সকাহ দি লাভ নাই। তেওঁলোকৰ দুখৰ চকুলো চিৰদিনৰ বাবে নাইকিয়া কৰিব পৰাৰ ব্যৱস্থা গ্ৰহণ কৰাতহে অধিক গুৰুত্ব আৰোপ কৰা উচিত। দুখীয়াৰ দুখ মোচনৰ নামত তেওঁ লোকৰ প্ৰয়োজনীয়খিনি বিনামূলীয়াকৈ পোৱাৰ ব্যৱস্থা কৰি কৰ্মবিমুখ কৰি তোলাৰ কোনো যুক্তি থাকিব নোৱাৰে। ইপিনে, চৰকাৰী আঁচনিৰ সুবিধা ভোগ কৰা হিতাধিকাৰীসকলৰ এশ শতাংশই যে দৰিদ্ৰ সীমাৰেখাৰ তলৰ তাতো সন্দেহ নথকা নহয়।

প্ৰথম পাঁচখন উন্নত ৰাজ্যলৈ অসমক উন্নীত কৰাৰ পৰিকল্পনা লোৱা চৰকাৰে হিতাধিকাৰী সৃষ্টি কৰি বিনামূলীয়াকৈ সা-সুবিধা দিয়াৰ সলনি প্ৰতিটো দৰিদ্ৰ পৰিয়ালক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলাৰ বিশেষ আঁচনি প্ৰস্তুত কৰিব লাগে ।যি জন ব্যক্তি যিটো কৰ্মক্ষেত্ৰত পাৰদৰ্শী সেই ক্ষেত্ৰতে তেওঁক কৰ্ম কৰাৰ সুবিধা প্ৰদান কৰিব লাগে। চৰকাৰে তেওঁলোকৰ কামত বিভিন্ন ধৰণে সহায় সহযোগিতা আগবঢ়াব লাগে। তেতিয়া তেওঁ লোকৰ কৰ্মৰ প্ৰতিও ধাউতি বাঢ়িব, লগতে আৰ্থিক ভাৱেও টনকিয়াল হৈ পৰিব। তেতিয়া আৰু তেনে দৰিদ্ৰ পৰিয়ালে চৰকাৰৰ বিনামূলীয়া সুবিধাৰ বাবে আশাপালি থাকিব নালাগে। চৰকাৰে ইচ্ছা কৰিলে দৰিদ্ৰ লোক সকলৰ কৰ্মস্পৃহাক উচিত কামত খটুৱাই তেওঁ লোকক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলাৰ লগতে উন্নত ৰাজ্যৰ সপোনৰ দিশে আৰু এঢোপ আগুৱাই যাব পাৰে। তাৰ বাবে পৰিহাৰ কৰিব লাগিব ভোট সুৰক্ষিত কৰি ৰখাৰ ৰাজনীতি।

*ফোন ঃ ৯৪৩৫০৬২১২৭*

# কোকৰাঝাৰত ‘বিজ্ঞান আৰু প্ৰযুক্তি বহনক্ষম বিকাশ’ শীৰ্ষক ৰাষ্ট্ৰীয় অধিবেশন আৰম্ভ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৯ ছেপ্টেম্বৰ ঃ** ‘বিজ্ঞান আৰু প্ৰযুক্তিৰ দিশত বহনক্ষম বিকাশ’ শীৰ্ষক এক ৰাষ্ট্ৰীয় ভিত্তিক অধিবেশন আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ নীলকমল ব্ৰহ্ম সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। উল্লেখ্য যে কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয় আৰু বিজ্ঞান ভাৰতী এন ই এছ এমৰ যুটীয়া উদ্যোগত আয়োজিত বিজ্ঞান আৰু প্ৰযুক্তিবিদৰ ৰাষ্ট্ৰীয় অধিবেশনৰ বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰে বিটিআৰৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেই। অনুষ্ঠানত আমন্ত্ৰিত অতিথিসকলৰ দ্বাৰা এখন স্মৰণিকা উন্মোচন কৰা হয়। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° লাইশ্ৰাম লাড্ডু সিং, নিৰ্দিষ্ট বক্তা হিচাপে আই আই টিৰ বেনাৰস দেবেন্দ্ৰ মোহন, এনটিপিচি, বঙাইগাঁৱৰ অতিৰিক্ত সাধাৰণ প্ৰবন্ধক পৰেশ মাথুৰ, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ জীৱ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক হিল্লোল জ্যোতি সিংহ, কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ ৰামানন্দ সিনহা আৰু উপাধ্যক্ষ ড° শৰ্মিষ্ঠা চক্ৰৱৰ্তী, গুৱাহাটীৰ আই এ এছ এছ টিৰ পঞ্জীয়ক ধ্ৰুৱ শৰ্মা, এছ টি এছ ডিৰসহ অধ্যক্ষ বিশ্বজিৎ নাথ, আহ্বায়ক সুদীপ দেকে ধৰি কে’বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে অধিবেশনত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ তথা উপযোগিতাৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰাৰ উদ্দেশ্যৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ অধিবেশনখন আয়োজন কৰা হৈছে।

## লেচেৰা-বৰটাৰী পথত ভয়ংকৰ

*তিনি পৃষ্ঠাৰ পৰা* আৰোহী খলিহাণ্ডৰিৰ বীৰদাউ স্বৰ্গীয়াৰী দুয়ো গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত স্থানীয় লোক আৰু আৰক্ষীৰ লোক উপস্থিত হৈ সংকটজনক অৱস্থাত দুয়োকে শালবাৰীত প্ৰাথমিক চিকিৎসা কৰাৰ অন্তত তাতৈয়াকৈ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়।

## তিৰপালে ঢকা উৰুখা ঘৰত চক্ৰ

*তিনি পৃষ্ঠাৰ পৰা* কৰিবলৈ চৰকাৰে বাহনৰ যোগান ধৰিব পৰা নাই। বৰ্তমান চক্ৰ বিষয়াজনে যিখন বাহনেৰে কাম-কাজ চলাই আছে সেইখন বিচিপিএল কৰ্তৃপক্ষইহে দিয়া বুলিহে এক সূত্ৰৰ পৰা জানিব পৰা গৈছে।

# জ্ঞানজ্যোতি বিদ্যাপীঠত কবি ৰাম গগৈ স্মৃতি দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নামতি, ৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি তথা অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত পথাৰৰ কবি হিচাপে খ্যাত ৰাম গগৈ স্মৃতি দিৱস নাজিৰা কবি সন্মিলনৰ উদ্যোগত নামতিৰ খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠত আজি সন্ধিয়া উদ্‌যাপন কৰা হয়। ৰাম গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান আৰম্ভ কৰে সাংবাদিক সোমেশ ডেকাই। নাজিৰা কবি সন্মিলনৰ সম্পাদক হৰেন চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানত শিৱসাগৰ জিলা কবি সন্মিলনৰ সম্পাদক সুৰেশ ভূএগাই ৰাম গগৈৰ কাব্য প্ৰতিভা আৰু সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত বিশদভাৱে আলোকপাত কৰে। বিহু সুৰক্ষা সমিতি শিৱসাগৰ জিলাৰ সভাপতি লাচিত ফুকন, বিহু সুৰক্ষা সমিতি মহিলা মঞ্চৰ আহ্বায়িকা গীতুমণি গগৈ বৰুৱাই আগবঢ়োৱা অনুষ্ঠানটোত জ্ঞানজ্যোতি বিদ্যাপীঠৰ সঞ্চালিকা দেৱযানী দীক্ষিতা গগৈ আৰু ছাত্ৰী সৃষ্টিজোনাক গগৈয়ে একোটিকৈ কবিতা আবৃত্তি কৰে। অনুষ্ঠানত চৰাইদেউ জিলাৰ বিদ্যালয় উপপৰিদৰ্শক প্ৰণৱ গগৈ, হলধৰ দাস, যতীন শইকীয়া, দুৰ্লভ শইকীয়া, নিৰ্মল কুমাৰ বৰুৱা, হেমন্ত গগৈ আদিয়ে ৰাম গগৈৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি জনায়।

## নগাঁৱত খাদ্য নিগমৰ শ্ৰমিকৰ উত্তাল

*তিনি পৃষ্ঠাৰ পৰা* সমৰ্থনত বিভিন্ন ধ্বনি দি কাৰ্যালয়টোৰ চৌহদ উত্তাল কৰি তোলে। শ্ৰমিকসকলে সম কামৰ বাবে সম অধিকাৰ, শ্ৰমিকসকলৰ নিৰাপত্তা নিশ্চিত কৰাকে ধৰি বিভিন্ন সমস্যা শীঘ্ৰে সমাধান কৰিবলৈ নিগমৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে। খাদ্য নিগমৰ শ্ৰমিক ইউনিয়নৰ নেতৃত্বত চলা এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে শ্ৰমিকসকলে তেওঁলোকৰ দাবীসমূহ শীঘ্ৰে পূৰণ নকৰিলে দেশজুৰি আন্দোলন গঢ়ি তুলিব বুলি নিগমৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক সকীয়াই দিয়ে।

## নগাঁও আৰক্ষীৰ জালত পুনৰ জালনোট



*তিনি পৃষ্ঠাৰ পৰা* গ্ৰেপ্তাৰ কৰা জাল নোটৰ ব্যৱসায়ী দুজন হ’ল জাগীৰোডৰ আলিছিঙাৰ ছাহজাহানৰ আলী আৰু লখিমপুৰৰ নিদান আলী। আৰক্ষীয়ে সম্প্ৰতি অধিক তথ্য আহৰণৰ বাবে দুয়োকে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে নগাঁৱৰ আৰক্ষীয়ে এসপ্তাহৰ ভিতৰত গুৱাহাটী আৰু ডবকাতো নকল টকাৰ সন্ধানত অভিযান চলাইছিল। গুৱাহাটীৰ ভেটাপাৰাত অভিযান চলাই ২০ লাখ নকল টকাসহ চাৰিজনক গ্ৰেপ্তাৰ কৰিছিল। কালি ডবকাত অভিযান চলাই ১১ লাখ টকাসহ এজন নকল টকাৰ ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। আজি জাগীৰোডৰ পৰা দুজন নকল টকাৰ ব্যৱসায়ীসহ ১৫ লাখ নকল টকা উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এসপ্তাহৰ ভিতৰত নগাঁৱৰ আৰক্ষীয়ে মুঠ ৪৬ লাখ টকাৰ নকল টকা জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নগাঁৱত কিছু লোকে দীৰ্ঘদিন ধৰি এক দুষ্ট চক্ৰই জালনোটৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এই ব্যৱসায়ৰ লগত জড়িতসকলৰ সৰহ ভাগেই লখিমপুৰ জিলাৰ।

## খুমটাইৰত ধোদৰআলি বহলীকৰণৰ

*তিনি পৃষ্ঠাৰ পৰা* ধোদৰআলিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণৰ পুত্তলিকা দাহ কৰি চৰকাৰ বিৰোধী শ্ল’গানেৰে উত্তাল কৰি তোলে সমগ্ৰ পৰিৱেশ। উল্লেখ্য যে ধোদৰআলি সম্প্ৰসাৰণৰ নামত গৰঙা, শাঁওতলী, শালমৰা আৰু শালমৰামুখ চাহ বাগিচাৰ চাহগছ উচ্ছেদৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে আটছাৰ গোলাঘাট জিলা সমিতিয়ে। ইফালে, উন্নয়নৰ নামত সম্পদ ধ্বংস কৰা কাৰ্য মানি লোৱা নহ’ব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে আটছাৰ গোলাঘাট জিলা সমিতিৰ সভাপতি ৰাবুল তুৰিয়ে। চাহ জনগোষ্ঠীক অন্ধকাৰত ৰাখি চাহগছৰ অবাধ ধ্বংস কোনো কাৰণত কৰিবলৈ দিয়া নহ’ব বুলি চৰকাৰক হুংকাৰ দিয়ে আটছাৰ সভাপতিজনে। ইতিমধ্যে পথ নিৰ্মাণকাৰী সংস্থাই চাহগছ উচ্ছেদ কৰিছে গৰঙা চাহ বাগিচাত। চাহগছ উচ্ছেদ কৰা কাৰ্যক সম্পূৰ্ণৰূপে নিৰ্মাণকাৰী সংস্থাক বন্ধ কৰিবলৈ আটছাৰ গোলাঘাট জিলা সমিতিয়ে সংবাদ মাধ্যমযোগে দাবী জনোৱাৰ লগতে বাগিচাসমূহৰ কিমান বিঘা মাটিত কিমান চাহগছ উচ্ছেদ কৰা হ’ব তাৰ তথ্যসমূহ ৰাজহুৱা কৰাৰ দাবী জনায়। যদিহে শ্ৰমিকৰ দাবীসমূহ মানি নল’লে আগন্তুক দিনত জংগী আন্দোলনৰ হুংকাৰ দিয়ে সংগঠনটোৱে। আনহাতে, প্ৰতিবাদস্থলীত ঢেকীয়াল আৰু খুমটাই আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

## ৮৮ বছৰ বয়সতো দেহবিচাৰৰ গীত গাহ

*তিনি পৃষ্ঠাৰ পৰা* কৰিছে। লোকসংস্কৃতিৰ পথাৰখনত পূৰ্বৰ দৰে এজন দুৰন্ত তৰুণৰ দৰেই দৌৰি ফুৰিব খোজা সাধকজনৰ ঘৰ নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বাউসী উদয়পুৰ গাঁৱত। ১৯৩৫ৰ এক মাৰ্চত জন্মগ্ৰহণ কৰা তালুকদাৰৰ পিতৃ প্ৰয়াত জন্মিৰাম তালুকদাৰ আৰু মাতৃ শুভদ্ৰা তালুকদাৰ। ওপজা গাঁওখনৰ সমীপৰৱৰ্তী পাজিপৰ প্ৰাথমিক বিদ্যালয়, বালিকুছি মজলীয়া বিদ্যালয়, বৰভাগ কালাগ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰাৰ পাছত তেওঁ বি বৰুৱা মহাবিদ্যালয়ৰ পৰা পিইউ পাছ কৰে। ইয়াৰ পাছত তেওঁ নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। বালিকুছি মজলীয়া বিদ্যালয়ত পঞ্চম শ্ৰেণীত পঢ়ি থকা অৱস্থাতে তেওঁ অভিনয় কৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। তেতিয়াৰ পৰাই তেওঁ সংস্কৃতিৰ পথাৰখনত নিৰৱচ্ছিন্নভাৱে সোমাই পৰে। সৰুকালতে অভিনয়, নৃত্য, সংগীতৰ প্ৰশিক্ষণ নোলোৱাকৈ তেওঁ সংস্কৃতিৰ প্ৰতিটো দিশতে একাত্ম হৈ পৰাৰ উপৰি লোকবাদ্যসমূহ নিপুণতাৰে আয়ত্ত কৰি জিলাখনত সংস্কৃতিৰ সাধনাত ব্ৰতী হৈ পৰে। এনেদৰে তেওঁ নৃত্য কলা, অভিনয়, সংগীত আৰু লোকবাদ্যসমূহৰ জ্ঞান অৰ্জন কৰি জিলাখনৰ বিভিন্ন বিদ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠানত প্ৰশিক্ষক হিচাপে দায়িত্ব পালন কৰিছিল। ইয়াৰ মাজতে তেওঁ এজন প্ৰতিষ্ঠিত নৃত্যশিল্পীৰূপে পৰিচিত হয়। আধুনিক নৃত্যৰ উপৰি দশাৱতাৰ নৃত্য, সদাশিৱৰ তাণ্ডৱ নৃত্যত বিশেষ গৰিমা অৰ্জন কৰাৰ উপৰি ১৫খনৰো অধিক ধেমেলীয়া একাংকিকা নাট আৰু কুৰিখনৰো অধিক নৃত্য-নাটিকা লিখি মঞ্চস্থ কৰিছে। তেওঁ ৰচনা কৰা নৃত্য-নাটিকাসমূহ হ’ল- তিলোত্তমা, আত্মাৰ প্ৰতিদান, সুন্দ-উপসুন্দ, মাকালী, ভীম-বকাসুৰ, বাংলা গোসাঁই, পাৰ্বতীৰ বিয়া, সপ্তমত বৃহস্পতি, ইতিহাসে ৰিঙিয়াই, ককাদেউতাৰ সাধু, ইতিহাসে বাৰু কি কয়, দ্বীপচাকি, দেৱদাসী, পোহৰ আৰু বাউসী উদয়পুৰৰ ইতিহাস। ইয়াৰ উপৰি ৬০ৰ দশকত বিশেষ সমাদৰ লাভ কৰা ধেমেলীয়া একাংকিকা নাটসমূহৰ ভিতৰত-কেঠিৰ সংসাৰ, চেপ্তি লেতেৰি ভুৰা ভাখেৰি, কোকোৰ সংসাৰ, চয়তান আৰু পূজাৰী অন্যতম। পাছলৈ বিশিষ্ট শিল্পী কুল বৰুৱা, মনোজ শৰ্মা, জয়ন্ত হাজৰিকা, বীৰেন দত্তৰ স’তে সংগীত আৰু লোকবাদ্যৰ অনুষ্ঠানত ভাগ লোৱা তালুকদাৰে ১৯৬০ত জিলাখনৰ বালিকুচি মজলীয়া বিদ্যালয়ত শিক্ষক হিচাপে নিযুক্তি লাভ কৰে। ইয়াৰ পাছত তেওঁ কোটালকুছি মজলীয়া বিদ্যালয়লৈ বদলি হৈ ১৯৯৯ত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। উল্লেখ্য যে শিক্ষক হিচাপে চাকৰি কৰিলেও সমান্তৰালকৈ চলাই গৈছিল নৃত্য, অভিনয়, লোকবাদ্যৰ সাধনা। শ্ৰেণীকোঠাত পাঠদান কৰাৰ উপৰি জিলাখনৰ প্ৰায়সংখ্যক শিক্ষানুষ্ঠানৰ বাৰ্ষিক উৎসৱসমূহৰ সাংস্কৃতিক কাৰ্যসূচী নাটক, নৃত্যৰ মূলমানুহজন ভোলানাথ তালুকদাৰ। ইয়াৰ মাজতে ১৯৭৫ত তেওঁ মইনা পাৰিজাতৰ স’তে জড়িত হৈ ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে ৰাজ্যৰ বাহিৰতো কাৰ্যসূচী কৰিছিল। তেওঁ হৰিদ্বাৰ আৰু বৃন্দাবনত সংগীত, আৰতি নৃত্য প্ৰদৰ্শন কৰিছিল। জিলাখনৰ কে’বাঠাইতো কিছুদিন আগলৈকে আৰতি নৃত্য প্ৰদৰ্শন কৰি পুৰস্কাৰ গ্ৰহণ কৰি ফুৰা লোকসংস্কৃতিৰ সাধকজন এতিয়া নিজ গৃহতে বন্দী হৈ পৰিছে। জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা ভূয়সী সন্মান আৰু সম্বৰ্ধনা লাভ কৰা ৮৮ বছৰীয়া শিল্পীজনে এতিয়া ঘূৰি ফুৰা চাইকেলখন লৈ ওলাই যাব নোৱাৰে, এয়াই তেওঁৰ দুখ। শিল্পীজনৰ স’তে ‘দৈনিক অগ্ৰদূত’ৰ হোৱা এক সাক্ষাতত তেওঁ কয়, ‘৬০ বছৰৰো অধিক শিল্প সাধনা কৰিলো। বহু ল’ৰা-ছোৱালীক নৃত্য-গীত-অভিনয় আৰু লোকবাদ্য শিকালো। কিন্তু আজিলৈ চৰকাৰী মৰ্যাদা নাপালো। মই শিকোৱা ল’ৰা-ছোৱালীয়ে চৰকাৰী স্বীকৃতি লাভ কৰিছে। মই সন্তুষ্টি পাইছো।’ এনেদৰে নিজৰ মনৰ দুখ আৰু আনন্দ প্ৰকাশ কৰি নিজ গৃহতে নৃত্য, অভিনয় কৰিব নোৱাৰিলেও আধুনিক গীত, দেহবিচাৰ গীত গাই আজিও সংস্কৃতিৰ সাধনাত ব্ৰতী হৈ আছে।

# কৃষিমন্ত্ৰী অতুল বৰাৰ স’তে অসম কৃষি আয়োগৰ বৈঠক

**গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ** আজি ৰাজ্যৰ কৃষিমন্ত্ৰী অতুল বৰাই অসম কৃষি আয়োগৰ অধ্যক্ষ ড° এইছ এছ গুপ্তাৰ স’তে এখন বৈঠকত মিলিত হয়। মন্ত্ৰীজনৰ বাসগৃহত অনুষ্ঠিত বৈঠকত আয়োগৰ অধ্যক্ষ ড° গুপ্তাই বিগত সময়ছোৱাত আয়োগে ৰাজ্যখনৰ বিভিন্ন জিলাৰ কৃষকৰ পথাৰ পৰিদৰ্শন তথা ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাৰ বিষয়ে কৃষিমন্ত্ৰীজনক অৱগত কৰে। তিনিচুকীয়া জিলাৰ বৃহত্তৰ শদিয়া অঞ্চলৰ নেমু টেঙা, আদা আৰু হালধি খেতিৰ সম্প্ৰসাৰণৰ সম্ভাৱনীয়তাৰ সন্দৰ্ভত বৈঠকত আলোকপাত কৰি ড° গুপ্তাই স্বকীয় গুণেৰে ভৰা অসমৰ নেমু টেঙাৰ লগতে আনাৰসৰ ৰপ্তানিৰ জৰিয়তে বিদেশৰ বজাৰ দখলৰ সম্ভাৱনীয়তাৰ বিষয়ে মন্তব্য আগবঢ়ায়। ইয়াৰ উপৰি ৰাজ্যৰ কৃষি তথা আনুষংগিক খণ্ডৰ বিকাশত সহায়ক হ’ব পৰা কে’বাটাও নতুন বিষয়ৰ সন্দৰ্ভতো কৃষি আয়োগে কৃষিমন্ত্ৰী বৰাৰ স’তে মত বিনিময় কৰে। মন্ত্ৰী বৰাই আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ সহযোগী খণ্ডসমূহৰ বিকাশৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। বৈঠকত আয়োগৰ সদস্যদ্বয় ক্ৰমে ড° হলধৰ দেৱ শৰ্মা আৰু ড° প্ৰাঞ্জল শৰ্মা আৰু সদস্য সচিব তথা কৃষি সঞ্চালক অনন্ত লাল জ্ঞানী, উদ্যান শস্য সঞ্চালক ত্ৰিৰংগ ভাৰতীয় বৰা উপস্থিত থাকে।

## মন্ত্ৰী অতুল বৰাৰ নিৰ্দেশত লহৰে চাপৰিত মহকুমাধিপতিৰ নেতৃত্বত প্ৰশাসনৰ দল



**খুমটাই, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ অতি দুৰ্গম অঞ্চল লহৰে চাপৰিত কেবিনেট মন্ত্ৰী অতুল বৰাৰ নিৰ্দেশত আজি বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ নেহা যাদৱৰ নেতৃত্বত এটি ৪৫ জনীয়া দল পুৱাই উপস্থিত হয়। উল্লেখ্য যে বোকাখাত মহকুমাৰ মহকুমাধিপতি যাদৱৰ নেতৃত্বত যোৱা দলটোত শিক্ষা, স্বাস্থ্য, কৃষি, আৰক্ষী, পশু চিকিৎসা বিভাগ, পঞ্চায়ত প্ৰতিনিধিৰ লগতে অন্যান্য বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াসকল পুৱা সাত বজাত কুৰুৱাবাহী নিকৰি ফেৰীঘাটৰ পৰা এখন যন্ত্ৰচালিত নাওৰে ৰাওনা হয়। দিনৰ প্ৰায় ১১.৩০ বজাত দলটো উক্ত অঞ্চলটোত উপস্থিত হয়। দুপৰীয়া প্ৰায় এক বজাত বোকাখাত সমষ্টিৰ নদী দ্বীপখ্যাত লহৰে চাপৰিবাসীৰ বিভিন্ন সমস্যাক লৈ বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ যাদৱৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। বোকাখাত মহকুমা দণ্ডাধীশ বিক্ৰম নেৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত কৃষি বিভাগৰ ৰমেন বসুমতাৰীয়ে উপস্থিত ৰাইজক মাটি মাহ, কৃষক সন্মান নিধি, বাদাম, ‘সৌৰ কৃষি’, ‘আত্মা’ সৰ্ন্দভত মন্তব্য প্ৰদান কৰে। সভাত শিক্ষা বিভাগৰ হৈ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰুদ্ৰ শইকীয়া আৰু মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰিতুল বৰাই প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ প্ৰভাৱৰ ওপৰত উপস্থিত ৰাইজক বক্তব্য প্ৰদান কৰাৰ লগতে চাপৰিটোত থকা তিনিখন বিদ্যালয় পৰিদৰ্শন কৰে। সভাত সমাজ কল্যাণ বিভাগৰ বিষয়া প্ৰণৱ বৰাই সামাজিক সমস্যা, ম্যাদী পট্টাৰ অসুবিধা, কৃষিৰ ক্ষেত্ৰত পানীৰ অসুবিধা, কৃষি ক্ষেত্ৰত সৌৰ শক্তি আঁচনিৰ ব্যৱস্থা আদিৰ ওপৰত বক্তব্য প্ৰদান কৰে। আনহাতে, ছহিদ কমলা মিৰি অসামৰিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ নৱজ্যোতি নাথৰ নেতৃত্বত চিকিৎসা কৰ্মীৰ দলটোৱে চাপৰিটোৰ শতাধিক লোকক স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে স্বাস্থ্য ক্ষেত্ৰত সজাগতামূলক সভা অনুষ্ঠিত কৰে। লগতে পশু চিকিৎসা বিভাগৰ দলটোৱে পশুধনৰ চব্‌কা ৰোগৰ টিকাকৰণ, পশুধনৰ ঔষধ বিতৰণৰ লগতে পশুপালনৰ জৰিয়তে বেংকৰ পৰা কেচিচি ঋণ কি দৰে ল’ব পাৰি তাৰ ওপৰত পশুপালকসকলক বিস্তাৰিতভাৱে বুজাই দিয়ে। আনহাতে, আজি ৰাজহুৱা সভাতেই লহৰবাসীয়ে চাপৰিটোত বিভিন্ন সমস্যা, মাটিৰ পট্টা, ৰাজহ গাঁও, প্ৰাথমিক বিদ্যালয়খন চাংবাংলা আৰু পকীকৰণ, মধ্য ইংৰাজী বিদ্যালয়খন প্ৰাদেশিকীকৰণ, যাতায়াতৰ ক্ষেত্ৰত যন্ত্ৰচালিত নাওৰ ব্যৱস্থা, স্বাস্থ্য উপ-কেন্দ্ৰ আৰু পশু চিকিৎসা উপ-স্বাস্থ্য কেন্দ্ৰ স্থাপন আদি আঠদফীয়া এখন স্মাৰকপত্ৰ মহকুমাধিপতিৰ হাতত প্ৰদান কৰে।

## ডবকাত ইৰানী গ্ৰুপৰ সদস্য আটক



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৯ ছেপ্টেম্বৰ ঃ** ডবকাৰ নেচনেল বেংকত আজি ইৰানী গ্ৰুপৰ এজন সদস্যক আটক কৰে। আটক হোৱা যুৱকজন বিহাৰৰ কুমাৰ শংকৰ চাহানী। ডবকাৰ পাঁচ নম্বৰ ৱাৰ্ডৰ আবুল হুছেইন নামৰ বৃদ্ধ এজনৰ পৰা লুটি নিছিল ৫৫ হেজাৰ টকা। ঘটনটো সংঘটিত হৈছিল যোৱা দুই ছেপ্টেম্বৰত। আবুল হুছেইনে সেইদিনা বেংকৰ পৰা টকা উঠাই বেংকৰ তললৈ নামি আহোতে বেংক চৌহদতেই বৃদ্ধজনৰ হাতত টকাৰ টোপোলা বুলি কৈ পেলনীয়া কাগজৰ এটা টোপোলা দি কৌশলৰে ইৰানী গ্ৰুপৰ সদস্যজনে টকা লৈ উধাও হৈছিল। ঘটনাৰ পাছতে বৃদ্ধজনে আৰক্ষীক খবৰ নিদি বেংক কৰ্তৃপক্ষক অৱগত কৰিয়েই ঘৰলৈ উভতি যায়। আজি পুনৰ প্ৰৱঞ্চকজেন বেংকত আহি ঘুৰা-ফুৰা কৰি থকা অৱস্থাত বেংক কৰ্মচাৰীৰ চকুত পৰাত বেংক কৰ্মচাৰীয়ে প্ৰৱঞ্চকজনক আটক কৰে। পাছত আবুল হুছেইনক খবৰ দিয়াত হুছেইনে প্ৰৱঞ্চকজনক চিনাক্ত কৰে। ধৃত যুৱকজনৰ স’তে আন কে’বাজেনা ইৰানী গ্ৰুপৰ সদস্য পলাবলৈ সক্ষম হয়। ঘটনা সংক্ৰান্তত ডবকা আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত। উল্লেখ্য যে সঘনাই ডবকা পাঞ্জৱ নেচনেল বেংকৰগ চৌহদৰ পৰা প্ৰৱঞ্চকে লুটি আহিছে গ্ৰহকৰ ধন।



*মঙলদৈ মিডিয়া চাৰ্কোলৰ বৃক্ষৰোপণ।*

# নগাঁৱৰ মাজেৰে চোৰাং কয়লা সৰবৰাহ অব্যাহত

বিশেষ সংবাদদাতা

**নগাঁও, ৯ ছেপ্টেম্বৰ ঃ** উজনী অসমৰ এক প্ৰভাৱশালী চক্ৰৰ পৃষ্ঠপোষকতাত নগাঁও জিলাৰ শেনচোৱাত গঢ়ি উঠিছে বহিঃৰাজ্যলৈ কয়লা সৰবৰাহৰ বৃহৎ কেন্দ্ৰ। নগাঁৱৰ শেনচোৱাৰ পৰাই এতিয়া ক’লা হীৰা সদৃশ কয়লাৰ সৰবৰাহ বহিঃৰাজ্যলৈ অব্যাহত ৰাখিছে। নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী শেনচোৱা জংচনৰ পৰা আৰম্ভ হৈছে কয়লাৰ এই চোৰাং সৰবৰাহ। কয়লা ব্যৱসায়ীয়ে ট্ৰাকে ট্ৰাকে কয়লা আনি শেনচোৱা জংচনতে মজুত ৰাখি তাৰ পৰাই ৰেলত উঠাই সৰবৰাহ কৰা হৈছে বহিঃৰাজ্যলৈ। অৱশ্যে কোনো এজন স্থানীয় লোক অৱগত নহয় এই কয়লা কোনে ক’ৰ পৰা আনি ক’লৈ প্ৰেৰণ কৰিছে সেই সন্দৰ্ভত। স্থানীয় সূত্ৰই প্ৰকাশ কৰা অনুসৰি শাসকীয় দলৰ এজন নেতাক শেনচোৱা জংচন পৰিভ্ৰমণ কৰা সময়ত কয়লা ট্ৰাকৰ কাষত শেনচোৱাৰ ৰাইজে প্ৰত্যক্ষ কৰিছিল। কয়লাৰ ক’লা ব্যৱসায়ী চক্ৰটোয়ে শেনচোৱাৰ পৰা ফেব্ৰুৱাৰীৰ পৰা বুজন সংখ্যক কয়লা বহিঃৰাজ্যলৈ প্ৰেৰণ কৰি আহিছে। কয়লা সৰবৰাহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে ৩০ টন ওজনৰ ট্ৰাক। উজনিৰ পৰা নিশা হ’লেই শ শ ট্ৰাকেৰে কয়লা আনি শেনচোৱা জংচনত মজুত কৰি তাৰ পআছত ৰেলএযাগে চক্ৰটোৱে প্ৰেৰণ কৰি আহিছে বহিঃৰাজ্যলৈ। কিন্তু এই সকলো দেখি শুনিও নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰি আহিছে নগাঁও আৰক্ষীৰ লগতে বন বিভাগে।

ইপিনে, চুবুৰীয়া ৰাজ্য মেঘালয়, পাৰ্বত্য জিলা ডিমাহাচাও, কাৰ্বি আংলং, হোজাই, নগাঁও আৰু মৰিগাঁও জিলাৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাই পথৰে নিতৌ চোৰাং কয়লাৰ সৰবৰাহ অব্যাহত আছে। জিলা কেইখনৰ বহু কেইখন আৰক্ষী থানাৰ সন্মুখেদিয়েই একাংশ কয়লা মাফিয়াই একাংশ লোকৰ সহযোগত ট্ৰাকে ট্ৰাকে চোৰাং কয়লা ৰাষ্ট্ৰীয় ঘাই পথৰে নগাঁও, মৰিগাঁও, শোণিতপুৰ, কামৰূপ আদি জিলালৈ বুলি দীৰ্ঘদিনৰ পৰা অবৈধভাৱে সৰবৰাহ অব্যাহত ৰাখিছে। তদুপৰি অবিভক্ত নগাঁও জিলাৰ বিভিন্ন ইটাভাটা আৰু একাংশ চাহ বাগিচা, চিকনি চুপাৰী উদ্যোগলৈকো চোৰাং কয়লাৰ সৰবৰাহ অব্যাহত থকাৰ কথা জানিব পৰা গৈছে। মেঘালয়, ডিমাহাচাও আৰু কাৰ্বি আংলং জিলাৰ পৰা অবৈধভাৱে কয়লাৰ সৰবৰাহ কৰোতে চোৰাং কাৰবাৰীসকলে জিলা কেইখনৰ বিভিন্ন আৰক্ষী থানাৰ একাংশ আৰক্ষী আৰু বন বিভাগৰ বিষয়া-কৰ্মচাৰীক মেনেজ কৰি সেই আৰক্ষী থানাসমূহৰ লগতে বন বিভাগৰ কাৰ্যালয়ৰ সন্মুখৰেই কয়লাভৰ্তি ডাম্পাৰ, ১০ চকীয়া ট্ৰাকেৰে বাধাহীনভাৱে সৰবৰাহ অব্যাহত আছে। উত্থাপিত অভিযোগ অনুসৰি, কয়লা ক্ষেত্ৰত শ্বিলং-উমৰাংছু- লংকা-নগাঁও পথ, শ্বিলং- বৈঠালাংছু-কামপুৰ-ৰহা পথ আৰু শ্বিলং-বৈঠালাংছু-আমচৈ পথ, ৰংবং ৰে -বাগৰি- কলিয়াবৰ পথক ব্যৱহাৰ কৰি অহা পৰিলক্ষিত হৈছে। এই পথসমূহৰে কয়লা মাফিয়াই ট্ৰাকে ট্ৰাকে কয়লা বিভাগীয় নথিপত্ৰ অবিহনেই সম্পূৰ্ণ অবৈধভাৱে গুৱাহাটীলৈ আৰু নগাঁও জিলাৰ বিভিন্ন ঠাইলৈ সৰবৰাহৰ ক্ষেত্ৰত সংশ্লিষ্ট পথসমূহৰ দাঁতি- কাষৰীয়া বিভিন্ন আৰক্ষী থানা আৰু ফৰেষ্টগেটত মোটা অংকৰ ধন আদায় দিয়ে বুলিও অভিযোগ উত্থাপিত হৈছে। বিভাগীয় নথিপত্ৰ অবিহনে লাখ লাখ টকাৰ ৰাজহ

## নগাঁৱৰ শেনচোৱাত গঢ়ি উঠিছে বহিঃ ৰাজ্যলৈ কয়লা সৰবৰাহ কেন্দ্ৰ

মাফিয়াৰে বিভিন্ন আৰক্ষী থানাৰ একাংশ আৰক্ষী আৰু বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ গোপন বুজাবুজি থকা হেতুকেই চোৰাং কয়লাৰ ট্ৰাকবোৰৰ ক্ষেত্ৰত বন বিভাগ আৰু আৰক্ষীয়ে সৰহখিনি সময়েই চকু মুদা কুলিৰ ভাও ধৰি আহিছে বুলিও ৰাইজে অভিযোগ তুলিছে। সংশ্লিষ্ট জিলা কেইখনৰ একাংশ দুৰ্নীতিগ্ৰস্ত আৰক্ষী আৰু বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ বাবে এই চোৰাং কয়লাৰ ট্ৰাকসমূহ সোণৰ কণী পৰা হাঁহলৈ পৰিণত হোৱা পৰিলক্ষিত হৈছে। বিভাগীয় নথি পত্ৰ অবিহনে লাখ লাখ টকাৰ ৰাজহ ফাকিৰে এই কয়লা মাফিয়া চক্ৰটোৱে মেঘালয়, ডিমাহাচাও আৰু কাৰ্বি আংলং জিলাৰ পৰা ডিমাহাচাও- কাৰ্বি আংলং-হোজাই-নগাঁও জিলাৰ মাজেৰে কেইটামান বিশেষ পথৰে কোটি কোটি টকাৰ কয়লা বিভিন্ন জিলালৈ সৰবৰাহ কৰি আহিছে। এই কয়লা মাফিয়া সকলে উক্ত চোৰাং আৰু অবৈধ বেহাৰ ক্ষেত্ৰত উজনী অসমৰ দিশৰ পৰা সৰবৰাহৰ ক্ষেত্ৰত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথ, মেঘালয়ৰ পৰা সৰবৰাহৰ ফাকিৰে মেঘালয়ৰ লগতে ডিমাহাচাও-কাৰ্বি আংলং জিলাৰ পৰা হোজাই-নগাঁও-মৰিগাঁও জিলা হৈ গুৱাহাটীলৈ আৰু নগাঁও জিলালৈ কয়লাৰ মাফিয়াৰ দলে নিতৌ কোটি কোটি টকাৰ চোৰাং কয়লা সৰবৰাহ কৰি থকাৰ তথ্য বাৰম্বাৰ ফাদিল হৈ অহাৰ পাছতো এই সন্দৰ্ভত অসম আৰক্ষী আৰু বন বিভাগে নেতিবাচক ভূমিকাহে গ্ৰহণ কৰি অহাৰ গুৰুতৰ অভিযোগ উঠিছে। ডিমাহাচাও, হোজাই আৰু নগাঁও জিলাৰ মাজেৰেই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেৰেই মেঘালয়, ডিমাহাচাও আৰু কাৰ্বি আংলং জিলাৰ বিভিন্ন ঠাইৰ পৰা চোৰাং কয়লাৰ সৰবৰাহ নিয়মিতভাৱে চলি থকা সত্বেও এই চোৰাং কয়লাভৰ্তি ট্ৰাকসমূহ আৰক্ষী আৰু বনবিভাগৰ জালত নপৰাটোও অতি ৰহস্যজনক বিষয় হিচাপে বিবেচিত হৈছে। অৱশ্যে যেতিয়াই এই চোৰাং কয়লাৰ সৰবৰাহৰ সন্দৰ্ভত সংবাদ মাধ্যমত বা-বাতৰি প্ৰকাশ হয় তেতিয়াও চোৰাং কয়লাৰ বিৰুদ্ধে কিছু তৎপৰতা দেখুৱায় বন বিভাগ আৰু আৰক্ষীয়ে।

# কৰ্তিমাৰী-আশাৰীকান্দিৰ টিপকাই নদীৰ বুকুত এক্সকেভেটৰ লগাই অবৈধ শিল-বালি খনন ঃ বন্ধৰ দাবী



অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী, ৯ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত মহামায়া সংৰক্ষিত বনাঞ্চলৰ পাৰ্শ্বৱৰ্তী সাপটগ্ৰাম-ভেলাকোৰা গাঁৱৰ মাজেৰে বৈ যোৱা টিপকাই নদীত বৰ্তমান চলিছে অবৈধ শিল-বালিৰ খনন কাৰ্য। অভিযোগ মতে সাপটগ্ৰামৰ পাৰ্শ্বৱৰ্তী কৰ্তিমাৰী-আশাৰীকান্দিৰ ওচৰত টিপকাই নৈৰ বুকুত এচাম শিল-বালি মাফিয়াই এক্সকেভেটৰ লগাই আইন ভংগ কৰি পৰিৱেশ বিঘ্নিত কৰি শ শ ট্ৰাক-ট্ৰেক্টৰ, ডাম্বাৰ আদিত অবৈধভাৱে শিল-বালি ভৰ্তি কৰি জিলাখনৰ বিভিন্ন ঠাইলৈ চোৰাংভাৱে চালান কৰি আছে। নদীখনৰ বুকুত চোৰাং মাফিয়াৰ দলে দিনে-নিশাই খনন চলাই লাখ লাখ টকাৰ শিল, বালি চৰকাৰী ৰাজহ ফাঁকি দি লুণ্ঠনৰাজ চলাইছে। এই মাফিয়া চক্ৰত স্থানীয় এগৰাকী ভিচিডিচি’ৰ সভাপতি আৰু জনৈক ৰফিক নামৰ মাফিয়াকেইজনে নদীৰ পৰা এক্সকেভেটৰ লগাই শিল-বালি খনন কৰি এক অৰাজকতাৰ সৃষ্টি কৰিছে।

# পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শিমুলটাপু ছেক্টৰৰ উদ্যোগত সজাগতা সমদল

অগ্ৰদূতবাৰ্তা ,

**শ্ৰীৰামপুৰ, ৯ ছেপ্টেম্বৰ ঃ** দেশ তথা ৰাজ্যজুৰি পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহ হিচাপে উদযাপন কৰি থকাৰ লগত সংগতি ৰাখি আজি কচুগাঁও শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত শিমুলটাপু ছেক্টৰৰ উদ্যোগত সজাগতা সমদল কাৰ্যসূচী গ্ৰহণ কৰে। ‘সৱল নাৰী, স্বাক্ষৰ শিশু আৰু সুস্থ ভাৰত’ মূল মন্ত্ৰ হিচাপে লৈ আজি আয়োজন কৰা সজাগতা সমদল কাৰ্যসূচীত কচুগাঁও শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত শিমুলটাপু ছেক্টৰৰ পৰা ২৩ খন অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাই সজাগতা সমদল কাৰ্যসূচীত অংশগ্ৰহণ কৰি অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে হাতে হাতে বেনাৰ, প্লে-কাৰ্ডলৈ ‘ৰক্তহীনতা দূৰ কৰক’ ,বাল্য বিবাহ বন্ধ কৰক ,আইৰণ টেবলেট সেৱন কৰক , পোষণ অভিযান সফল কৰক , এনিমিয়া দূৰ কৰক , পোষণ মাহ পালন কৰক, বেটী বাচাও বেটী পঢ়াও ,সুষম আহাৰ গ্ৰহণ কৰক, জন্মৰ পৰা ছমাহলৈ শিশুক মাতৃ দুগ্ধপান কৰাওক’ আদি শ্ল’গানেৰে এক নম্বৰ ভোমৰাবিল নৱ প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি এক কিঃ মিঃ পথ সমদল কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণৰে সজাগতা অনাৰ প্ৰয়াস চলায় । পোষণ মাহ উপলক্ষে উলিওৱা সজাগতা সমদল কাৰ্যসূচীৰ অন্তত এক নম্বৰ ভোমৰাবিল নৱ প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয় । সজাগতা সভাত শিমুলটাপু ছেক্টৰৰ ছুপাৰ ভাইজাৰ সবিতা দেৱনাথে কয় যে বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ যুগতো সমাজৰ এচাম লোকে শিশুৰ প্ৰতি থকা দায়বদ্ধতাখিনি পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান নকৰে। লগতে গৰ্ভৱতী মহিলাই কি কি আহাৰ সেৱন কৰিলে নিজৰ আৰু শিশুৰ ক্ষেত্ৰত যথেষ্ট উপকৃত হ’ব সেই ক্ষেত্ৰত সচেতনতাৰ অভাৱ দেখা পৰিলক্ষিত হয়।

শিশুৰ অযতন, গৰ্ভৱতী মহিলাৰ স্বাস্থ্যৰ প্ৰতি অৱহেলা, বাল্যবিবাহ, পুষ্টিহীনতাত ভোগা আদি কাৰকসমূহ নিৰ্মূল কৰাৰ বাবে এই পোষণ মাহ পালন কৰি সৰ্বসাধাৰণ ৰাইজৰ মাজত সজাগতা অনাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে। সজাগতা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুছ ছামাদ , এক নম্বৰ ভোমৰাবিল নৱ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নুৰুল হক উপস্থিত থাকে।



## সকাহ নূপুৰৰ, বহিষ্কৃত বিজেপিৰ নেত্ৰীৰ গ্ৰেপ্তাৰৰ আবেদন প্ৰত্যাখ্যান

**নিউজ ব্যুৰ' নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** পয়গম্বৰ হজৰত মহম্মদৰ সন্দৰ্ভত বিজেপিৰ বহিষ্কৃত নেত্ৰী নূপুৰ শৰ্মাই মন্তব্য কৰি দেশজুৰি বিতৰ্কৰ সৃষ্টি কৰিছিল। এই মন্তব্যৰ পৰিপ্ৰেক্ষিতত নূপুৰক গ্ৰেপ্তাৰৰ দাবীও উত্থাপন হৈছিল। কিন্তু আজি উচ্চতম ন্যায়ালয়ে প্ৰত্যাখ্যান কৰিলে বহিষ্কৃত বিজেপি নেত্ৰীৰ গ্ৰেপ্তাৰৰ এই আবেদন। যোৱা জুলাইত নূপুৰৰ বিৰুদ্ধে দাখিল হোৱা অভিযোগৰ প্ৰতিক্ৰিয়াত আজি সৰ্বোচ্চ ন্যায়ালয়ে কয় যে বিজেপিৰ প্ৰাক্তন নেত্ৰীৰ বিৰুদ্ধে কোনো দমনমূলক পদক্ষেপ গ্ৰহণ কৰা সম্ভৱ নহয়। উল্লেখ্য যে পয়গম্বৰ সন্দৰ্ভত আপত্তিকৰ মন্তব্য প্ৰকাশ কৰাৰ পাছতে বিজেপিয়ে ছবছৰৰ বাবে নূপুৰক নিলম্বিত ঘোষণা কৰিছিল। এই বিতৰ্কিত গোচৰত অৱশেষত সৰ্বোচ্চ ন্যায়ালয়ত সকাহ লাভ কৰিলে বিজেপিৰ নিলম্বিত নেত্ৰীগৰাকীয়ে।

## ৫২ বছৰ বয়সত এইজন ব্যক্তি উত্তীৰ্ণ হ'ল নীট পৰীক্ষাত



**নিউজ ব্যুৰ', আহমেদাবাদ, ৯ ছেপ্টেম্বৰ ঃ** চিকিৎসক হোৱাৰ দীৰ্ঘদিনীয়া স্বপ্ন পূৰণৰ সুযোগ অৱশেষত লাভ কৰিলে প্ৰদীপ কুমাৰ সিং নামৰ ৫২ বছৰীয়া এজন ব্যক্তিয়ে। তিনি দশক পূৰ্বে সক্ৰিয় শিক্ষাৰ্থীৰ জীৱন ত্যাগ কৰাৰ পাছতো বডাকদেভ নিবাসী পেছাত ব্যৱসায়ী সিঙে সদ্যঘোষিত চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষা নীটত ৭২০ নম্বৰৰ ভিতৰত লাভ কৰিলে ৬০৭ নম্বৰ। নীটত সফলতা লাভৰ পাছত সিঙে কয়, '৫২ বছৰ বয়সত মই নীটত ৯৮.৯৮ পাৰ্চেনটাইল লাভ কৰিলো। মেডিকেল কলেজত নামভৰ্তি কৰাৰ মোৰ কোনো উদ্দেশ্য নাই। মই নীট পৰীক্ষাত অৱতীৰ্ণ হৈছিলো এইবাবে যাতে মই দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নীটৰ বিনামূলীয়া ক'চিং প্ৰতিষ্ঠান এটা স্থাপন কৰিব পাৰো।' উল্লেখ্য যে সিঙক নীটৰ প্ৰস্তুতিৰ বাবে এম বি বি এছ পাঠ্যক্ৰমৰ তৃতীয় বৰ্ষত অধ্যয়নৰত তেওঁৰ পুত্ৰয়ো বিশেষ সহায় কৰিছিল। ১৯৮৭ত দ্বাদশৰ পৰীক্ষাত সিঙে ৭১ শতাংশ নম্বৰসহ উত্তীৰ্ণ হৈছিল আৰু পৰৱৰ্তী সময়ত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিৰ স্নাতক ডিগ্ৰী আৰু দিল্লী স্কুল অৱ ইক'নমিক্সৰ পৰা বিজনেছ ইক'নমিক্সত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰিছিল। প্ৰথমতে বিভিন্ন বাণিজ্যিক পত্ৰিকাত কৰ্মৰত হোৱা সিঙে পৰৱৰ্তী সময়ত নিজাববীয়া ব্যৱসায় আৰম্ভ কৰিছিল। নীটত সফলতা লাভৰ পাছত সিঙে এতিয়া এখন নিজা নীট ক'চিং প্ৰতিষ্ঠান স্থাপন কৰিব আৰু এই প্ৰতিষ্ঠানত দৰিদ্ৰ শিক্ষাৰ্থীক মেডিকেল পাঠ্যক্ৰমত নামভৰ্তি পৰীক্ষাৰ বাবে প্ৰশিক্ষণ বিনামূল্যে প্ৰদান কৰিব।

## ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড আক্ৰান্ত হ'ল ৬০৯৩ জন লোক



**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** এসপ্তাহৰ সকাহৰ পাছত পুনৰ দেশত ক'ভিডৰ দৈনিক সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিলে। চলিত সপ্তাহৰ মাজভাগৰ পৰা ক্ৰমে উৰ্ধ্বমুখী হ'বলৈ ধৰিছে দেশৰ ক'ভিডৰ সংক্ৰমণৰ ৰেখাচিত্ৰ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত মুঠ ৬০৯৩ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। এই মুহূৰ্তত ভাৰতত ৪৯ হেজাৰ ৬৩৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডত প্ৰাণ হেৰুৱালে ১৬ জন লোকে।

## ১২৬ দিনত ১১ লাখ তীৰ্থযাত্ৰীৰ কেডাৰনাথ দৰ্শন



**নিউজ ব্যুৰ', ৰুদ্ৰপ্ৰয়াগ, ৯ ছেপ্টেম্বৰ ঃ** কেডাৰনাথ মন্দিৰ দৰ্শনৰ ক্ষেত্ৰত তীৰ্থযাত্ৰীয়ে বিগত তিনি বছৰৰ অভিলেখ ভংগ কৰিলে। বিগত ১২৬ দিনত ১১ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে কেডাৰনাথ বাবাৰ মন্দিৰ দৰ্শন কৰিলে। ইয়াৰ পূৰ্বে ২০১৯ত সৰ্বাধিক ১০ লাখ তীৰ্থযাত্ৰীয়ে কেডাৰনাথ দৰ্শন কৰিছিল। ৰুদ্ৰপ্ৰয়াগ জিলাৰ দণ্ডাধীশ ময়ুৰ দীক্ষিতে প্ৰকাশ কৰা অনুসৰি চলিত বৰ্ষত অভিলেখ সংখ্যক তীৰ্থযাত্ৰীয়ে কেডাৰনাথ দৰ্শন কৰিছে। ২০২০ আৰু ২০২১ত কৰ'না সংক্ৰমণৰ ফলত কেডাৰনাথ যাত্ৰা প্ৰভাৱিত হৈছে। দুবছৰৰ পাছত এইবাৰ কেডাৰনাথ দৰ্শনৰ বাবে সৰ্বাধিক সংখ্যক তীৰ্থযাত্ৰীয়ে ভিৰ কৰিছে। আগন্তুক ডেৰমাহলৈকে কেডাৰনাথ যাত্ৰা অব্যাহত থাকিব আৰু এইবাৰ বাবাৰ দৰ্শনাৰ্থীৰ সংখ্যা ১৩ লাখৰো অধিক হোৱাৰ সম্ভাৱনা আছে।

## হাথৰছ গোচৰত সাংবাদিক কপ্পনক দুবছৰৰ পাছত জামিনত মুক্তি



**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** বহুচৰ্চিত হাথৰছ গোচৰত হিংসা বিয়পোৱাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ফটো সাংবাদিক ছিদ্দিকী কপ্পনৰ জামিন আবেদন অৱশেষত মঞ্জুৰ কৰিলে উচ্চতম ন্যায়ালয়ে। ২০২০ত সাংবাদিকজনক উত্তৰ প্ৰদেশ আৰক্ষীয়ে হাথৰছ কাণ্ডত গ্ৰেপ্তাৰ কৰিছিল। কপ্পনৰ বিৰুদ্ধে হাথৰছ কাণ্ডৰ পাছত হিংসা সৃষ্টিৰ অপচেষ্টা চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল। আজি সৰ্বোচ্চ ন্যায়ালয়ে কপ্পনক জামিনত মুক্তি দিবলৈ নিৰ্দেশ দিলে। আদালতে জামিন আবেদন মঞ্জুৰ কৰি কয় যে জামিনৰ পাছত ছয়সপ্তাহ কপ্পনে দিল্লীত থাকিব লাগিব আৰু ইয়াৰ পাছত তেওঁ কেৰালাৰ ঘৰলৈ যাব পাৰিব। এই সময়ছোৱাত কপ্পনে স্থানীয় থানাত হাজিৰা দিব লাগিব।

### আমেৰিকাত সাত বছৰ পূৰ্বে ৭১ শতাংশ কিশোৰে ব্যৱহাৰ কৰিছিল ফে'চবুক, বৰ্তমানে ব্যৱহাৰকাৰী ৩২ শতাংশ

## পশ্চিম বিশ্বত হ্ৰাস পাইছে সামাজিক মাধ্যমৰ জনপ্ৰিয়তা

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৯ ছেপ্টেম্বৰ ঃ** আমেৰিকাসহ পশ্চিম বিশ্বত ফে'চবুকৰ দৰে সামাজিক মাধ্যমৰ জনপ্ৰিয়তা দ্ৰুত হ্ৰাস পাইছে। 'জেনেৰেচন জেড' অৰ্থাৎ ১৯৯৭ৰ পৰা ২০১২ সময়ছোৱাত জন্মলাভ কৰা প্ৰজন্মৰ লোকে এতিয়া সামাজিক মাধ্যমত বিশেষকৈ ফে'চবুকত নিয়মিতভাৱে সক্ৰিয়তা প্ৰদৰ্শন নকৰে। এই প্ৰজন্মৰ মাজত সম্প্ৰতি পশ্চিম বিশ্বত 'ভাৰ্চুৱেল জগত'ৰ প্ৰতি আকৰ্ষণ ক্ৰমে হ্ৰাস পাইছে। ইয়াৰ বিপৰীতে ১৯৮১ৰ পৰা ১৯৯৬ৰ সময়ছোৱাত জন্মলাভ কৰা আৰু বৰ্তমানে ২৬-৪১ বছৰীয়া বয়সৰ লোকসকলে ফে'চবুকৰ দৰে সামাজিক মাধ্যমৰ নিয়মীয়া ব্যৱহাৰ কৰিছে। 'পিউ ৰিচাৰ্চ চেণ্টাৰ'ৰ নতুন সমীক্ষা অনুসৰি, আমেৰিকাত সম্প্ৰতি ১৩-১৭ বছৰ বয়সীয়া কিশোৰ প্ৰজন্মৰ মাত্ৰ ৩২ শতাংশইহে নিয়মিতভাৱে ফে'চবুক ব্যৱহাৰ কৰে। ২০১৪-১৫ৰ সময়ছোৱাত আমেৰিকাত ৭১ শতাংশ কিশোৰ-কিশোৰীয়ে নিয়মীয়াভাৱে ফে'চবুক ব্যৱহাৰ কৰিছিল। সেই সময়ত



এইসকল মাৰ্কিন নৱ প্ৰজন্মই ইনষ্টাগ্ৰাম আৰু স্নেপচেটৰো ব্যৱহাৰ কৰিছিল। আমেৰিকাত সামাজিক মাধ্যম ব্যৱহাৰকাৰী কিশোৰৰ সংখ্যা বিগত পাঁচ বছৰ ধৰি অৱনমিত হ'বলৈ ধৰিছে।

প্ৰকাশিত বাতৰি অনুসৰি, বিগত কে'বা বছৰ ধৰি সামাজিক মাধ্যমৰ পৰা ডেটা চুৰি কৰা ঘটনা বৃদ্ধি পোৱাৰ ফলত মাৰ্কিন 'জেনেৰেচন জেড'ৰ মাজত সামাজিক মাধ্যমৰ প্ৰতি আকৰ্ষণ হ্ৰাস পাইছে। অৱশ্যে ফে'চবুকৰ প্ৰতি সম্প্ৰতি মাৰ্কিন যুৱ প্ৰজন্মৰ মাজত ইনষ্টাগ্ৰামৰ ব্যৱহাৰ অধিক জনপ্ৰিয় হৈছে। ইনষ্টাগ্ৰামত সম্প্ৰতি ৬২ শতাংশ কিশোৰ-কিশোৰী সক্ৰিয় হৈ আছে। অৱশ্যে এইসকল যুৱ প্ৰজন্মই ইনষ্টাগ্ৰামো নিয়মীয়াৰূপে ব্যৱহাৰ নকৰে। সম্প্ৰতি সামাজিক মাধ্যম ব্যৱহাৰকাৰীসকলৰ সৰহ সংখ্যকে কেৱল নিজা ভিডিঅ' শ্বেয়াৰ কৰাৰ বাবে ইনষ্টাগ্ৰামৰ দৰে এপৰ ব্যৱহাৰ কৰিবলৈ ধৰিছে। একে সময়তে বিশ্বজুৰি ইউটিউবৰ ব্যৱহাৰ আৰু জনপ্ৰিয়তাও বৃদ্ধি পাইছে। ফে'চবুকতো সৰহ সংখ্যক একাউণ্ট ধাৰকে সম্প্ৰতি ভিডিঅ' অধিক শ্বেয়াৰ কৰা হৈছে। পিউ ৰিচাৰ্চ চেণ্টাৰৰ অধ্যয়নত উল্লেখ কৰা মতে, সাত বছৰ পূৰ্বে আমেৰিকাত ৭১ শতাংশ কিশোৰ-কিশোৰীয়ে ফে'চবুক ব্যৱহাৰ কৰাৰ বিপৰীতে সম্প্ৰতি দেশখনত ফে'চবুক ব্যৱহাৰকাৰী নৱ প্ৰজন্মৰ সংখ্যা ৩২ শতাংশলৈ হ্ৰাস পালে। পিউ ৰিচাৰ্চ চেণ্টাৰে ২৫ বছৰ বয়সলৈকে লোকক সামৰি এই বিষয়ত অধ্যয়নটো চলাইছিল।

## মানৱ বিকাশ সূচকাংকত ১৩২ স্থানত ভাৰত



**নিউজ ব্যুৰ' নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰসংঘৰ বিকাশ কাৰ্যসূচী (ইউ এন ডি পি)ৰ শেহতীয়া এক প্ৰতিবেদন অনুসৰি, ২০২১ বৰ্ষত মানৱ বিকাশ সূচকাংকত ভাৰতে ১৯১ দেশৰ ভিতৰত ১৩২ সংখ্যক স্থান লাভ কৰিলে। ২০২০ বৰ্ষত মানৱ বিকাশ সূচকাংকত বিশ্বৰ ১৮৯ দেশৰ তালিকাত ভাৰতে ১৩৯ সংখ্যক স্থান লাভ কৰিছিল। মানৱ বিকাশৰ ক্ষেত্ৰত ভাৰতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'ব পৰা নাই বুলি প্ৰতিবেদনত ইউ এন ডি পিয়ে দাবী কৰিছে। কোনো ৰাষ্ট্ৰৰ স্বাস্থ্য, শিক্ষা আৰু গড় আয় নিৰ্ণয়ৰ দৃষ্টিৰে মানৱ বিকাশৰ ক্ষেত্ৰত ভাৰতত একেৰাহে দুবছৰ অৰ্থাৎ ২০২০ আৰু ২০২১ বৰ্ষত অৱনতি অব্যাহত আছে। ইউ এন ডি পিৰ একেখন প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি ২০২০ৰ পূৰ্বৰ পাঁচ বছৰত মানৱ বিকাশৰ সূচকাংকৰ ক্ষেত্ৰত ভাৰতে কাংক্ষিত বিকাশ অৰ্জন কৰিবলৈ সফল হৈছে।

## ১২ মাহ যাবলৈ দিয়ক ঃ বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশক প্ৰত্যুত্তৰ দিলে নিৰ্বাচন ৰণনীতিজ্ঞ কিশোৰে

**নিউজ ব্যুৰ', পাটনা, ৯ ছেপ্টেম্বৰ ঃ বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ মুৰব্বী নীতিশ কুমাৰক প্ৰত্যুত্তৰ দিলে নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰে। বিহাৰৰ মুখ্যমন্ত্ৰীৰ মন্তব্যৰ উত্তৰ দি নীতিশক কটাক্ষ কৰি কিশোৰে কয়, '১২ টা মাহ যাবলৈ দিয়ক, তাৰ পাছত কোনে 'এবিচি' জানে আৰু কোন 'এক্সৰাইজেড', সেই প্ৰশ্ন আমি কৰিম।' উল্লেখ্য যে সম্প্ৰতি নীতিশে মন্তব্য কৰি কৈছিল যে প্ৰশান্ত কিশোৰে বিহাৰ চৰকাৰৰ কাম-কাজৰ 'এবিচি'**



একো নাজানে। নীতিশৰ এই মন্তব্যৰ প্ৰত্যুত্তৰ দি নিৰ্বাচন ৰণনীতিজ্ঞজনে মন্তব্য কৰি কয় যে কোনে এবিচি জানে আৰু কোনে নাজানে সেয়া আগন্তুক ১২ মাহৰ পাছতে স্পষ্ট হ'ব। উল্লেখ্য যে নীতিশে এনডিএ ত্যাগ কৰি আৰজেডিৰ সমৰ্থনত নতুন চৰকাৰ গ্ৰহণ কৰাৰ পাছতে কিশোৰে নিজৰ টুইটাৰ সন্দৰ্ভত বিহাৰবাসীক উদ্দেশি এইদৰে টুইট কৰিছিল, 'বিগত ১০ বছৰত চৰকাৰ গঠনৰ বাবে এয়া নীতিশ কুমাৰৰ ষষ্ঠ পৰীক্ষা। আপোনালোকে ভাবে নে বিহাৰ আৰু বিহাৰৰ জনগণৰ বাবে এইবাৰ কিবা উপকাৰ সাধন হ'ব?'

## তৃণমূল কংগ্ৰেছৰ ১৯ নেতা-মন্ত্ৰীৰ সম্পত্তি বৃদ্ধিৰ গোচৰত স্থগিতাদেশ উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** তৃণমূল কংগ্ৰেছৰ ১৯ জন নেতা-মন্ত্ৰীৰ সম্পত্তি বৃদ্ধিৰ গোচৰ ৰুজু হৈছিল কলকাতা উচ্চ ন্যায়ালয়ত। এই গোচৰত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ক পক্ষ কৰাৰ নিৰ্দেশ দিছিল উচ্চ ন্যায়ালয়ে। এই নিৰ্দেশক প্ৰত্যাহ্বান জনাই তৃণমূল কংগ্ৰেছৰ বিধায়ক স্বৰ্ণকমল সাহাই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। সাহাৰ আবেদনৰ শুনানি গ্ৰহণ কৰি আজি এই গোচৰত স্থগিতাদেশ জাৰি কৰিলে দেশৰ সৰ্বোচ্চ আদালতে। শুকুৰবাৰে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ইউ ইউ ললিতৰ বিচাৰপীঠে তৃণমূল কংগ্ৰেছৰ ১৯ জন নেতা-মন্ত্ৰীৰ সম্পত্তি বৃদ্ধিৰ গোচৰত এই স্থগিতাদেশ জাৰি কৰিলে।

## 'ভাৰত জোড়ো' অভিযানত ব্যস্ত ৰাহুলৰ এইবাৰ টি-ছাৰ্টক লৈ চৰ্চা সামাজিক মাধ্যমত

**নিউজ ব্যুৰ' নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে সম্প্ৰতি কন্যাকুমাৰীৰ পৰা আৰম্ভ কৰা 'ভাৰত জোড়ো' অভিযানত ব্যস্ত আছে। এই অভিযানৰ জৰিয়তে শতাধিক লোকৰ স'তে ৰাহুলে ১২ খন ৰাজ্যত ৩৫৭০ কিলোমিটাৰ পথ পদযাত্ৰা কৰিব। ১৫০ দিনীয়া পদযাত্ৰাৰ আজি তৃতীয়টো দিন আছিল। ৰাহুলে এই পদযাত্ৰাত অংশ



লোৱাৰ পাছতে কংগ্ৰেছ সাংসদজনৰ সাজ-পোছাকক লৈ সামাজিক মাধ্যমত এক চৰ্চা অব্যাহত আছে। এইবাৰ বিজেপিয়ে 'ভাৰত জোড়ো' অভিযানত ৰাহুলে পৰিধান কৰা এটা টি-ছাৰ্টক লৈ কটাক্ষ কৰিলে। বিজেপিয়ে দাবী কৰা অনুসৰি, নিজকে অতি সাধাৰণ মানুহ বুলি দাবী কৰি অহা ৰাহুলে এই পদযাত্ৰাত পৰিধান কৰা বগা টি-ছাৰ্টৰ মূল্য আছিল ৪১,২৫৭ টকা। বিজেপি নেতাই ৰাহুলে পৰিধান কৰা উক্ত টি-ছাৰ্টৰ লগতে অনলাইনত বিক্ৰী হোৱা একে ব্ৰেণ্ডৰ টি-ছাৰ্টৰ মূল্যৰ ফটো সামাজিক মাধ্যমত শ্বেয়াৰ কৰিছে। উল্লেখ্য যে এদিন পূৰ্বে এই পদযাত্ৰাত ৰাহুলে পৰিধান কৰা জোতাযোৰ চৰ্চিত হৈছিল। ৰাহুলে এছিক্স ব্ৰেণ্ডৰ এযোৰ স্নীকাৰ পিন্ধি 'ভাৰত জোড়ো' পদযাত্ৰাত অংশ লৈছে আৰু এই ব্ৰেণ্ডৰ জোতাৰ মূল্য কমেও ১৪-১৫ হেজাৰ টকা হয়।



## ২০২৪ত মাৰ্কিন ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ পুনৰ ইংগিত ট্ৰাম্পৰ

**নিউজ ব্যুৰ', নিউ জাৰ্চি, ৯ ছেপ্টেম্বৰ ঃ** ২০২৪ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতা বিচাৰে প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। টেলিভিছনৰ এক সাক্ষাৎকাৰত ৰিপাব্লিকান নেতাজনে এই ইচ্ছা ব্যক্ত কৰি এনেদৰে ক'লে, 'সকলোৱে বিচাৰে মই যাতে আকৌ উভতি আহো। কিয়নো এতিয়াও মোৰ জনপ্ৰিয়তা আন নেতাতকৈ যথেষ্ট বেছি। সেয়া ৰিপাব্লিকান পাৰ্টিয়ে হওক বা আন কোনো দল।'

## নীতিশ, অখিলেশ, হেমন্ত, আমি সকলো বন্ধু একত্ৰিত হ'লো, এতিয়া 'খেলা হবে' ২০২৪ত ঃ হুংকাৰ মমতাৰ



**নিউজ ব্যুৰ', কলকাতা, ৯ ছেপ্টেম্বৰ ঃ** পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীৰ কলকাতাৰ নেতাজী ইনড'ৰ ষ্টেডিয়ামৰ মঞ্চৰ পৰা বিজেপিত ২০২৪ৰ ক্ষমতাচ্যুত কৰাৰ হুংকাৰ দিলে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে বিজেপিক প্ৰত্যাহ্বান জনাই কয় যে ২০২৪ৰ লোকসভাৰ নিৰ্বাচনত সবাতোকৈ ডাঙৰ 'খেলা হ'বে'। বিজেপিত কেন্দ্ৰত ক্ষমতাচ্যুত কৰিবলৈ বিৰোধী শিবিৰ একত্ৰিত হোৱা বুলি দাবী কৰি মমতাই কয়, 'এনে খেলা খেলিম, বিজেপি বাবুসকলে বুজিব যে ঠেলাৰ নাম বাবাজী। বাংলাৰ ময়দানৰ পৰাই আৰম্ভ হ'ব খেলা। এতিয়া আমি সকলোৱে একত্ৰিত হ'ম। নীতিশজী, অখিলেশ, হেমন্ত আৰু মই একেলগে আছো। আমাৰ বন্ধুসকলো আছে। সকলো বন্ধু একেলগ হৈ বিজেপিক পৰাভূত কৰিম। এটাই পণ—বিজেপিৰ বিৰুদ্ধে যুঁজ, কেৱল যুঁজ। পুনৰ খেলা হ'ব ২০২৪ত। বিজেপিয়ে তেতিয়াহে বুজি পাব।'

## দিল্লীত চাৰি মহলীয়া জৰাজীৰ্ণ অট্টালিকা খহি নিহত কমেও তিনিজন



**নিউজ ব্যুৰ', নতুন দিল্লী, ৯ ছেপ্টেম্বৰ ঃ দিল্লীৰ আজাদ নগৰত আজি পুৱাতে এটা চাৰিমহলীয়া অট্টালিকা হঠাতে খহি পৰাত কমেও তিনিজন লোকৰ মৃত্যু হয়। এই ঘটনাত আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হৈছে। ঘটনা সংঘটিত হোৱাৰ পাছতে উদ্ধাৰকাৰীয়ে ঘটনাস্থলীত উদ্ধাৰ অভিযান আৰম্ভ কৰে। শুকুৰবাৰে দুপৰীয়ালৈকে পাঁচজন আহতক উদ্ধাৰ কৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। উদ্ধাৰকাৰী কৰ্মীয়ে প্ৰকাশ কৰা অনুসৰি অট্টালিকাৰ ধ্বংসস্তুপৰ মাজত কে'বাজনো লোক আবদ্ধ থকাৰ সম্ভাৱনা আছে। অট্টালিকাটো জৰাজীৰ্ণ অৱস্থাত আছিল আৰু আজি পুৱাতে হঠাতে বাগৰি পৰে।**

## পাৰমাণৱিক অস্ত্ৰধাৰী দেশ উত্তৰ কোৰিয়া ঃ ঘোষণা কীমৰ

**নিউজ ব্যুৰ', পিয়ংইয়ং, ৯ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰে উদ্বেগ বৃদ্ধি কৰি নিজকে পাৰমাণৱিক অস্ত্ৰধাৰী দেশ বুলি ঘোষণা কৰিলে উত্তৰ কোৰিয়াই। আজি উত্তৰ কোৰিয়াই এই সন্দৰ্ভত এখন আইনত অনুমোদন জনালে। এই আইনত উল্লেখ কৰা অনুসৰি এতিয়াৰে পৰা উত্তৰ কোৰিয়া বিশ্বত এখন পাৰমাণৱিক অস্ত্ৰধাৰী দেশ হিচাপে পৰিচিত হ'ব। এই বিষয়ত উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে ঘোষণা কৰি কয় যে দেশখনে গ্ৰহণ কৰা এই সিদ্ধান্ত কোনো পৰিস্থিতিতে সলনি কৰা নহ'ব। কীমে লগতে কয় যে পাৰমাণৱিক নিৰস্ত্ৰীকৰণৰ বিষয়ত উত্তৰ কোৰিয়াই কোনো আলোচনাত অংশ লোৱাৰ সম্ভাৱনা নাই। আজি গৃহীত হোৱা আইনত উল্লেখ কৰা অনুসৰি যিকোনো পৰিস্থিতিত আত্মৰক্ষাৰ বাবে উত্তৰ কোৰিয়াই আন দেশত পাৰমাণৱিক আক্ৰমণ চলাব পাৰে। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ নিয়ম অমান্য কৰি দীৰ্ঘদিন ধৰি উত্তৰ কোৰিয়াই পাৰমাণৱিক যুদ্ধাস্ত্ৰৰ পৰীক্ষা চলাই আহিছে।



## সাধাৰণ নাগৰিকৰ পাছত আমেৰিকাত এইবাৰ ভাৰতীয় মূলৰ সাংসদক স্বদেশলৈ উভতি যাবলৈ ফোনযোগে দিলে ভাবুকি

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৯ ছেপ্টেম্বৰ ঃ** আমেৰিকাত ভাৰতীয় মূলৰ ব্যক্তিৰ বিৰুদ্ধে শেহতীয়াভাৱে অপ্ৰীতিকৰ ঘটনা বৃদ্ধি পাইছে। সাধাৰণ ভাৰতীয় নাগৰিকৰ পাছত এইবাৰ ভাৰতীয় মূলৰ আমেৰিকাৰ সাংসদ প্ৰমিলা জয়পালক ফোনযোগে ভাবুকি দিলে অজ্ঞাত পৰিচয় ব্যক্তিয়ে। জয়পালে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, এজন ব্যক্তিয়ে তেওঁলৈ ফোন কৰি অশালীন কথা কোৱাৰ লগতে ভাৰতলৈ উভতি যাবলৈ ভাবুকি দিছিল। চেন্নাইত জন্মলাভ কৰা মাৰ্কিন সাংসদ জয়পালে সামাজিক মাধ্যমত পাঁচটা অডিঅ' ক্লিপ শ্বেয়াৰ কৰি তেওঁ লাভ কৰা ভাবুকিৰ বিষয়ে সবিশেষ প্ৰকাশ কৰিলে। উক্ত ফোনকলত এজন ব্যক্তিয়ে ভাৰতীয় মূলৰ মাৰ্কিন সাংসদগৰাকীক স্বদেশলৈ উভতি যাবলৈ ধমক দিয়াৰ লগতে অন্যথা বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব বুলি ভাবুকি দিছিল। যোৱা ২৬ আগষ্টত টেক্সাছত এগৰাকী ভাৰতীয় মূলৰ মহিলাক শ্বেতাংগ মহিলাই ৰাজহুৱা স্থানত গালিগালাজ কৰাৰ লগতে অপমানিত কৰিছিল। ভাৰতীয় মূলৰ লোকৰ বিৰুদ্ধে শেহতীয়াভাৱে আমেৰিকাত এনে ধৰণৰ বৰ্ণবিদ্বেষমূলক ঘটনা বৃদ্ধি পাইছে।





## সমালোচকৰ প্ৰশংসাৰ লগতে দৰ্শকৰো সঁহাৰি লভিলে ৰণবীৰ, আলিয়াৰ 'ব্ৰহ্মাস্ত্ৰ'ই

**নিউজ ব্যুৰ', মুম্বাই, ৯ ছেপ্টেম্বৰ ঃ ৰণবীৰ কপুৰ আৰু আলিয়া ভাট অভিনীত 'ব্ৰহ্মাস্ত্ৰ'ই অৱশেষত চিত্ৰগৃহত মুক্তি লাভ কৰিলে। বলিউডত তথাকথিত ছবি বৰ্জন অভিযান অব্যাহত থকাৰ পাছতো মুক্তিৰ দিনা চিত্ৰগৃহত দৰ্শকৰ সঁহাৰি লাভ কৰিবলৈ সফল হ'ল 'ব্ৰহ্মাস্ত্ৰ'ই। দীৰ্ঘদিন বিৰতিৰ পাছত বলিউডৰ এইখন ছবি দৰ্শন কৰিবলৈ দেশৰ প্ৰায়বোৰ মাল্টিপ্লেক্সত ভিৰ কৰিলে দৰ্শকে। চলচ্চিত্ৰ বাণিজ্যিক বিশ্লেষকৰ মতে, শুকুৰবাৰে চিত্ৰগৃহত 'ব্ৰহ্মাস্ত্ৰ'ই ২২-২৫ কোটি টকা সংগ্ৰহ কৰাৰ সম্ভাৱনা আছে। অয়ন মুখাৰ্জী পৰিচালিত 'ব্ৰহ্মাস্ত্ৰ'ই প্ৰথমদিনা দৰ্শকৰ সঁহাৰি লাভ কৰাৰ লগতে চলচ্চিত্ৰ সমালোচকৰো প্ৰশংসা লভিলে।** একাংশ সমালোচকে ছবিখনক 'চাৰি' ৰেটিং দিয়াৰ বিপৰীতে আন একাংশই তিনি আৰু চাৰে তিনি ৰেটিং দিছে। সমালোচকসকলে উল্লেখ কৰা অনুসৰি, 'ব্ৰহ্মাস্ত্ৰ'ৰ মূল সম্পদ হৈছে ৰণবীৰ-আলিয়াৰ অপূৰ্ব অভিনয়। তদুপৰি ছবিখনৰ ভি এফ এক্স যথেষ্ট উন্নতমানৰ হৈছে। 'ব্ৰহ্মাস্ত্ৰ'ৰ আন এক আকৰ্ষণ হৈছে অমিতাভ বচ্চন, শ্বাহৰুখ খানৰ দৰে মহাতাৰকাৰ সমাৱেশ। ৪০০ কোটি টকাৰ বাজেটৰে তৈয়াৰ কৰা ছবিখনে বলিউডলৈ এক আশা কঢ়িয়াই আনিলে।

## নাহৰকটীয়াত আছুকে ধৰি বিভিন্ন দল-সংগঠনৰ সুধাকণ্ঠলৈ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৯ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্ম জয়ন্তী উপলক্ষে কালি সন্ধিয়া নাহৰকটীয়াত বিভিন্ন দল-সংগঠনে শ্ৰদ্ধাঞ্জলি জনায়। নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাই আছুৰ কাৰ্যালয়ৰ সন্মুখত আয়োজন কৰে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটিৰ মুখ্য প্ৰজ্বলক হিচাপে সুধাকণ্ঠৰ ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন ছাত্ৰ নেতা তথা অৱসৰপ্ৰাপ্ত শিক্ষক বিষ্ণু কমল ডেকাই। নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ নৱনিৰ্বাচিত সভাপতি ত্ৰিদীপ শইকীয়া আৰু সাধাৰণ সম্পাদক নিপু ভূঞাই আঁত ধৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেশ নাহৰ ডেকা, অৱসৰ প্ৰাপ্ত শিক্ষক বিষ্ণু কমল ডেকা, বিশিষ্ট শিল্পী কমল মজুমদাৰ, ক্ৰীড়া সংগঠক চিকুণ সোণোৱাল, আছু নাহৰকটীয়া আঞ্চলিকৰ উপদেষ্টা বিতোপন গগৈ, প্ৰাঞ্জল প্ৰতীম গগৈকে ধৰি আছুৰ বিষয়ববীয়াসকল, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, আটছা, আগছু, আছাকে ধৰি বিভিন্ন জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ বিষয়ববীয়া তথা নাহৰকটীয়া অঞ্চলৰ শিক্ষাগুৰুসকল, গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। ইফালে, নাহৰকটীয়া জয়পুৰ তিনিআলিত অসম জাতীয় পৰিষদৰ নাহৰকটীয়া সমষ্টি সমিতিৰ উদ্যোগত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

## হাজোত ফিজিঅ'থেৰাপি সজাগতা শিবিৰ সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ৯ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজোৰ বিষ্ণুপুৰ নতুন বজাৰস্থিত ব্যক্তিগত মাধ্যমৰ উন্নত সা-সুবিধাৰে প্ৰতিষ্ঠিত ডাইনেমিক ফিজিঅ'থেৰাপি চেণ্টাৰ আৰু ডাক্তৰছ চেম্বাৰত বিশ্ব ফিজিঅ'থেৰাপি দিৱস উপলক্ষে সদৌ অসম ফিজিঅ'থেৰাপি সংস্থা (আপা)ৰ সহযোগিতাত কালি এটি ফিজিঅ'থেৰাপি সজাগতা শিবিৰ অনুষ্ঠিত হয়। হাজোৰ ডাইনেমিক ফিজিঅ'থেৰাপি চেণ্টাৰ আৰু ডাক্তৰছ চেম্বাৰৰ উদ্যোগত আয়োজন কৰা সজাগতা শিবিৰত আঁত ধৰে ডাঃ শংকৰজ্যোতি তালুকদাৰে। আজিৰ শিবিৰত বিশেষকৈ বয়োজ্যেষ্ঠ ব্যক্তিসকলৰ মানসিক-শাৰীৰিক বিকাশাৰ্থে চিকিৎসা বিজ্ঞানৰ ব্যৱহাৰিক দিশেৰে ফিজিঅ'থেৰাপী ব্যৱস্থাৰে সুস্বাস্থ্য গ্ৰহণৰ ওপৰত ল'বলগীয়া যতন সন্দৰ্ভত সাৱলীল বক্তব্য দাঙি ধৰে সদৌ অসম ফিজিঅ'থেৰাপী সন্থাৰ প্ৰচাৰ সম্পাদক ডাঃ প্ৰণৱ চক্ৰৱৰ্তী (পিটি), জ্যেষ্ঠ নাগৰিক শম্ভুৰাম দাস, সহকাৰী ফিজিঅ'থেৰাপিষ্ট কিশোৰ কুমাৰ বৰুৱা, ফাৰহানা আজমী, জ্যোতিৰূপা কলিতা, লাজিনা বেগম প্ৰমুখ্যে প্ৰায়সংখ্যক লোকে।

## চতিয়া জ্ঞান বিকাশ একাডেমীৰ প্ৰধান শিক্ষক যাদৱ বৰালৈ কৃতী শিক্ষক বঁটা

অগ্ৰদূত বাৰ্তা

**চতিয়া, ৯ ছেপ্টেম্বৰ ঃ** চতিয়া জ্ঞান বিকাশ একাডেমীৰ প্ৰধান শিক্ষক যাদৱ বৰাই জিলা কৃতী শিক্ষকৰ বঁটা লাভ কৰাত উৎফুল্লিত হৈ পৰিছে বিদ্যালয়খনৰ লগতে চতিয়াবাসী। ১৯৮৬ত দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা (অবৈতনিক) জীৱন আৰম্ভ কৰা বৰাই ১৯৮৭ত চতিয়া বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত (বৰ্তমান জ্ঞান বিকাশ একাডেমী) বিজ্ঞান শিক্ষকৰূপে অস্থায়ীভাৱে নিযুক্তি লাভ কৰি ১৯৮৯ত এই বিদ্যালয়তে স্থায়ী শিক্ষক পদত নিযুক্তি লাভ কৰে। ২০১৪ৰ পৰা বৰ্তমানলৈকে তেওঁ এই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰূপে কৰ্মৰত হৈ আছে। তেওঁ নিজৰ দায়িত্ব আৰু কৰ্তব্য সততা আৰু নিষ্ঠাৰে পালন কৰাৰ লগতে বিদ্যালয়খন সুন্দৰকৈ পৰিচালনা কৰি আহিছে। যোৱা পাঁচ ছেপ্টেম্বৰত বিশ্বনাথত এই বঁটা প্ৰদান কৰা হয়। কালি নিজ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে সম্বৰ্ধনা জনায়।

## চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত অৱসৰপ্ৰাপ্ত শিক্ষকৰ সম্বৰ্ধনা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ৯ ছেপ্টেম্বৰ ঃ** অহা ১৫ ছেপ্টেম্বৰত ১৬ গৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ ৰাজহুৱা সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰিছে চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীয়ে। চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা সমিতিৰ সভাপতি ৰফিকুল ইছলাম আৰু সম্পাদক অভিজিত শৰ্মাই জনাইছে যে সেইদিনা চাপৰ প্ৰগতি সংঘ ভৱন প্ৰেক্ষাগৃহত দিনৰ ১২-৩০ বজাত চাপৰ-শালকোচা শিক্ষা খণ্ডৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত ১৬ গৰাকী শিক্ষক- শিক্ষয়িত্ৰীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হ'ব। শিক্ষক সংগঠনটোৰ নেতা দুগৰাকীয়ে জনোৱা মতে, সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী যথাক্ৰমে সম্বাৰী ৰায়, আব্দুল মজিদ তালুকদাৰ, নজৰুল ইছলাম, প্ৰদীপ কুমাৰ দাস, চানু বালা পাঠক, ঘুমাৰ আলী, মনিল মণিদাস, সুধন্ব চৌধুৰী, দিলীপ কুমাৰ দাস, আৰতি শৰ্মা, জয়নাল আৱেদিন সেখ, ইশ্ৰাফিল আহমেদ, সুমাৰ আলী শেখ আৰু মৰণোত্তৰভাৱে নিমাই নমঃ দাস, ভৈৰৱ চন্দ্ৰ দাস আৰু দেৱজিৎ চৌধুৰীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হ'ব । চাপৰৰ চক্ৰ বিষয়া কবিতা ডেকা, চাপৰ-শালকোচাৰ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সম্ৰাট ব্ৰহ্ম, সহকাৰী পৰিদৰ্শক জিন্না আলম, খণ্ড সমল ব্যক্তি উৎপল কলিতা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি ভাষণ প্ৰদান কৰিবলগীয়া এই অনুষ্ঠানত সকলো শ্ৰেণীৰ শিক্ষক-শিক্ষয়িত্ৰীক উপস্থিত থাকিবলৈ চাপৰ চক্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি আব্দুল হাসেম আৰু সম্পাদক আব্দুল মালেকে আহ্বান জনাইছে।

## দেৰগাঁৱৰ বিশিষ্ট সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত অজিত দাসৰ পৰলোক

**দেৰগাঁও, ৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱৰ বিশিষ্ট সমাজ কৰ্মী, দেৰগাঁও এফচিআইৰ সমীপৰ বাসিন্দা, অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত অজিত চন্দ্ৰ দাস (৭২)ৰ কালি আকস্মিকভাৱে মৃত্যু হয়। ২০০৯ত যোৰহাটৰ পৰা অতিৰিক্ত উপায়ুক্তৰূপে অৱসৰ গ্ৰহণ কৰা দাসে একালত যোৰহাট জে বি কলেজৰ অধ্যাপকৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ পাছত অসামৰিক সেৱাত যোগদান কৰি দেৰগাঁৱকে ধৰি বিভিন্ন স্থানত ৰাজহ চক্ৰ বিষয়াৰূপে নিষ্ঠাৰে কাৰ্যনিৰ্বাহ কৰি পাছলৈ অতিৰিক্ত উপায়ুক্ত পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। দেৰগাঁও ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি, জ্যেষ্ঠ নাগৰিক সন্মিলন, পেঞ্চনাৰ সন্থা আদিৰ প্ৰাক্তন সভাপতি, কে'বাখনো শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিৰ সভাপতিৰ উপৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত তেওঁ ঘনিষ্ঠভাৱে জড়িত আছিল। স্পষ্টবাদী, নিৰ্ভীক, সৰবৰহী নাগৰিকজনে মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, এগৰাকী কন্যা আৰু বহুতো আত্মীয়ক এৰি যায়। তেওঁৰ মৃত্যুৰ বাতৰিয়ে দেৰগাঁও শোকস্তব্ধ কৰি তুলিছে। তেওঁৰ মৃত্যুত ক্ৰীড়া সন্থাৰ সভাপতি বুবুল বৰা, পৌৰনেত্ৰী ৰূপাঞ্জলি বৰা, সাংবাদিক সন্থা, সাহিত্য সভাকে ধৰি বিভিন্ন অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

## অবৈধভাৱে দখলীকৃত ৰেলৱে ভূমি মুকলি কৰিলে ৰেল বিভাগে

### ■ বৰপথাৰত ৰেল বিভাগৰ উচ্ছেদ অভিযান

**বৰপথাৰ, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ বৰপথাৰ নগৰত কালি পুৱাৰে পৰা চলিল ৰেল বিভাগৰ উচ্ছেদ অভিযান। বৰপথাৰ নগৰৰ হাস্পতাল তিনিআলিৰ পৰা গেলাবিল তিনিআলিলৈকে থকা প্ৰায় ৬০ খনৰো অধিক ব্যৱসায়িক প্ৰতিষ্ঠানত চলোৱা হয় এই উচ্ছেদ অভিযান। পুৱাৰ পৰা দুখন এক্সকেভেটৰ লৈ ৰেল বিভাগে চলায় এই উচ্ছেদ অভিযান। উল্লেখ্য যে সুদীৰ্ঘ ৭০ বছৰতকৈ অধিক কাল একাংশ লোকে ৰেল বিভাগৰ ভূমি অবৈধভাৱে দখল কৰি দোকান-পোহাৰ খুলি ব্যৱসায় কৰি আহিছিল। তদুপৰি একাংশলোকে ৰেলৱে ভূমিত অবৈধভাৱে ঘৰ বনাই নিগাজিকৈ বসবাস কৰি আহিছিল।



প্ৰণিধানযোগ্য উত্তৰ-পূব সীমান্ত ৰেলৱেৰ লামডিং ডিভিজনৰ উচ্চপদস্থ বিষয়া আৰু ৰেলৱে আৰক্ষী তথা চিআৰপি এফৰ উপস্থিতিত এই উচ্ছেদ অভিযান চলে। স্মৰ্তব্য যে উচ্ছেদ অভিযানৰ সময়ত ধনশিৰি মহকুমা প্ৰশাসন আৰু আৰক্ষী বিভাগে ৰেল বিভাগক সহযোগ কৰে। ৰেল বিভাগৰ উন্নয়ন ত্বৰান্বিত কৰাৰ স্বাৰ্থত এই উচ্ছেদ কাৰ্য চলোৱা হৈছে বুলি জানিব পৰা গৈছে। লগতে উচ্ছেদিত স্থানত ৰেল বিভাগে ডাবল ট্ৰেকৰ ব্যৱস্থা কৰিব বুলি জানিবলৈ দিয়ে সৰুপথাৰৰ ৰাজহ চক্ৰ বিষয়া হেমাংগ নবিছে। ইপিনে, আজিৰ উচ্ছেদ অভিযান কালত কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ তথ্য পোহৰলৈ অহা নাই। তাৎপৰ্যপূৰ্ণ যে তিনিবছৰ আগৰে পৰাই অবৈধভাৱে দখলীকৃত ভূমি মুকলি কৰি দিবলৈ ৰেল বিভাগে ১০ বাৰতকৈ অধিক জাননী প্ৰেৰণ কৰি আহিছিল যদিও ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী তথা আন আন দখলীকৃত লোকসকলে বিশেষ গুৰুত্ব প্ৰদান কৰা নাছিল। কিন্তু শেহতীয়াকৈ পাঁচ ছেপ্টেম্বৰত উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ডিমাপুৰস্থিত মণ্ডল অভিযন্তা কাৰ্যালয়ৰ পৰা ধনশিৰি মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ জৰিয়তে উচ্ছেদৰ জাননীৰ প্ৰেৰণ কৰা হৈছিল। এই জাননী পাছতেই বেছি সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠানেই আগতীয়াকৈ নিজ নিজ ব্যৱসায় প্ৰতিষ্ঠাসমূহ আৰু বাসগৃহসমূহ ভাঙি খালী কৰা পৰিলক্ষিত হয়। যাৰ পৰিপ্ৰেক্ষিতত উচ্ছেদৰ সময়ত বিশেষ ক্ষয়-ক্ষতি হোৱা নাই বুলি জানিব পৰা গৈছে।

## যোৰহাটত সদৌ অসম ভিত্তিত জিকিৰ প্ৰতিযোগিতাৰ আয়োজন

ষ্টাফ ৰিপৰ্টাৰ

**যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** মৰহুম আলটাফ হুছেইন হাজৰিকা, মৰহুমা কৌচৰ জাহান বেগম, আফচানা বেগম আৰু সমাজসেৱিকা চাজবিন বেগম হাজৰিকাৰ সোঁৱৰণত পৰিয়ালবৰ্গই ১১ ছেপ্টেম্বৰত যোৰহাটৰ আচিয়ানা বিবাহ ভৱনত বিয়লি দুই বজাৰ পৰা সদৌ অসমভিত্তিত এখন জিকিৰ প্ৰতিযোগিতাৰ দলীয়ভাৱে আয়োজন কৰিছে। উক্ত প্ৰতিযোগিতাত স্থান লাভ কৰা জিকিৰ প্ৰতিযোগী দলক ট্ৰফীসহ নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। উল্লেখ্য যে প্ৰতিযোগিতাখন নিম্ন আৰু উচ্চ দুটা শাখাত অনুষ্ঠিত হ'ব। ইচ্ছুক প্ৰতিযোগীসকলে সবিশেষ জানিবলৈ ৭০০২০২০৮৮৪ এই নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোগতা জেৰিন হাজৰিকাই আহ্বান জনাইছে ।

## গোসাঁইগাঁৱত অসম জাতীয় পৰিষদৰ উদ্যোগত সুধাকণ্ঠৰ জন্মদিন উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ৯ ছেপ্টেম্বৰ ঃ** অসমৰ হিয়াৰ আমঠু, ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিনটো বিভিন্ন কাৰ্যসূচীৰে ৰাজ্যজুৰি পালিত হোৱাৰ সমান্তৰালভাৱে বৃহস্পতিবাৰে গোসাঁইগাঁও সদৰ চহৰস্থিত কমলনাথ ক্লাৱ কাম লাইব্ৰেৰীৰ বাকৰিতো উদ্‌যাপন কৰা হয়। আঞ্চলিক দল অসম জাতীয় পৰিষদ আৰু ইয়াৰ যুৱ বিভাগ জাতীয় যুৱ শক্তিৰ কোকৰাঝাৰ জিলা সমিতি তথা গোসাঁইগাঁও আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত স্থানীয় কমল নাথ ক্লাৱ কাম লাইব্ৰেৰীৰ বাকৰিত সন্ধিয়া আয়োজিত অনুষ্ঠানত অসমৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ আৰম্ভণি কৰাৰ পাছত উপস্থিত প্ৰতিগৰাকী ব্যক্তিয়ে তেওঁৰ প্ৰতিকৃতিত পুষ্পাঞ্জলি প্ৰদান কৰি শ্ৰদ্ধা নিবেদন কৰে। গোসাঁইগাঁও সাহিত্য সভাৰ সভাপতি পৰশু কলিতা, সম্পাদক খনিন্দ্ৰ নাথ দাস উপস্থিত থাকি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি কাৰ্যসূচীৰ আৰম্ভণি কৰে। খনিন্দ্ৰ নাথ দাসে নিজৰ ভাষণত ভাৰতৰত্ন উপাধিৰে বিভূষিত সুধাকণ্ঠ হাজৰিকাৰ সৃষ্টিৰাজি অসমীয়া জাতিৰ সম্পদ বুলি অভিহিত কৰাৰ লগতে অসমৰ জাতীয় জীৱনৰ আয়ুস ৰেখাস্বৰূপ বুলি উল্লেখ কৰাৰ উপৰি তেওঁক অসম তথা অসমীয়াৰ স্বাভিমান বুলিও ভাষণত দোহাৰে। আনহাতে, সভাপতি পৰশু কলিতাই নিজৰ ভাষণত সুধাকণ্ঠই ৰচনা কৰি থৈ যোৱা প্ৰতিটো কালজয়ী গীতে অসমীয়াক নিজ সত্ত্বাৰ বাবে যুঁজি যোৱাৰ হকে অনন্য প্ৰেৰণা দি থাকিব বুলি কয়। শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত শিক্ষক বৈদ্যনাথ সাহা, অসম জাতীয় পৰিষদৰ কোকৰাঝাৰ জিলা সমিতিৰ উপ-সভাপতি ফজৰ আলী, গোসাঁইগাঁও আঞ্চলিক সমিতিৰ সভাপতি তৰুণ ডেকা, উপ-সভাপতি শান্তনু দাস, গোসাঁইগাঁও বিধানসভা সমষ্টিৰ প্ৰভাৰী গোপাল সৰকাৰ, শৈলেন ডেকা প্ৰমুখ্যে অন্যান্য কেঁবাজনো ব্যক্তি উপস্থিত থাকে ।



সাংবাদিক আক্ৰমণৰ প্ৰতিবাদ বঙাইগাঁও প্ৰেছ ক্লাবৰ, শুকুৰবাৰে।

## ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, বৰগুৰি আঞ্চলিক সমিতি গঠন

**তিনিচুকীয়া, ৯ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়াৰ বৰগুৰিস্থিত বজালতলি প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ এখন সাংগঠনিক সভা অনুষ্ঠিত হয়। সভাত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বৰগুৰি আঞ্চলিক সমিতিখন গঠন কৰে। উদ্যোক্তাসকলে জনোৱা মতে, অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ প্ৰতি আকৃষ্ট হৈ সংগঠনটোত যোগদান কৰে। তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সমৰজ্যোতি শইকীয়া আৰু কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি পাপু দত্তৰ উপস্থিতিত অনুষ্ঠিত সভাই সৰ্বসন্মতিক্ৰমে এই সমিতিৰ নৱনিৰ্বাচিত সভাপতি হিচাপে ৰোহিত বৰগোহাঁই, কাৰ্যকৰী সভাপতি হিচাপে অনুপম গগৈ আৰু সাধাৰণ সম্পাদক হিচাপে বিশ্বজিত দত্তক দায়িত্বভাৰ অৰ্পণ কৰে। অসমত বহু দল-সংগঠন থকাৰ পাছতো কিয় প্ৰাসংগিক ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি এই সম্পৰ্কে বিস্তৃতভাৱে মন্তব্য আগবঢ়ায় কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি পাপু দত্তই। কাৰ্যসূচী অনুসৰি, বিষয়-বাছনি সভা সম্পন্ন হোৱাৰ পাছত শপত বাক্য পাঠ কৰোৱাই পাপু দত্তই। নৱনিৰ্বাচিত সমিতিখনৰ সকলো বিষয়ববীয়াক অনাগত দিনত ছাত্ৰ-ছাত্ৰীৰ সমস্যা তথা শৈক্ষিক, ক্ৰীড়া, সাংস্কৃতিক, আৰ্থ-সামাজিক আদি বিভিন্ন সমস্যা সমাধানৰ বাবে উদ্যমেৰে কাম কৰি যাবলৈ কেন্দ্ৰীয় সমিতিৰ লগতে জিলা সমিতিৰ তৰফৰ পৰা আহ্বান জনায়।

## ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাৰ বন্দনা কৰা হৈছে ঃ প্ৰদীপ দাস

### ■ শিঙৰীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্মজয়ন্তী উদ্‌যাপন

অগ্ৰদুত বাৰ্তা

**শিঙৰী, ৯ ছেপ্টেম্বৰ ঃ** ঢেকিয়াজুলি ৰাজহ চক্ৰৰ শিঙৰী শংকৰদেৱ শিশু নিকেতনত কালি শিঙৰী শাখা সাহিত্য সভাৰ উদ্যোগত গোৰ্খা সন্মিলন আৰু নেপালী সাহিত্য সভাৰ শিঙৰী শাখাৰ সহযোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্ম জয়ন্তী উদ্‌যাপন কৰা হয় । বিয়লি এক বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে সুধাকণ্ঠৰ জন্মজয়ন্তী অনুষ্ঠান আৰম্ভ কৰা হয়। অসম নেপালী সাহিত্য সভাৰ শিঙৰী শাখাৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক দল বাহাদুৰ নেৱাৰে বন্তি প্ৰজ্বলন কৰি অনুষ্ঠান মুকলি কৰে। ইয়াৰ পাছত সুধাকণ্ঠৰ প্ৰতিচ্ছবিত পুষ্প অৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰা হয় । বিয়লি ১-৩০ বজাত শিঙৰী শাখা সাহিত্য সভাৰ সভাপতি ললিত কুমাৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰি নেতাজী বিদ্যা মন্দিৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা কবি-লেখক কবীন্দ্ৰ কুমাৰ দাসে কয় যে ড° ভূপেন হাজৰিকা সমন্বয়ৰ প্ৰতীক । ভূপেন হাজৰিকাই সংগীতৰ জৰিয়তে উত্তৰ পূৰ্বাঞ্চলৰ মানুহক একত্ৰিত কৰাৰ চেষ্টা কৰিছিল বুলি তেওঁ মন্তব্য কৰে। তেওঁ সৃষ্টিৰাজিৰ বহুল প্ৰচাৰ-প্ৰসাৰৰ বাবে সকলোৱে কাম কৰি যাব লাগে বুলি তেওঁ মন্তব্য কৰে। শিঙৰী শাখা সাহিত্য সভাৰ সম্পাদক পৱিত্ৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত চিৰাজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা সু-বক্তা প্ৰদীপ দাসে নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে । তেওঁ কয়, ড° ভূপেন হাজৰিকা একক, অদ্বিতীয় আৰু তুলনাহীন ব্যক্তিত্ব। তেওঁ অসমীয়া মানুহৰ প্ৰাণৰো প্ৰাণৰ শিল্পী। তেওঁ বিংশ শতিকাৰ মহান দেশপ্ৰেমিক আছিল। ভূপেন হাজৰিকাই হতাশজনক সাহস দিছিল, আশাহীনক দিছিল আশা। তেওঁ শোকাকুল মানুহক সান্ত্বনা দিছিল। উদাৰ আৰু মমতাভৰা হৃদয়েৰে তেওঁ উত্তৰ পূৰ্বাঞ্চলৰ মানুহক আঁকোৱালি লৈছিল। ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাৰ বন্দনা কৰা হৈছে বুলি নিৰ্দিষ্ট বক্তাজনে ভাষণত প্ৰকাশ কৰে । তেওঁ পুনৰ কয়, ড° ভূপেন হাজৰিকাৰ মধুময় কণ্ঠই সকলোকে আকৰ্ষিত কৰিছিল। শিশুৰ পৰা বৃদ্ধ, তৰুণৰ পৰা প্ৰবীণলৈকে সকলোৰে মনত সুৰৰ মূৰ্ছনা বিয়পি গৈছিল । ভূপেন হাজৰিকাই এখন সমাজ গঢ়িব বিচাৰিছিল, যিখন সমাজত সোণৰ মূল্যত কৈ মানুহৰ মূল্য বেছি । আমি ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিসমূহ জীয়াই ৰাখিব লাগিব। তেওঁৰ আদৰ্শসমূহক লৈ আগবাঢ়িব লাগিব বুলি বক্তাজনে মন্তব্য কৰে । উল্লেখ্য যে শিঙৰী শাখা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক নাৰায়ণ ফয়েলে আঁত ধৰা অসম সাহিত্য সভাৰ আজীৱন সদস্য তথা সমাজকৰ্মী কুমুদ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত বেংক বিষয়া তথা সাহিত্য সভাৰ আজীৱন সদস্য দেৱী প্ৰসাদ অধিকাৰী, শিঙৰী লক্ষ্মীনাৰায়ণ সংস্কৃত পাঠশালাৰ প্ৰধান অধ্যাপক গোপাল আচাৰ্য, অসম নেপালী সাহিত্য সভাৰ শিঙৰী শাখাৰ সভাপতি দল বাহাদুৰ নেৱাৰ, অসম গোৰ্খা সন্মিলনৰ শোণিতপুৰ জিলা কমিটীৰ সভাপতি গোকুল বছনেত, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী যোগবালা দাস আদিয়ে বক্তব্য ৰাখে। সভাত অসম সাহিত্য সভাৰ তিনি আজীৱন সদস্য কুমুদ বৰঠাকুৰ, দেৱী প্ৰসাদ অধিকাৰী আৰু চন্দ্ৰ কটুৱালক সম্বৰ্ধনা জনোৱা হয়। সভাত শিঙৰী শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্য-আচাৰ্যা আৰু ছাত্ৰ-ছাত্ৰীসকলে গীত-নৃত্য পৰিৱেশন কৰে। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন বিশ্বাস, বীৰেণ দাস, খগেন দাস, শিক্ষক সঞ্জীৱ উপাধ্যায়, সমাজকৰ্মী অনিল ডেকা, ৰত্ন নেৱাৰ, ৰিংকু খণ্ডিতৰ লগতে শতাধিক লোক উপস্থিত থাকে ।

## দুলীয়াজানত আজি প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় যুৱ সাংসদ

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ৯ ছেপ্টেম্বৰ ঃ** 'এখন দেশত গণতান্ত্ৰিক ব্যৱস্থা বৰ্তাই ৰাখিবলৈ দেশখনৰ নাগৰিকসকল ৰাজনৈতিকভাৱে শিক্ষিত আৰু সচেতন হোৱাটো অতিকৈ প্ৰয়োজনীয়। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক। গতিকে ছাত্ৰ-ছাত্ৰীসকলক ছাত্ৰ অৱস্থাৰ পৰাই ৰাজনৈতিকভাৱে শিক্ষিত আৰু সচেতন কৰি তুলিবৰ বাবে মেধা এডুকেয়াৰ ফাউণ্ডেছনৰ উদ্যোগত, অইল ইণ্ডিয়া লিমিটেড আৰু দুলীয়াজানৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আৰু দুলীয়াজানবাসী ৰাইজৰ সহযোগত দুলীয়াজানত পোনপ্ৰথমবাৰৰ বাবে দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত কাইলৈ ছেপ্টেম্বৰত প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় যুৱ সাংসদৰ আয়োজন কৰা হৈছে। ইতিমধ্য আদিত্য গোস্বামীক মুখ্য উপদেষ্টা, অনিল গগৈক সভাপতি, জয়ন্ত ভূঞাক কাৰ্যকৰী সভাপতি, জয়ন্ত বৰমুদৈক মুখ্য সম্পাদক আৰু প্ৰাঞ্জল শইকীয়া, বিপ্লৱ কলিতাক যুটীয়া সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰি অনুষ্ঠানৰ প্ৰস্তুতি আৰম্ভ কৰিছে। এই অনুষ্ঠানত অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামী, জ্যেষ্ঠ সাংবাদিক মৃণাল তালুকদাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু উপস্থিত থাকিব। এই প্ৰতিযোগিতাত অসমৰ আগশাৰীৰ কে'বাখনো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ প্ৰতিযোগী দলে অংশগ্ৰহণ কৰিব।

## কৰম পূজাৰ বন্ধ ঃ চৰকাৰৰ অধিসূচনাই শ্ৰমিকৰ মাজত বিভ্ৰান্তিৰহে সৃষ্টি কৰিলে

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৯ ছেপ্টেম্বৰ ঃ** ভাদৰ পবিত্ৰ একাদশী তিথি অৰ্থাৎ ছয় ছেপ্টেম্বৰৰ দিনটো কৰম পূজা উপলক্ষে ৰাজ্য চৰকাৰে ইতিপূৰ্বে চৰকাৰী বন্ধ ঘোষণা কৰাত বাগিচাৰ শ্ৰমিকসকল এই বন্ধৰ আওতাৰ বাহিৰত আছিল বাবেই চাহ জনজাতিৰ বিভিন্ন দল-সংগঠনে কৰম পূজা উপলক্ষে মজুৰিসহ বাগিচা বন্ধৰ ঘোষণা কৰিবলৈ দাবী জনাইছিল। কে'বা বছৰৰ পৰা চাহ জনজাতি-আদিবাসীসকলৰ ভাদত অনুষ্ঠিত হৈ থকা জাতীয় উৎসৱ কৰম পূজা উদ্‌যাপনৰ বাবে মজুৰিসহ বাগিচা বন্ধ দিবলৈ বিশেষভাৱে অসম চাহ মজদুৰ সংঘ, অসম চাহ জনজাতি ছাত্ৰ সন্থা আৰু সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই ৰাজ্য চৰকাৰ আৰু বাগিচা কৰ্তৃপক্ষক দাবী জনাই আহিছে। আনকি চলিত বছৰতো দুই-এক সংগঠনে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ হাততো দাবী পত্ৰ দাখিল কৰিছিল। কিন্তু শেহতীয়াকৈ পাঁচ ছেপ্টেম্বৰত ৰাজ্য চৰকাৰে প্ৰকাশ কৰা এক অধিসূচনাৰ যোগে কৰম পূজা উপলক্ষে বাগিচা বন্ধ ঘোষণা কৰিলে ঠিকেই কিন্তু উক্ত দিনাৰ মজুৰি শ্ৰমিকে পাবলৈ হ'লে যিকোনো বন্ধৰ দিনত কাম কৰিলেহে মজুৰি পাব। এনে সিদ্ধান্ত গ্ৰহণযোগ্য নহয়। চৰকাৰৰ দ্বাৰা এনে বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে বাগিচাৰ পৰিচালক মণ্ডলী আৰু শ্ৰমিকৰ মাজত এক বিভ্ৰান্তি সৃষ্টি হোৱা দেখা গ'ল। কাৰণ বৰ্তমান বাগিচাসমূহত কেঁচাপাতৰ উৎপাদন বঢ়াত ফেক্টৰীসমূহ দিনে-নিশাই চলাব লগা হৈছে। আনহাতে, বাগিচা বন্ধ কৰিব লগা হ'লে বাগিচা কৰ্তৃপক্ষৰ লগতে শ্ৰমিকেও আগৰে পৰা প্ৰস্তুত হ'ব লাগে। এনে পৰিস্থিতিত চাহ বাগিচা আৰু শ্ৰমিকৰ মাজত উদ্ভৱ হ'ব পৰা পৰিস্থিতি অধ্যয়ন নকৰাকৈ একপক্ষীয়ভাৱে মজুৰিবিহীনভাৱে চৰকাৰে বাগিচা বন্ধ ঘোষণা কৰাত শ্ৰমিকসকলে সহজে গ্ৰহণ কৰিব নোৱাৰি ছয় ছেপ্টেম্বৰত নিজ নিজ কামত যোগদান কৰা দেখা গ'ল। অৱশ্যে কিন্তু দল-সংগঠনৰ নেতা-কৰ্মীয়ে কিছুমান বাগিচাৰ শ্ৰমিকক কাম যোৱাত বাধা প্ৰদান কৰিবলৈ চেষ্টা কৰিছিল যদিও শ্ৰমিকে গুৰুত্ব দিয়া দেখা নগ'ল। চাহ জনজাতি-আদিবাসীসকলৰ জাতীয় উৎসৱ, পূজা- পাৰ্বণ আদি উদ্‌যাপনৰ ক্ষেত্ৰত বাগিচা বন্ধ দিব লগা হ'লে সংশ্লিষ্ট সকলো পক্ষৰ লগত আগতীয়াকৈ আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিলে ভুল বুজাবুজি বা বিভ্ৰান্তি সৃষ্টি হোৱাৰ থল নাথাকিব বুলি মৰাণ শাখা সংঘৰ জ্যেষ্ঠ সম্পাদক লক্ষেশ্বৰ তাঁতীয়ে এক বিবৃতিযোগে জনাইছে।

## ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ত সুধাকণ্ঠক স্মৰণ

অগ্ৰদূত বাৰ্তা

**হোজাই, ৯ ছেপ্টেম্বৰ ঃ** হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ইতিহাস বিভাগে কালি দিনজোৰা কাৰ্যসূচীৰে সুকীয়া-সুকীয়াকৈ ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন পালন কৰে। অসমীয়া বিভাগৰ স্নাতক শ্ৰেণীকক্ষত দিনৰ ১১ বজাৰ পৰা গীত-মাত-কবিতাৰে ৰূপায়ণ কৰা 'ভূপেনদা সোঁৱৰণ' মানুহে মানুহৰ বাবে শীৰ্ষক অনুষ্ঠান বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক অমৰ গৌতমে। বিভাগৰ মুৰব্বী অধ্যাপিকাৰ সভাপতিত্বত হোৱা অনুষ্ঠান স্নাতক তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ বিশাল বিশ্বাসে সুধাকণ্ঠৰ 'বুকু হম্‌হম্ কৰে' শীৰ্ষক গীতত বাঁহী বাদনেৰে আৰম্ভ হয়। সহকাৰী অধ্যাপক দেৱৰাজ মিলিয়ে আঁত ধৰা অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ প্ৰাণীবিজ্ঞান বিভাগৰ বিভাগীয় প্ৰধান ড° কেৰ'লিন বসুমতাই বক্তা হিচাপে উপস্থিত থাকি বক্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰে। অনুষ্ঠানত বিভাগৰ ছাত্ৰ অংকুৰজ্যোতি বৰা আৰু ছুফিয়ান আহমেদে সুধাকণ্ঠৰ জীৱন আৰু কৃতি বিষয়ত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। গীত-নৃত্য-কথাৰে মুখৰিত অনুষ্ঠানত ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰে শৈক্ষিক পঞ্জীয়ক অমৰ গৌতম, ড° কেৰ'লিন বসুমতা, বিভাগৰ শিক্ষক সনাতন মাৰাক, মৃণালিনী বৰদলৈ আৰু ২০২১-২০২২ৰ বিশ্ববিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ কণ্ঠশিল্পী তথা বিভাগৰ ছাত্ৰ শ্ৰুতি ঘোষ, হৰিপ্ৰিয়া তালুকদাৰ, এবাদুল আহমেদ, ছাজিয়া বেগম, বৰ্ষাৰাণী দাৰফাং, জুমন শইকীয়া, প্ৰতীক্ষা দাস, জুৰি ভূঞা, হৰিপ্ৰিয়া নাথ, বিজয় ফকৰুল বাপ্পি, মায়াৰাণী, মাৰ্জিনা, লিলিমা আদিয়ে। সুধাকণ্ঠৰ গীতত নৃত্য পৰিৱেশন কৰে ছাত্ৰী শিখামণি শইকীয়া আৰু প্ৰাৰ্থনা তালুকদাৰে। অনুষ্ঠানৰ শেহত সভাপতি তথা বিভাগীয় প্ৰধানে ছাত্ৰ-ছাত্ৰীসকলক ভূপেনদাৰ আদৰ্শৰে সমন্বয়ৰ মন্ত্ৰেৰে উদ্বুদ্ধ হৈ তেওঁৰ চিন্তা আৰু চেতনাত উঠি অহা প্ৰজন্মৰ বুকুৱে বুকুৱে প্ৰসাৰিত কৰিবলৈ আহ্বান জনায় আৰু লগতে এই বৰ্ষৰ পৰা বিভাগৰ স্নাতক আৰু স্নাতকোত্তৰ শাখাৰ চূড়ান্ত ফলাফলত শ্ৰেষ্ঠ হোৱা দুগৰাকী শিক্ষাৰ্থীক বিভাগৰ ফালৰ পৰা পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। ইফালে, কালি বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ দ্বাৰা পৃথকে গীত-মাতেৰে 'গীতৰ দিন' হিচাপে সুধাকণ্ঠৰ ওপজা দিনটো উদ্‌যাপন কৰা হয়। বিভাগীয় প্ৰধান ড° পল্লৱীতা দাসে সভাপতিত্ব কৰা অনুষ্ঠান ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা এটি সমবেত সংগীতেৰে আৰম্ভ হয়। বিভাগীয় শিক্ষক গৌতম শৰ্মাই উদ্দেশ্য ব্যাখ্যা আৰু আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বিশ্ববিদ্যালয়খনৰ প্ৰাক্তন পঞ্জীয়ক লক্ষ্মণ পাটগিৰিয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বিষয়ে এটি মনোগ্ৰাহী বক্তব্য আগবঢ়ায়। ড° ভূপেন হাজৰিকাৰ সৃষ্টিত প্ৰতিধ্বনিত হোৱা মানৱতাবাদ, সৰ্বহাৰাৰ মুক্তি আৰু আমি কেনেকৈ ভূপেনদা আৰু তেওঁৰ সৃষ্টিক মনত ৰাখিম সেই সম্পৰ্কে তেওঁ বিস্তৃত আলোকপাত কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰূপে উপস্থিত থাকি অসমৰ যুৱ কবি তথা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক দেৱৰাজ মিলিয়ে সাম্প্ৰতিক সময়ত ভূপেন হাজৰিকাৰ চিন্তা আৰু দৰ্শনৰ প্ৰাসংগিতা বিষয়ক এটি মননশীল বক্তৃতা ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি আগবঢ়ায়। চমু ভাষণত তেওঁ ভূপেন হাজৰিকাৰ জীৱন-কৰ্ম আৰু বিশাল ব্যক্তিত্বৰ বিষয়ে আলোকপাত কৰি কয় যে এনে এগৰাকী বিশ্ববন্দিত ব্যক্তিৰ ভৰি দুখন সদায় মাটিৰ লগত সংপৃক্ত আছিল। মিলিয়ে নতুন প্ৰজন্মক ভূপেনদাৰ 'সংগ্ৰাম আন এটি নাম জীৱনৰে' এই বাণী সাৱোগত কৰি জীৱন বাটত আগবাঢ়ি যাবলৈ আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈ ভূপেনদাৰ চিন্তা আৰু কৰ্মক সাম্প্ৰসাৰিত কৰি এটা সোণালী সাঁকোৰ দৰে কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত উদ্বোধক তথা মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° অমৰ গৌতমে ভূপেন হাজৰিকাৰ গীত পৰিৱেশন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশি বহুমূলীয়া বক্তব্য আগবঢ়ায়।

# অসমীয়া ভাষাৰ সুজন কাণ্ডাৰী প্ৰসন্ন কুমাৰ ঘোষৰ সোঁৱৰণত স্মাৰক বক্তৃতা অনুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৯ ছেপ্টেম্বৰ ঃ** প্ৰসন্ন কুমাৰ ঘোষ ন্যাসৰ উদ্যোগত তথা গোৱালপাৰা সাহিত্য সভা, অসম ক্লাব আৰু গোৱালপাৰা মহাবিদ্যালয়ৰ সহযোগত অহা ১৪ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাৰ পৰা গোৱালপাৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসমীয়া ভাষা প্ৰতিষ্ঠাৰ সুজন কাণ্ডাৰী, ভাষাপ্ৰাণ, নামনি অসমৰ লাচিত প্ৰসন্ন কুমাৰ ঘোষৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি আৰু এখন মনোজ্ঞ বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰসন্ন কুমাৰ ঘোষ ন্যাসৰ সভাপতি ড° সিদ্ধিনাথ শৰ্মাই পৌৰোহিত্য কৰিবলগীয়া বক্তৃতা অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ উত্তম চন্দ্ৰ শৰ্মাই প্ৰসন্ন কুমাৰ ঘোষৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰাৰ পাছত মাল্যাৰ্পণ কৰিব ডাঃ ৰাজু ঘোষে। অনুষ্ঠানত গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে আদৰণি ভাষণ, জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে উদ্বোধনী ভাষণ আৰু সাংবাদিক-সাহিত্যিক দিলীপ কুমাৰ শৰ্মাই প্ৰসন্ন কুমাৰ ঘোষৰ ওপৰত দুআষাৰ বক্তব্য ৰখাৰ বিপৰীতে মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰাগ নিউজৰ মুখ্য সম্পাদক প্ৰশান্ত ৰাজগুৰুৱে 'অসমীয়া ভাষা আৰু অসমীয়াৰ পৰিচয়' বিষয়ক স্মাৰক বক্তৃতা প্ৰদান কৰিব বুলি ন্যাসৰ সম্পাদক চিত্তৰঞ্জন কলিতাই সদৰী কৰে।

# গোসাঁইগাঁৱত নিষিদ্ধ প্লাষ্টিক ব্যৱহাৰৰ বিৰুদ্ধে পৌৰসভা-আৰক্ষী প্ৰশাসনৰ অভিযান

■ প্লাষ্টিকৰ বিভিন্ন সামগ্ৰী জব্দ ঃ জৰিমনা আদায়

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ৯ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও চহৰত আজি ছিংগল ইউজ প্লাষ্টিক ব্যৱহাৰৰ বিৰুদ্ধে গোসাঁইগাঁও পৌৰসভাই এক অতৰ্কিত অভিযান চলায়। গোসাঁইগাঁও পৌৰ সভাৰ অন্তৰ্গত মূল বজাৰৰ লগতে চাৰিটাকৈ ৱাৰ্ডত গোসাঁইগাঁও মহকুমাৰ প্ৰশাসনৰ বিষয়া, পৌৰসভাৰ কৰ্মী আৰু আৰক্ষীৰ দলে যৌথভাৱে চলোৱা অতৰ্কিতে অভিযানত কে'বাটাও ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা বিক্ৰী তথা জনসাধাৰণৰ ব্যৱহাৰৰ বাবে ৰখা অবৈধ ছিংগল ইউজ প্লাষ্টিকৰ বিভিন্ন সামগ্ৰী জব্দ কৰাৰ লগতে সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহক অবৈধভাৱে তেনে জাতীয় সামগ্ৰী ৰখাৰ অপৰাধত জৰিমনা বিহা হয়। উল্লেখনীয় যে কেন্দ্ৰীয় চৰকাৰৰ পৰিৱেশ মন্ত্ৰণালয়ে জাৰী কৰা নিৰ্দেশনা অনুযায়ী সমগ্ৰ দেশতে জনস্বাস্থ্য তথা পৰিৱেশৰ প্ৰতি অহা চৰম ভাবুকিৰ প্ৰতি লক্ষ্য ৰাখি এক্সপাণ্ডেড পলিষ্টিৰিন, পলিষ্টিৰিন'-সহ যিকোনো 'ছিংগল ইউজ প্লাষ্টিকৰ' উৎপাদন, বিক্ৰী, আমদানি, বিতৰণ আদি সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰিছে। উক্ত অভিযানকালত গোসাঁইগাঁও পৌৰসভাৰ পৌৰপতি প্ৰফুল্ল ইছলাৰী, উপ-পৌৰপতি ৰাজীৱ দেৱনাথৰ লগতে গোসাঁইগাঁও মহকুমাধিপতিৰ কাৰ্যালয়ৰ সহকাৰী আয়ুক্ত আহমেদ্দুলা ঠাকুৰীয়া, ভাওৰাগুৰী চক্ৰ বিষয়া সুৰজিত কলিতাসহ পৌৰসভাৰ বিভিন্ন পৰ্যায়ৰ কৰ্মচাৰী তথা চাৰিওটা ৱাৰ্ডৰ ৱাৰ্ড কমিছনাৰসকলৰ লগতে আৰক্ষীৰ দল অভিযানত উপস্থিত থাকে। গোসাঁইগাঁও পৌৰসভাৰ পৌৰপতি প্ৰফুল্ল ইছলাৰীয়ে কয় যে প্ৰশাসনৰ নিৰুদ্দেশ মৰ্মে আজি গোসাঁইগাঁও সদৰ চহৰৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত নিষিদ্ধ প্লাষ্টিক বিক্ৰী তথা ব্যৱহাৰৰ বিৰুদ্ধে অভিযান চলাই জৰিমনা আদায় কৰাৰ কথা সদৰী কৰে। ইপিনে, গোসাঁইগাঁও পৌৰসভাৰ উপ-পৌৰপতি ৰাজীৱ দেৱনাথে সাংবাদিকৰ আগত নিষিদ্ধ ছিংগল ইউজ প্লাষ্টিকৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰে।

# ঢেকিয়াজুলিত ৰাষ্ট্ৰীয় পোষণ মাহৰ অনুষ্ঠান

## সজাগতামূলক শোভাযাত্ৰা আৰু বাটৰ নাট প্ৰদৰ্শন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৯ ছেপ্টেম্বৰ ঃ** দেশৰ কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰণালয়ৰ নিৰ্দেশ মৰ্মে দেশ আৰু ৰাজ্যৰ ভিন্নপ্ৰান্তৰ লগতে ঢেকিয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প অঞ্চলৰ অংগনৱাড়ী কেন্দ্ৰসমূহেও ৰাষ্ট্ৰীয় পোষণ মাহ ২০২২ আৰু মাতৃ বন্দনা সপ্তাহৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। 'সবল নাৰী-স্বাক্ষৰ শিশু-সুস্থ ভাৰত' শীৰ্ষক বিষয়বস্তু তথা সমন্বিত প্ৰচেষ্টাৰে পুষ্টিহীনতা দূৰীকৰণৰ দিশে আগুৱাই যোৱাৰ লক্ষ্য আগত ৰাখি গৰ্ভৱতী, প্ৰসূতি মাতৃ, শিশু আৰু কিশোৰীৰ মাজত পৰিপুষ্টি আৰু দৰকাৰী খাদ্যাভাস সম্পৰ্কে তৃণমূল পৰ্যায়ত জনসজাগতা সৃষ্টিৰ উদ্দেশ্যে সমাজ কল্যাণ বিভাগে পহিলা ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰলৈকে ভিন্ন কাৰ্যসূচীৰে পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহ পালনৰ কাৰ্যসূচী হাতত লৈছে। 'সুৰক্ষিত জননী, বিকশিত ধৰণী' শীৰ্ষক বাণীৰে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ অধীনত ইয়াৰে প্ৰথম সপ্তাহটো 'মাতৃ বন্দনা সপ্তাহ' হিচাবে অনুষ্ঠিত হয়। এই আঁচনিৰ অধীনত প্ৰথমবাৰলৈ গৰ্ভৱতী হোৱা মাতৃসকলৰ পঞ্জীয়নৰ প্ৰতি সজাগ কৰি তোলাৰ লগতে তেওঁলোকৰ বেংক একাউণ্টত তিনিটা কিস্তিত সৰ্বমুঠ পাঁচ হেজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে ঢেকিয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ বিষয়া নিবেদিতা চৌধুৰীৰ নেতৃত্বত পোষণ মাহ আৰু মাতৃ বন্দনা সপ্তাহৰ স'তে সংগতি ৰাখি সাত ছেপ্টেম্বৰত প্ৰভাত ফেৰী তথা সজাগতমূলক শোভাযাত্ৰা, বাটৰ নাট প্ৰদৰ্শন, অংগনৱাড়ী কৰ্মীৰ মাজত আলোচনা সভা আদি একাধিক কাৰ্যসূচী সফলতাৰে সম্পাদন কৰে। সেই উপলক্ষে ঢেকিয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া-কৰ্মচাৰী আৰু মুখ্য সেৱিকাসকলৰ তত্ত্বাৱধানত পুৱা উলিওৱা শোভাযাত্ৰাত অংগনৱাড়ী কৰ্মীসকলে হাতে-হাতে ৰক্তহীনতা দূৰ কৰক, পুষ্টিহীনতা দূৰ কৰক, পুষ্টিকৰ খাদ্য গ্ৰহণ কৰক, মাতৃদুগ্ধ পান কৰাওক, মাকৰ গাখীৰৰ জৰিয়তে শিশুৱে সম্পূৰ্ণ পুষ্টি লাভ কৰে, ঋতুকালীন সময়ত পৰিস্কাৰ-পৰিচ্ছন্নতা বজাই ৰাখক, গৰ্ভৱতী মহিলাক আইৰনযুক্ত আহাৰ খুওৱাক ইত্যাদি শ্ল'গান সন্নিৱিষ্ট প্লেকাৰ্ড-বেনাৰ আদি লৈ ছহিদ নগৰী ঢেকিয়াজুলিৰ ভিন্নপ্ৰান্তত পৰিভ্ৰমণ কৰে আৰু ৰাইজক পোষণ অভিযান সম্পৰ্কে অৱগত কৰি জনসচেতনতাৰ প্ৰচেষ্টা চলায়। শোভাযাত্ৰাৰ পাছত অংগনৱাড়ী কৰ্মীসকলে নগৰৰ ভিন্নস্থানত দুখন বাটৰ নাট প্ৰদৰ্শন কৰি ৰাইজৰ মনোযোগ আকৰ্ষণ কৰে। ইয়াৰ পাছতে ঢেকিয়াজুলি সংহত শিশু উন্নত প্ৰকল্প বিষয়া চৌধুৰীয়ে পথৰ দাঁতিতে পোষণ মাহ আৰু মাতৃ বন্দনা সপ্তাহৰ তাৎপৰ্য ব্যাখ্যাৰে বক্তব্য দাঙি ধৰি গৰ্ভৱতী-প্ৰসূতি-শিশু-কিশোৰীৰ স্বাস্থ্যৰ যতন, পৰিষ্কাৰ-পৰিচ্ছন্নতা, পুষ্টিহীনতা, ৰক্তহীনতা, দুখীয়া মহিলাৰ সৱলীকৰণ আদি বিষয়ৰ ওপৰত অৱগত কৰে। নিজৰ ভাষণত চৌধুৰীয়ে কয়, 'দেশৰ ধৰণী স্বৰূপ শিশুসকল আমাৰ জাতি আৰু সমাজৰ আশা-ভৰষাৰ স্থল। এওঁলোকক শৈশৱতে নিৰোগী কৰি তথা সুস্থ-সবল ৰূপত গঢ়ি তুলিব পাৰিলেহে ভৱিষ্যতে সুনাগৰিক হৈ উঠিব। পৰিপুষ্টি অবিহনে স্বাস্থ্যৱান মানৱ সম্পদ গঢ়ি উঠিব নোৱাৰে। সেয়ে শিশু-মাতৃক সুস্থাস্থ্যৰ বাবে আগ্ৰহী কৰি তুলিব লাগিব। প্ৰসূতি আৰু গৰ্ভৱতী মাতৃৰ পুষ্টিহীনতা দূৰ কৰাৰ বাবে শাক-পাচলি তথা সুষম খাদ্য গ্ৰহণৰ অভ্যাস গঢ়া আৰু চিকিৎসকৰ পৰামৰ্শ লৈ নিয়মীয়াকৈ স্বাস্থ্যৰ যতন লোৱাটো অপৰিহাৰ্য। ভিনাঞ্চলত পুষ্টিহীনতাত ভোগা শিশুসকল চিনাক্ত কৰি তেওঁলোকৰ স্বাস্থ্যৰ যতন ল'ব লাগিব।



ঢেকিয়াজুলিত ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে উলিওৱা সজাগতা অনুষ্ঠান, শুকুৰবাৰে।

# ভূপেন হাজৰিকাৰ সৃষ্টিৰাজিৰে মুখৰিত ডিব্ৰুগড় সাহিত্য সভা

■ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, নৃত্যাংগন কলাকেন্দ্ৰ আৰু ডিব্ৰুগড় সাহিত্য সভাৰ যৌথ উদ্যোগত জন্মজয়ন্তী পালন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠৰ ৯৬ সংখ্যক জন্মদিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ সৃষ্টিৰাজি বন্দনাৰে মুখৰিত হৈ উঠাৰ লগতে ডিব্ৰুগড় সাহিত্য সভা ভৱনত নিশা পৰ্যন্ত শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে গীত-মাত-নৃত্য কবিতাৰে স্মৰণ কৰিলে ডিব্ৰুগড়বাসীয়ে। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে শিল্পীজনৰ গানেৰে মোহিত কৰিলে সকলোকে। ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উপ-সভাপতি তথা বৃহত্তৰ ডিব্ৰু প্ৰেছ ক্লাবৰ উপ-সভাপতি বিভাস দুৱৰাই। সুধাকণ্ঠৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মনজিৎ বৰা আৰু ৰামধেনু উপ-সমিতিৰ সভাপতি মৃদুল শৰ্মাই। ৰামধেনুৰ সম্পাদক ৰক্তিম গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক ফুকন, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি ৰতন হাজৰিকা, বিশিষ্ট নৃত্যশিল্পী ৰুবী গগৈ সন্দিকৈ, বিশিষ্ট সংগীত শিল্পী চুমী ফুকন, বিশিষ্ট সংগীত শিল্পী ভুন গগৈসহ বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। বিধায়ক ফুকনে ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মজয়ন্তী অনুষ্ঠান মঞ্চ মুকলি কৰি অসম তথা ভাৰতৰ এগৰাকী গায়ক, সুৰকাৰ, গীতিকাৰ আৰু সংগীত পৰিচালক ড° হাজৰিকা এগৰাকী চিত্ৰকৰ, লেখক, বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা, চলচ্চিত্ৰ পৰিচালক আৰু আলোচনীৰ সম্পাদক উপৰি সংসদীয় ৰাজনীতিতো যোগদান কৰিছিল। সুধাকণ্ঠ নামেৰে পৰিচিত ড° হাজৰিকাই অসম, পশ্চিমবংগ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ বাহিৰেও চুবুৰীয়া দেশ বাংলাদেশতো এগৰাকী জনপ্ৰিয় শিল্পীৰূপে খ্যাতি লাভ কৰি এজন বিশ্ব-নাগৰিক আৰু মানৱতাবাদী শিল্পীৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল বুলি উল্লেখ কৰে। অসমীয়া, বাংলা, হিন্দী, ইংৰাজী আদি বিভিন্ন ভাষাত ৰচনা কৰা তেওঁৰ গীতসমূহ এটা গানেই নহয়, তেওঁৰ গানত সমসাময়িক সমাজ, সংস্কৃতি, ৰাজনীতি, দুৰ্নীতি আদি স্পষ্টভাৱে প্ৰতিফলিত হোৱা দেখা গৈছিল বুলি উল্লেখ কৰি তেওঁৰ কৰ্মৰাজিয়ে অসমৰ কলা-সংস্কৃতি জগতৰ উন্নয়ন সাধনৰ উপৰি ভাৰত তথা বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰি গ'ল বুলি কৈ 'বিমূৰ্ত মোৰ নিশাটি যেন মৌনতাৰ সূতাৰে বোৱা এখনি নীলা চাদৰ' গীতটোৰ জৰিয়তে সকলোকে আকৰ্ষিত কৰে। আনহাতে, বিশিষ্ট আবৃত্তিকাৰ নীলাভ নয়ন বৰদলৈৰ পৰিচালনাত নিশালৈকে অনুষ্ঠিত সাংস্কৃতিক কাৰ্যসূচীত বিশ্বেবৰেণ্য শিল্পীজনৰ কালজয়ী গীত 'অসম আমাৰ ৰূপহী, তোমাৰ উশাহ কঁহুৱা কোমল, ৰিমঝিম ৰিমঝিম বৰষুণে, আহ আহ ওলাই আহ, কঁহুৱা বন, বিস্তীৰ্ণ পাৰৰে, স্নেহে আমাৰ, অস্ত আকাশৰ সপোন, বুকু হম হম কৰে, মানুহে মানুহৰ বাবে' আদিকে ধৰি বিভিন্ন গীত আৰু সংগীতৰ তাল-নৃত্য আদিৰে মুখৰিত হৈ উঠে পৰিৱেশ। বিশিষ্ট শিল্পী ভুৱন গগৈৰ পৰিচালনাত এদল শিল্পীয়ে 'মানুহে মানুহৰ বাবে' সুৰসমলয় পৰিবেশন কৰি উপস্থিত প্ৰায় দুই শতাধিক দৰ্শকক আপ্লুত কৰে। শেষত জাতীয় সংগীত পৰিবেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# ফৰকাটিং মহাবিদ্যালয়ত বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ফৰকাটিং মহাবিদ্যালয়ত কালি বিভিন্ন খেলৰ এটা প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰা হয়। উল্লেখ্য যে গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণত বেডমিণ্টন, টেবুল টেনিছ, ফুটবল, এথলেটিকছ তথা লঘু আৰু গুৰু খেলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব বুলি মহ্যাবিদ্যালয় কৰ্তৃপক্ষই সদৰী কৰিছে। অনুষ্ঠানত জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, সম্পাদক সঞ্জীৱ সন্দিকৈ, কৰ্মকৰ্তাসকল, অধ্যক্ষ ড° অপূৰ্ব কুমাৰ শইকীয়া প্ৰমুখ্যে শিক্ষকগোট আৰু শুভাকাংক্ষী উপস্থিত থাকে। অনুষ্ঠানৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে সহযোগী অধ্যাপক ড° দেৱাশীষ বৰুৱা আৰু ইন্দিৰা গগৈয়ে।

# পঞ্চায়ত ভৱনৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৯ ছেপ্টেম্বৰ ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ২৬ নম্বৰ কাকজান গাঁও পঞ্চায়তৰ ভৱন নিৰ্মাণৰ বাবে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বৰাজ আঁচনিৰ যোগেদি ২০ লাখ টকা পুঁজি আবণ্টন দিয়াত টীয়ক বিধানসভা সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই আজি ২৬ নম্বৰ কাকজান গাঁও পঞ্চায়তৰ নৱনিৰ্মিত ভৱনৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত গাঁও পঞ্চায়তৰ সভানেত্ৰী মামু ৰহমান, খণ্ড উন্নয়ন বিষয়া নিলোৎপলাক্ষী বৰা, কাৰিকৰী বিভাগৰ কনিষ্ঠ অভিযন্তা, অগপ আৰু বিজেপিৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে।

# গণনাট্য সংঘৰ উদ্যোগত ভূপেন হাজৰিকাৰ জন্মবাৰ্ষিকী উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয় গণনাট্য সংঘৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত গণশিল্পী ড° ভূপেন হাজৰিকাৰ জন্মবাৰ্ষিকী বিভিন্ন গীত-মাত-নৃত্য আদিৰে ডিব্ৰুগড় পেঞ্চনাৰ ভৱনত উদ্‌যাপন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি আৰিফা বেগমে আদৰণি ভাষণ প্ৰদান কৰাৰ পাছত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট নাট্যকাৰ মুনীন শৰ্মাই ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। ভাৰতীয় গণনাট্য সংঘৰ চিন্তা আৰু আদৰ্শক সুধাকণ্ঠই নিজৰ সৃষ্টিৰাজিৰে জনসাধাৰণৰ স্বাৰ্থত আগবঢ়াই লৈ যোৱাৰ এক ব্যাখ্যা দাঙি ধৰি ভাষণ প্ৰদান কৰে গণনাট্য সংঘৰ অসম ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি শৰৎ চন্দ্ৰ নেওগে। কাৰ্যসূচীৰ আৰম্ভণিতে সংঘৰ শিল্পীসকলে এটা সমবেত সংগীত পৰিবেশন কৰাৰ পাছত সুধাকণ্ঠৰ দ্বাৰা ৰচিত এটা গীত পৰিবেশন কৰে প্ৰগতিশীল শিল্পী বলীন্দ্ৰ শইকীয়া আৰু মাধুৰী বড়াই। আন এটা দ্বৈত কণ্ঠৰ গীত পৰিবেশন কৰে আৰিফা বেগম আৰু বোলা গগৈয়ে। ভায়লিন বাদন কৰে চন্দনা শৰ্মাই। শিশুশিল্পীসকলে পৰিবেশন কৰা এটা সমবেত সংগীত পৰিবেশন কৰাৰ পাছত সুধাকণ্ঠৰ ৰচিত কবিতা আবৃত্তি কৰে দীপালী বেকাৰ আৰু স্বৰচিত কবিতা আবৃত্তি কৰে সুবন্তি গগৈয়ে। অন্যান্য শিল্পী হেমন্ত হাজৰিকা, অনুপম দত্ত, অঞ্জুমণি দত্ত আদিকে ধৰি প্ৰায় অৰ্ধ শতাধিক শিল্পীয়ে গীত-মাত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আৰম্ভণিতে সংঘৰ ডিব্ৰুগড় জিলা সমিতিৰ সম্পাদক শৈলেন বুঢ়াগোহাঁয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানৰ আঁত ধৰে গণনাট্য সংঘৰ অন্যতম সদস্য দিগন্ত ফুকনে।

# প্ৰাথমিক স্তৰত শিকনৰ ক্ষেত্ৰত 'নিপুণ ভাৰত' হৈছে শক্তিশালী অৱলম্বন

■ নলবাৰীৰ বালিতাৰাত চিন্তন বৈঠক



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বালিতাৰাত আজি এখন চিন্তন বৈঠক অনুষ্ঠিত হয়। বালিতাৰা দিব্য বন্তি হাইস্কুলত অনুষ্ঠিত চিন্তন বৈঠকত অংশগ্ৰহণ কৰি ৰাজ্যিক সমল গোটৰ সদস্য তথা বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বৰ্মনে কয় যে প্ৰাথমিক স্তৰত শিক্ষণৰ ক্ষেত্ৰত 'নিপুণ ভাৰত' আঁচনিৰ গুৰুত্ব অতি বেছি। ইয়াৰ জৰিয়তে বুনিয়াদী সাক্ষৰতা আৰু সাংখিকতাৰ ওপৰত বিশেষ ধ্যান দিয়া হৈছে। ছাত্ৰ-ছাত্ৰীক আকাংক্ষিত ধৰণে অভিৰুচিত কৰিলে আগ্ৰহ আৰু নিচা বৃদ্ধি পায়। ফলশ্ৰুতিত শিকন প্ৰক্ৰিয়া সহজ হৈ পৰে। বিষয়বস্তুৰ গভীৰ জ্ঞান আৰু শিক্ষাদান পদ্ধতিৰ উপযুক্ত অনুশীলনৰ ওপৰত শিক্ষকৰ কৃতিত্ব বহুলাংশে নিৰ্ভৰশীল। শিক্ষকৰ নৈপুণ্য আৰু নিষ্ঠা প্ৰকাশ পায় ছাত্ৰ-ছাত্ৰীৰ সফলতাত। দিনৰ ১১-৩০ বজাত এক নম্বৰ বালিতাৰা মণ্ডল সমল কেন্দ্ৰৰ উচ্চ পৰ্যায়ৰ চিন্তন বৈঠকখন উদ্বোধন কৰে শিক্ষাখণ্ডটোৰ প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই। বালিতাৰা দিব্য বন্তি হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰমোদ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত ধমধমা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পংকজ দাসে প্ৰাথমিক বিদ্যালয়ৰ বেৰত চিত্ৰাংকন আদি দিশৰ ওপৰত আলোকপাত কৰে। এক নম্বৰ বালিতাৰা কেন্দ্ৰৰ চিআৰচিচি শচীন ৰাজবংশীয়ে আঁত ধৰা সভাখনত নতুন শিক্ষানীতি অনুসৰি, চৰকাৰী বিদ্যালয়বোৰত গাঁথনিগত পৰিৱৰ্তন হ'ব বুলিও উল্লেখ কৰে। সমল কেন্দ্ৰটোৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ সকলো শিক্ষকে যোগদান কৰা সভাখন বন্তি প্ৰজ্বলনৰে আৰম্ভ হয়। বন্তি প্ৰজ্বলন কৰে বিদ্যালয়খনৰ জ্যেষ্ঠ সহকাৰী শিক্ষক দামোদৰ হালৈয়ে। বালিতাৰা হাইস্কুলৰ প্ৰধান শিক্ষক মহেন্দ্ৰ মোহন দাসে প্ৰাসংগিক বক্তব্য আগবঢ়ায়। সভা সাফল্যমণ্ডিত কৰা বাবে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতা আৰু বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক জ্যোতিষ দাসে চিআৰচিচি শচীন ৰাজবংশী আৰু শিক্ষকসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# গোৱালপাৰাৰ আগিয়া পাহাৰকাটাত চোৰাং বালিভৰ্তি ট্ৰাক জব্দ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা আঞ্চলিক বন বিভাগে অভিযান চলাই আজি ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ আগিয়া পাহাৰকাটাৰ পৰা এখন চোৰাং বালিভৰ্তি ট্ৰাক জব্দ কৰে। বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাৰ নিৰ্দেশ মৰ্মে বন পালক-এক নজৰুল ইছলামে এ এছ-১৮ এ চি- ২০১২ নম্বৰৰ চালানাবিহীন বালিৰ ট্ৰাকখন জব্দ কৰি কাৰ্যালয়লৈ আনে। উল্লেখ্য যে জিলাখনত ১০ টাকৈ বৈধ বালিৰ মহল থকাৰ পাছতো অসাধু চক্ৰই জধে-মধে অবৈধ ঘাট স্থাপন কৰি বালিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। অসাধু চক্ৰৰ পৰা একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে মাহিলি হিচাপে কমিছন আদায় কৰি থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ফলত এফালে, চৰকাৰে লাখ লাখ টকাৰ ৰাজহ হেৰুৱাবলগীয়া হৈছে আৰু আনফালে, একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলি ৰাইজৰ মাজত সৰব চৰ্চা চলিছে। এই ক্ষেত্ৰত উচ্চ পৰ্যায়ত তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে সচেতন মহলে।

# কুকুৰমাৰাত ৰাষ্ট্ৰীয় পোষণ মাহ-২০২২ উদ্‌যাপন

**ছয়গাঁও, ৯ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ কুকুৰমাৰা গাঁৱত কালি ৰাষ্ট্ৰীয় পোষণ মাহ-২০২২ উদ্‌যাপন কৰা হয়। সবল নাৰী, স্বাক্ষৰ শিশু, সুস্থ ভাৰত, ৰাষ্ট্ৰীয় পোষণ মাহ-২০২২ৰ লগত সংগতি ৰাখি ছয়গাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত উদ্‌যাপন কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে কামৰূপ জিলাৰ উপায়ুক্ত কীৰ্তি জল্লী। উপায়ুক্তগৰাকীয়ে অংগনৱাড়ী কেন্দ্ৰত উপস্থিত হৈ কণ কণ শিশুসকলৰ লগত আহাৰ গ্ৰহণ কৰাৰ লগতে মাতৃ তথা শিশুসকলক উদ্দেশি বক্তব্য প্ৰদান কৰে। ইয়াৰ উপৰি অংগনৱাড়ী কৰ্মীসকলৰ দ্বাৰা প্ৰস্তুত কৰা সুষম আহাৰৰ প্ৰদৰ্শনীত উপায়ুক্তগৰাকীয়ে প্ৰতিবিধ খাদ্যৰ সম্ভাৰ প্ৰদৰ্শন কৰি খাদ্যৰ জুতি লয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰে জিলা সমাজ কল্যাণ বিষয়া ছেহনাজ চাহিন, ছয়গাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া সন্দীপ দুৱাৰা, চক্ৰ বিষয়া সৰোজ সোণোৱাল, অসম ৰাজ্যিক মীন বিভাগৰ বিষয়া ড° সঞ্জয় শৰ্মা, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰাধা চৰণ দাস, ছয়গাঁও আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়া দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি। ইফালে উপায়ুক্ত জল্লীক ওচৰত পাই অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে ছেলফি উঠিবলৈ হাত হাতে ম'বাইল লৈ ওচৰ চাপে।

# বিস্তৃত কাৰ্যসূচীৰে ভূপেন্দ্ৰ জয়ন্তী হিচাপে উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** ড° ভূপেন হাজৰিকা ফাউণ্ডেছন যোৰহাটৰ উদ্যোগত কালি বিস্তৃত কাৰ্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিনটো ভূপেন্দ্ৰ জয়ন্তীৰূপে উদ্‌যাপন কৰা হয়। পুৱা ভূপেন্দ্ৰ সংগীতেৰে প্ৰভাত ফেৰী উলিওৱা হয়। সন্ধিয়া জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। অনুষ্ঠানৰ আৰম্ভণিতে যোৰহাট চেমফৰ্ড বিদ্যালয় আৰু সুৰৰ দেউল সংগীত বিদ্যালয়ৰ ১০০ ছাত্ৰ-ছাত্ৰীয়ে সুধাকণ্ঠৰ প্ৰথম গীত 'কুসুম্বৰ পুত্ৰ' পৰিবেশন কৰে। অনুষ্ঠানত গুৱাহাটীৰ জ্যোতিৰ্ময় দেৱনাথ আৰু নগাঁৱৰ নয়নজ্যোতি শইকীয়াক সম্বৰ্ধনা জনোৱা হয়। দীপক নাথ আৰু সবিতা গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত জিতা বৰুৱা আৰু শান্তনু আচাৰ্যৰ গীতি কবিতা পাঠ কৰাৰ উপৰি চেমফৰ্ড বিদ্যালয়, যোৰহাট এয়াৰ ফৰ্চ বিদ্যালয়, ক্ৰেছেণ্ট একডেমীৰ দলীয় নৃত্য আৰু কণমানি ঋদ্ধিয়ে একক নৃত্য পৰিবেশন কৰে। উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ ভূপেন্দ্ৰ সংগীত পৰিবেশন, যোৰহাট চৰকাৰী বালিকা বিদ্যালয় আৰু সুৰৰ দেউল সংগীত বিদ্যালয় আৰু সুৰ মালিতাৰ কণ্ঠত আৰু অৰিজিত শইকীয়াৰ ভায়লিনত ভূপেন্দ্ৰ সংগীত পৰিবেশন আছিল অন্যতম। ৰঞ্জন কুমাৰ দত্ত আৰু ড° বিভা দত্ত নেওগৰ সম্পাদনাত প্ৰকাশ পোৱা 'ড° দিলীপ কুমাৰ দত্তৰ জীৱন কৃতী আৰু দৃষ্টি' শীৰ্ষক গ্ৰন্থখন অসম সাহিত্য সভাৰ প্ৰাক্তন মুখ্য সম্পাদক সাহিত্যিক বসন্ত গোস্বামীয়ে উন্মোচন কৰে। সামৰণিত দুয়োজন অতিথি শিল্পী ভূপেন্দ্ৰ সংগীতৰ সাধক জ্যোতিৰ্ময় দেৱনাথ আৰু নয়নজ্যোতি শইকীয়াৰ ভূপেন্দ্ৰ সংগীত পৰিবেশন কৰে। ইপিনে, সুধাকণ্ঠৰ জন্মদিনত অৰ্কিডবয় সমীৰ ৰয়ৰ উদ্যোগত বিখ্যাত গণিতজ্ঞ ড° দিলীপ কুমাৰ দত্ত আৰু বিশিষ্ট সমাজকৰ্মী বিভূচৰণ বৰুৱাৰ সোঁৱৰণত আৰু ৰিণিকি ভূঞা শৰ্মাৰ সন্মানাৰ্থে বিভিন্ন প্ৰজাতিৰ অৰ্কিড ৰোপণ কৰা হয়। জিলা পুথিভঁৰালৰ পীতাম্বৰদেৱ গোস্বামী প্ৰেক্ষাগৃহৰ চৌহদৰ গছত অৰ্কিড ৰোপণ কৰা কাৰ্যসূচীত সমাজকৰ্মী জগন্নাথ অগ্নিবৰাকে মুখ্য কৰি কে'বাজনো ব্যক্তি উপস্থিত থাকে।

# অসম কৃষি বিশ্ববিদ্যালয়ত ঘাঁহ দিৱস পালন

## ■ ঘাঁহ শস্যৰ প্ৰসাৰৰ জৰিয়তে কৃষকক উপকৃত কৰাৰ পৰিকল্পনা

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ৯ ছেপ্তেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ সৰ্বভাৰতীয় সমন্বয়ৰক্ষী ঘাঁহ গৱেষণা প্ৰকল্পৰ যোৰহাট কেন্দ্ৰৰ উদ্যোগত আজি ঘাঁহ দিৱস পালন কৰা হয়। বিশ্ববিদ্যালয়ৰ যোৰহাটস্থ মূল চৌহদৰ নিৰ্দেশমূলক তথা গৱেষণা পামত আয়োজিত এই অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে কৃষি অনুষদৰ বিজ্ঞানগুৰু ড° জয়ন্ত ডেকাই। তেওঁ ভাষণত কয় যে কৃষকৰ মাজলৈ ঘাঁহ শস্যক নি জনপ্ৰিয় কৰা আৰু ঘাঁহক ব্যৱসায়িক শস্য হিচাপে খেতি কৰি উত্তৰণ ঘটালে গো পালকসকলৰ সামগ্ৰিক লাভৱান হ'ব। সৰ্বভাৰতীয় সমন্বয়ৰক্ষী ঘাঁহ গৱেষণা প্ৰকল্পৰ প্ৰধান বিজ্ঞানী ড° সেউজী বৰা নেওগে আদৰণি ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত প্ৰকল্পটোৰ স'তে সুদীৰ্ঘ সময় জড়িত প্ৰধান বিজ্ঞানী ড° কৰুণাকান্ত শৰ্মাই প্ৰকল্পটোৰ উত্তৰণৰ বিষয়ে সবিশেষ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ শস্য বিজ্ঞান বিভাগৰ মুৰব্বী ড° কল্যাণ পাঠকে ভাষণত ক্ষুদ্ৰ তথা উপান্ত খেতিয়কৰ মাজত ঘাঁহ শস্যৰ যথেষ্ট সম্ভাৱনীয়তা আছে বুলি উল্লেখ কৰি নতুন নতুন জাতৰ ঘাঁহ তথা নতুন প্ৰযুক্তিৰ স'তে যথেষ্ট উন্নতি কৰিব পৰা যায় বুলি আশা ব্যক্ত কৰে। এই অনুষ্ঠানত উদ্ভিদ প্ৰজনন আৰু বংশগতিতত্ব বিভাগৰ মুৰব্বী ড° কিশোৰ কুমাৰ শৰ্মা, ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰাণা প্ৰতাপ ভূএঃা, প্ৰধান বিজ্ঞানী ড° খগেন কুৰ্মী, মুৰব্বী অধ্যাপক ডণ পুণ্য গগৈ খনিকৰ, স্থানীয় গাঁওবুঢ়া ভুৱন গগৈ প্ৰমুখ্যে কে'বাজনো অধ্যাপক, বিজ্ঞানী আৰু বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। তদুপৰি দিৱস উপলক্ষে নিৰ্বাচিত গো পালক তথা ঘাঁহ খেতিয়কৰ স'তে বিজ্ঞানীৰ মত বিনিময় অনুষ্ঠানৰ লগতে নিৰ্দেশমূলক তথা গৱেষণা পাম পৰিদৰ্শন কৰোৱা হয়।








# ঘগ্ৰাপাৰত উচ্চ শিক্ষাৰ পৰা বঞ্চিত শ শ শিক্ষাৰ্থী

## ■ আছু-যুৱ-ছাত্ৰ পৰিষদে বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত শীঘ্ৰে ডিগ্ৰী কলেজ স্থাপনৰ দাবী

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত বছৰ বছৰ ধৰি এখন ডিগ্ৰী কলেজ স্থাপন নোহোৱাৰ ফলত শ শ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ আহিছে বুলি ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে অভিযোগ উত্থাপন কৰিছে। বিগত দিনত সংগঠন দুয়োটাই ঘগ্ৰাপাৰত এখন স্নাতক পৰ্যায়ৰ শিক্ষানুষ্ঠান স্থাপন কৰিবলৈ চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষক বহুবাৰ আবেদন-নিবেদন কৰি আহিছে যদিও আজি পৰ্যন্ত কোনো ফল পোৱা নাই। উল্লেখ যে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ উত্তীৰ্ণৰ হাৰ ক্ৰমাগতভাৱে বৃদ্ধি পোৱাৰ লগতে ১০-১৫ কিলোমিটাৰ দূৰৈত থকা স্নাতক পৰ্যায়ৰ কলেজসমূহত আসন সীমিত থকাত এচাম শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হৈ আহিছে। বিশেষকৈ দ্বিতীয় আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা অঞ্চলটোৰ শ শ ছাত্ৰ-ছাত্ৰীৰ বাবে ভাবুকি আহি পৰিছে। উল্লেখ্য যে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে সম্প্ৰতি স্নাতক পাঠ্যক্ৰমত অধ্যয়ন কৰিবলৈ হ'লে ১০-১৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত এখনো কলেজ নাই। শিক্ষাৰ্থীসকলে ৰঙিয়া, তামুলপুৰ, নলবাৰী, বৰভাগ মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ বাহিৰে গত্যন্তৰ নাই। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে কোনো মতে সংশ্লিষ্ট মহাবিদ্যালয়সমূহৰ এখনত নামভৰ্তি কৰিব পৰাৰ থল আছে যদিও দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাসকলে নামভৰ্তিৰ আশা সমূলঞ্চে পৰিহাৰ কৰিছে। স্মৰ্তব্য যে ৰূপালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা অঞ্চলটোৰ উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান বনভাগ কনিষ্ঠ মহাবিদ্যালয়খনক ইতিমধ্যে চৰকাৰে বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়লৈ পৰ্যবসিত কৰিছে যদিও দল-সংগঠন তথা ৰাইজে এই শিক্ষানুষ্ঠানখন ডিগ্ৰী কলেজলৈ উন্নীত কৰিবলৈ চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে। কিন্তু দুখৰ বিষয় যে পৰিৱৰ্তনকামী বিজেপি চৰকাৰখনে আজি পৰ্যন্ত এয়াক মূঠতে গুৰুত্ব প্ৰদান নকৰিলে। ইতিমধ্যে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ একাধিক শিক্ষাৰ্থীয়ে উচ্চ শিক্ষাৰ ১৩ পৃষ্ঠাত চাওক



## দিখৌমুখত সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৯ ছেপ্টেম্বৰ ঃ** মিচিং জাতীয় সংগঠন টি এম পি কেৰ শিৱসাগৰ জিলা সমিতি আৰু দিখৌমুখ আঞ্চলিক সমিতিৰ যুটীয়া উদ্যোগত আজি দিখৌমুখৰ টেলিয়াডোঙাত জনগোষ্ঠীটোৰ ৰাইজৰ মাজত ক্ৰমাৎ বৃদ্ধি পোৱা সামাজিক কুসংস্কাৰ আৰু অঞ্চলটোত ৰঘুমলাৰ দৰে বৃদ্ধি পোৱা অবৈধ মদ আৰু ভাঙৰ বেহাৰ বিৰুদ্ধে এক সজাগতামূলক সভা অনুষ্ঠিত হয়। এম এম কেৰ শিৱসাগৰ জিলা সমিতিৰ উপসভাপতি তথা ছাত্ৰ নেতা অঞ্জন টায়েৰ সঞ্চালনাত জলসম্পদ বিভাগৰ পৰিদৰ্শন বঙলা প্ৰাংগণত অনুষ্ঠিত সভাখনত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য বিনোৱা টায়েই জনগোষ্ঠীটোৰ মাজত দীৰ্ঘদিন ধৰি চলি অহা কুসংস্কাৰ আৰু অন্ধবিশ্বাসৰ বাবেই জনগোষ্ঠীটো বহু পিছ পৰি থাকিব লগা হৈছে বুলি মন্তব্য কৰে। উল্লেখ্য যে যোৱা ৩০ আগষ্টত টেলিয়াডোঙাত সংঘটিত সোপাধৰা কাণ্ডটো ইয়াৰ জ্বলন্ত উদাহৰণ বুলিও কয়। ইয়াৰ বাবে মুখ্যতঃ ঘটনাস্থলীৰ আশে পাশে গঢ়ি উঠা অবৈধ মদ আৰু ভাঙৰ আড্ডাবোৰো দায়ী। এইবোৰ উচ্ছেদ কৰাত মহিলাসকলে মুখ্য ভূমিকা ল'ব লাগিব বুলি মন্তব্য কৰে। সভাত টি এম পি কেৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক দিব্য খামটিয়ে কয় যে এনেধৰণৰ পুৰণিকলীয়া চিন্তাধাৰা পৰিহাৰ কৰি বিজ্ঞান মনস্কতাৰে মানুহ আগবাঢ়িলেহে জাতিৰ উন্নতি হ'ব।

## তিনিচুকীয়াৰ ন ধূলিজান প্ৰাথমিক বিদ্যালয়ে গুণোৎসৱত এ প্লাছ গ্ৰেডৰ ধাৰাবাহিকতা অক্ষুণ্ণ

অগ্ৰদূত বাৰ্তা

**তালাপ, ৯ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত মে'ত অনুষ্ঠিত কৰিছিল গুণোৎসৱ ২০২২। ৰাজ্যৰ আন আন চৰকাৰী শিক্ষানুষ্ঠানৰ লগতে তিনিচুকীয়া জিলাৰ ন ধূলিজান প্ৰাথমিক বিদ্যালয়তো অনুষ্ঠিত কৰা হৈছিল গুণোৎসৱ ২০২২। কাকপথাৰ প্ৰাথমিক শিক্ষা খণ্ডৰ গাখীৰভেটি সমল কেন্দ্ৰৰ অন্তৰ্গত ন ধূলিজান প্ৰাথমিক বিদ্যালয়ে চলিত বৰ্ষৰ গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰিবলৈ সক্ষম হয়। গাখীৰভেটি সমল কেন্দ্ৰৰ ১১ খন নিম্ন আৰু এখন উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ন ধূলিজান, বেতনী আৰু দুই নম্বৰ তামুলী প্ৰাথমিক বিদ্যালয়ে গুণোৎসৱত এ প্লাছ গ্ৰেড লাভ কৰে। তাৰে ভিতৰত ন ধূলিজান প্ৰাথমিক বিদ্যালয়খনে সৰ্বোচ্চ ৮৯.১১ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বিগত ২০১৭ৰ পৰা ন ধূলিজান প্ৰাথমিক বিদ্যালয়খনে এ প্লাছ গ্ৰেডৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি আহিছে। বিদ্যালয়খনে এ প্লাছ গ্ৰেড লাভ কৰা বিষয়টোৱে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু শুভাকাংক্ষীসকলকো আনন্দিত কৰি তুলিছে।

## পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা-লক্ষ্মীপূজা-শ্যামাপূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ পূব প্ৰান্তৰ পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা (দেহাৰকুছি)ৰ ৫৯ সংখ্যক পূজাৰ অহা একৰ পৰা পাঁচ অক্টোবৰলৈ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুযায়ী এক অক্টোবৰৰ পুৱা শংকৰদেৱ বিদ্যা নিকেতন, বাহাৰঘাটৰ শিক্ষাৰ্থীসকলে মংগলাচৰণৰে পূজাৰ কাৰ্যসূচী আৰম্ভ কৰিব। ইয়াৰ পাছতে দুৰ্গামণ্ডপ পৰিচালনা সমিতিৰ সভাপতি নিৰঞ্জন চন্দ্ৰ ডেকাই পতাকা উত্তোলন, গিৰীশ চন্দ্ৰ গোস্বামীয়ে স্মৃতি তৰ্পণ, ৰমেশ চন্দ্ৰ শৰ্মাই ভূমিদাতা প্ৰয়াত বশিষ্ঠনাথ শৰ্মাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰাৰ লগতে পুৱা প্ৰবীণ শইকীয়া আৰু পুষ্পলতা শইকীয়াৰ স্মৃতিত নিৰ্মিত সভাঘৰ উন্মোচন কৰিব সাংসদ তথা বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই আৰু পুনৰ নিৰ্মিত গ্ৰাম্য আলোচনা গৃহ উদ্বোধন কৰিব মন্ত্ৰী তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব তৰু দেৱীয়ে, বিল্ববোধনৰ বাবে শোভাযাত্ৰা, টোপধ্বনি প্ৰজ্বলন কৰিব কনক ডেকাই। দুই অক্টোবৰত সপ্তমীপূজা, আয়তীসকলৰ নাম, আবেলি ওজাপালি, ৰাজহুৱা ভোগগ্ৰহণ, নিশা দেৱীৰ আৰতি আৰু আমন্ত্ৰিত নামদলৰ নাগাৰানাম প্ৰদৰ্শন, উদ্বোধন কৰিব দেহাৰকুছি গাঁও পঞ্চায়তৰ সভাপতি যোগেশ্বৰ শৰ্মাই। তিনি অক্টোবৰত মহাষ্টমী পূজা, আয়তীসকলৰ নাম, দিনৰ ১৩ পৃষ্ঠাত চাওক

## ডিব্ৰুগড় নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা আৰু কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীবানন্দ বৰগোহাঁয়ে প্ৰয়াত শিক্ষাবিদ, মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ নন্দলাল বৰগোহাঁইৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পমালা অৰ্পণ কৰে। উপস্থিত নিমন্ত্ৰিত অতিথিসকলে সহযোগিতা আগবঢ়োৱা অনুষ্ঠান মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ কৰা হয়। নন্দলালে বৰগোহাঁইৰ চিটি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সৌৰভ সোণোৱালে আদৰণি আৰু উদ্দেশ্যে আগবঢ়োৱা সভাখনত সভাপতিত্ব কৰাৰ লগতে সকলোকে আদৰণি জনায় অধ্যক্ষ ড° সঞ্জীবানন্দ বৰগোহাঁয়ে। নৱাগত আদৰণি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত আহি পৰা প্ৰত্যাহ্বানক স্বীকাৰ কৰি ইয়াৰ পৰা অগ্ৰসৰ হ'বৰ বাবে সদায় প্ৰস্তুত থাকিব লাগিব বুলি কোৱাৰ লগতে কষ্ট কৰিলে নিজৰ সফলতা হোৱাৰ লগতে সমাজৰ বাবেও কিবা এটা কৰিব পাৰিব বুলি কয়। ডিব্ৰুগড় জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়াই বিশিষ্ট অতিথিৰূপে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি গ'লে সফলতা লাভ কৰাৰ লগতে কষ্ট কৰিলে ৰত্ন পাবলৈ সক্ষম হ'ব বুলি উৎসাহমূলক বক্তব্য প্ৰদান কৰে। বৃহত্তৰ প্ৰেছ ক্লাবৰ সভাপতি মনজিত বৰা আৰু জ্যেষ্ঠ সম্পাদক যাদৱ গগৈয়ে নৱাগত আদৰণি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱনৰ কথা কোৱাৰ লগতে খোজে প্ৰতি সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহক কেনেদৰে মোকাবিলা কৰি সফলতা লাভ কৰি নিজকে সমাজৰ এগৰাকী উপযুক্ত নাগৰিকৰূপে গ্ৰহণযোগ্য কৰি তুলিব পাৰি সেই সন্দৰ্ভত উল্লেখ কৰে। ১৩ পৃষ্ঠাত চাওক

## নলবাৰীত দুৰ্গা পূজা সমিতিৰ স'তে জিলা প্ৰশাসনৰ সভা

### প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ নিৰ্দেশনা মানি চলাৰ আহ্বান উপায়ুক্তৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৯ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গোৎসৱ শান্তি-সম্প্ৰীতি আৰু সুৰক্ষিতভাৱে উদ্‌যাপন কৰাৰ উদ্দেশ্যে আজি জিলা উপায়ুক্তৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। দিনৰ ১১ বজাত জিলা উপায়ুক্ত গীতিমণি ফুকনৰ অধ্যক্ষতাত জিলাখনৰ বিভিন্ন পূজা সমিতিৰ প্ৰতিনিধিসকলে এই বিশেষ সভাত অংশগ্ৰহণ কৰে। উল্লেখ্য যে পূৰ্বৰ দুটা বছৰৰ নিচিনা ক'ভিড মহামাৰীৰ ভয়াৱহতা এইবাৰ নোহোৱাৰ আশা কৰি বৈদিক নীতি-নিয়ম আৰু স্বাস্থ্যসন্মতভাৱে দুৰ্গা পূজা পালন কৰিবলৈ সমিতিসমূহক আহ্বান জনায়। উল্লেখ্য যে এইবাৰ পূজা অনুষ্ঠিত কৰাৰ পূজা সমিতিসমূহে অহা ২০ ছেপ্টেম্বৰৰ ভিতৰত অনুমতিৰ বাবে আবেদন কৰিব লাগিব আৰু আবেদনৰ পত্ৰত উক্ত পূজা সমিতিয়ে বিসৰ্জন কৰিবলীয়া ঘাটটোৰ নাম স্পষ্টকৈ উল্লেখ কৰিব লাগিব বুলি জিলা উপায়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি কোনো পূজা সমিতিয়ে ১৩ পৃষ্ঠাত চাওক



## পৌৰ কৰ বৃদ্ধিৰ প্ৰতিবাদত ডিব্ৰুগড় নাগৰিক মঞ্চ ঃ পৌৰপতিৰ হাতত প্ৰতিবাদ পত্ৰ প্ৰদান

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৯ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ডাঃ চৈকত পাত্ৰৰ হাতত আজি ডিব্ৰুগড় নাগৰিক মঞ্চই এখন অভিযোগ পত্ৰ প্ৰদান কৰে। ডিব্ৰুগড় নাগৰিক মঞ্চৰ হৈ সভাপতি ড° ভাৰতী দত্ত, কাৰ্যকৰী সভাপতি বুদ্ধেশ্বৰ বৰুৱা আৰু সাধাৰণ সম্পাদক দুৰ্লভ গগৈৰ স্বাক্ষৰিত অভিযোগ পত্ৰত উল্লেখ কৰা হয় যে ৰাজ্য চৰকাৰে পৌৰ অঞ্চলাধীন নাগৰিকৰ সম্পত্তি কৰ ধাৰ্য কৰাৰ যি তাৎক্ষণিক ব্যৱস্থা হাতত লৈছে কোনো আগতীয়া ৰাজহুৱা শুনানি আদি গ্ৰহণ নকৰাকৈ একপক্ষীয়ভাৱে, এই ব্যৱস্থা নিতান্তই অগণতান্ত্ৰিক আৰু নাগৰিকৰ স্বাৰ্থৰ পৰিপন্থী। সেয়েহে ইয়াক অচিৰে প্ৰত্যাহাৰ কৰিব লাগে বুলি দাবী জনাইছে। ডিব্ৰুগড় নাগৰিক মঞ্চই দাবী কৰে যে মাত্ৰ চাৰিদিনৰ সময় বান্ধি দি নিৰ্দিষ্ট প্ৰপত্ৰৰ জৰিয়তে নাগৰিকক নিজৰ সম্পত্তিৰ মূল্যাংকন কৰাৰ তথ্য ১০ ছেপ্টেম্বৰৰ ভিতৰত জমা দিবলৈ নিৰ্দেশ দিয়া, অন্যথা জৰিমনাৰ ব্যৱস্থা হাতত লোৱা কাৰ্য অচিৰেই প্ৰত্যাহাৰ কৰিব লাগে।

পৌৰ নিগম আৰু পৌৰসভাবোৰৰ জৰিয়তে চৰকাৰে নাগৰিকক নিম্নতম সা-সুবিধা যেনে, খোৱা পানীৰ ব্যৱস্থা, ষ্ট্ৰীট লাইটৰ ব্যৱস্থা, নগৰৰ নলা-নৰ্দমা আদি পৰিষ্কৰণ আদিত সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি অভিযোগ কৰে। আনহাতে, ১৩ পৃষ্ঠাত চাওক

## গৌৰাং অধ্যয়ন চক্ৰৰ কোকৰাঝাৰৰ ছহিদ বেদীত সুধাকণ্ঠৰ জন্ম দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ৯ ছেপ্টেম্বৰ ঃ** সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিন ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোকৰাঝাৰতো বিভিন্ন দল-সংগঠনে গীত-মাত আৰু বক্তৃতা অনুষ্ঠানৰ মাজেৰে পালন কৰে। কোকৰাঝাৰ চহৰৰ মাজমজিয়াৰ ছহিদ বেদীত এই উপলক্ষে গৌৰাং অধ্যয়ন চক্ৰৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিন পালন কৰি ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণেৰে আৰম্ভ কৰে গৌৰাং অধ্যয়ন চক্ৰৰ কাৰ্যকৰী সভাপতি তথা কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মহেশ গগৈয়ে। তদুপৰি ভূপেন হাজৰিকাৰ গীতৰ কলিৰে আৰম্ভ কৰা ওপজা দিন পালন কৰি কাৰ্যসূচীৰ ব্যাখ্যা আগবঢ়ায় বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ প্ৰবক্তা তথা গৌৰাং অধ্যয়ন চক্ৰৰ সভাপতি হিল্লোলজ্যোতি সিংহই। কোকৰাঝাৰত উদ্‌যাপিত সুধাকণ্ঠ ড° হাজৰিকাৰ জন্ম দিৱসৰ কাৰ্যসূচীত গৌৰাং অধ্যয়ন চক্ৰৰ প্ৰায় সদস্যবৃন্দ উপস্থিত থাকে।

## পলিঅ' প্ৰতিষেধক সন্দৰ্ভত গোৱালপাৰাত সভা

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলা উপায়ুক্ত খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত আজি পলিঅ'ৰ ওপৰত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা উপায়ুক্ত কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক, স্বাস্থ্য বিভাগৰ বিষয়াসকল, জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা সমাজ কল্যাণ বিষয়া আৰু উন্নয়ন খণ্ডৰ বিষয়াসকল উপস্থিত থাকে। উল্লেখ্য যে অহা ১৮ আৰু ১৯ ছেপ্টেম্বৰত গোৱালপাৰা জিলাৰ ০-৫৯ মাহৰ সকলো শিশুক পলিঅ' প্ৰতিষেধক খুৱাবলৈ বিভিন্ন বিভাগৰ সহায়-সহযোগিতাৰ বাবে আজিৰ এই সভা অনুষ্ঠিত কৰা হয়। সভাত স্বাস্থ্য বিভাগে পাৱাৰ পইণ্ট জৰিয়তে গোৱালপাৰা জিলাৰ পূৰ্বৰে পৰা বৰ্তমানলৈ পলিঅ' প্ৰতিষেধক দিয়া শতাংশ হিচাপে দেখুৱায়। এইবেলি যাতে কোনো শিশু বাদ নপৰে তাৰ বাবে শিক্ষা, সমাজ কল্যাণ আৰু উন্নয়ন খণ্ডৰ বিভাগসকলৰ উপৰি আত্মসহায়ক গোটসমূহক পলিঅ' প্ৰতিষেধক অভিযানত জড়িত কৰিবলৈ আহ্বান জনায় জিলা উপায়ুক্তই।

## অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলক ১০ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰক

### উপায়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীলৈ ১৩ দফীয়া দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ গাঁও প্ৰধান সংস্থাৰ

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম গাঁও প্ৰধান সংস্থাৰ নিৰ্দেশমৰ্মে আজি যোৰহাট জিলা সমিতিৰ হৈ কেন্দ্ৰীয় সহকাৰী সম্পাদক দিগন্ত বৰুৱা, জিলা সভাপতি বিপুল শইকীয়া, সম্পাদক মহেন্দ্ৰ শইকীয়া, যোৰহাট পূব ৰাজহ চক্ৰ সমিতিৰ সভাপতি গোবিন বৰা আৰু সম্পাদক বাবুল বৰাৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনক সাক্ষাৎ কৰি কে'বাটাও দাবী সম্বলিত এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। বিভিন্ন সমস্যাৰে জৰ্জৰিত গাঁও প্ৰধানসকলৰ কল্যাণৰ বাবে সংস্থাই প্ৰতি জিলা, মহকুমাৰ যোগেদি এই স্মাৰকপত্ৰ প্ৰদানৰ ব্যৱস্থা কৰিছে। স্মাৰকপত্ৰত উল্লেখ কৰা অনুসৰি ২০১৯ৰ বাজেট অধিবেশনত তেতিয়াৰ বিত্তমন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গাঁও প্ৰধানসকলক যি প্ৰতিষ্ঠানিক ৰূপ দিয়াৰ কথা ঘোষণা কৰিছিল, সেই ঘোষণা কাৰ্যকৰী কৰা, অৱসৰপ্ৰাপ্ত গাঁও প্ৰধানসকলৰ জীৱন-জীৱিকা সুচলভাৱে চলাই যাবৰ বাবে ১০ লাখ টকাৰ এককালীন সাহায্য প্ৰদান, গাঁও প্ৰধানসকলৰ স্বাভাৱিক মৃত্যুত পাঁচ লাখ আৰু অস্বাভাৱিক মৃত্যুত ১০ লাখ টকাৰ এককালীন সাহায্য প্ৰদান, ৰাজহ প্ৰশাসন আৰু দুৰ্যোগ প্ৰশমন বিভাগৰ সকলো কাম সঠিক ৰূপত আগবঢ়াই নিবৰ বাবে প্ৰতিজন গাঁও প্ৰধানৰ লাটত একোটাকৈ আধুনিক প্ৰযুক্তি সম্পন্ন কাৰ্যালয়ৰ ব্যৱস্থা কৰা, নিযুক্তিৰ ক্ষেত্ৰত গাঁও প্ৰধান পৰিয়ালৰ ক্ষেত্ৰত নিম্নতম বয়স পূৰ্বৰ অধিসূচনা ২৫ বছৰ বাহাল ৰখা, গাঁও প্ৰধানসকলক বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা আদি ১৩ দফীয়া প্ৰস্তাৱ অন্যতম। উল্লেখ্য এই প্ৰস্তাৱসমূহ চলিত বৰ্ষত ডিব্ৰুগড় জিলাৰ মৰাণ তিলৈত অনুষ্ঠিত সদৌ অসম গাঁও প্ৰধান সংস্থাৰ ৩৯ সংখ্যক কেন্দ্ৰীয় অধিবেশনৰ সাধাৰণ সভাত গ্ৰহণ কৰা হৈছিল।

## ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ আন্তৰ্জাতিক সাক্ষৰতা দিৱস পালন



অগ্ৰদূত বাৰ্তা

**চিনামৰা, ৯ ছেপ্টেম্বৰ ঃ** ডাঃ নবীন বৰদলৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আজি আন্তৰ্জাতিক সাক্ষৰতা দিৱসৰ লগত সংগতি ৰাখি স্থানীয় গোহাঁই গোবিন্দপুৰ গাঁৱত এখন সভা অনুষ্ঠিত হয়। মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা সমাজ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° হিমন্ত প্ৰতিম বৰগোহাঁইৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয় অধ্যাপিকা আলেনা বেগমে। মহাবিদ্যালয়ৰ অধ্যক্ষ উৎপল বৰদলৈয়ে সমল ব্যক্তিৰূপে ভাগ লৈ সমাজত সাক্ষৰতাৰ হাৰ বৃদ্ধিৰ প্ৰয়োজনীয়তা তথা শিক্ষা-দীক্ষাই সমাজখনক কেনেদৰে সুন্দৰকৈ আগবঢ়াই নিয়ে সেই সম্পৰ্কত আলোকপাত কৰে। মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ অধ্যাপক ৰঙাই ভূঞাই বক্তব্য আগবঢ়োৱা সভাত স্থানীয় ব্যক্তি সৰুকণ ভূঞা, মৰমী দাস, দিগন্ত হাজৰিকাই শিক্ষাৰ ক্ষেত্ৰত পাই অহা সুবিধা-অসুবিধাসমূহ ব্যক্ত কৰে। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা মৌচুমী বৰগোহাঁইয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে অংশগ্ৰহণ কৰে।

## বৰভাগত ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ স্মৃতি দিৱসৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনৰ অমৰ ছহিদ নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত উপৰ বৰভাগ মৌজাৰ সোণকানি গাঁৱৰ সু সন্তান মুকুন্দ কাকতিৰ ৮১ সংখ্যক মৃত্যু দিৱস অহা ২০ ছেপ্টেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আৰু ক্ষুদ্ৰ কুলহাটী গাঁও উন্নয়ন সমিতিৰ সহযোগত ক্ষুদ্ৰ কুলহাটীৰ বিষ্ণু মন্দিৰ প্ৰাংগণৰ বালিৰাম কলিতা সোঁৱৰণী ক্ষেত্ৰত আয়োজন কৰা হৈছে। সিদিনাৰ কাৰ্যসূচী অনুসৰি, পুৱা প্ৰভাত ফেৰী, পাছত ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ পতাকা উত্তোলন, বীৰ ছহিদগৰাকীৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান, তাৰ পাছত ভাৰতৰ স্বাধীনতা আন্দোলনৰ অমৰ ছহিদসকলৰ পৱিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ছহিদ মুকুন্দ কাকতিৰ আৱক্ষ মূৰ্তি সোণকানি গাঁৱত মাল্যাৰ্পণ, ছহিদ মুকুন্দ কাকতিৰ আৱক্ষ মূৰ্তি কৰিয়াত মাল্যাৰ্পণ, গছপুলি ৰোপণ, কৃতী শিক্ষক নবীন চন্দ্ৰ শৰ্মাৰ পবিত্ৰ স্মৃতিত উৎসৰ্গিত নগদ ধনৰ পুৰস্কাৰ সম্বলিত আন্তঃবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা, স্মৃতিচাৰণ আৰু মুকলি সভা অনুষ্ঠিত হ'ব। বিশিষ্ট চিকিৎসক সমাজসেৱক ডাঃ ভূপেশ চন্দ্ৰ শৰ্মাই উদ্বোধন কৰিব লগা সভাত সভাপতিত্ব কৰিব ছহিদ মুকুন্দ কাকতি স্মৃতি ৰক্ষা সমিতিৰ সভাপতি ফনিন্দ্ৰ নাথ চক্ৰৱৰ্তীয়ে। মুকলি সভাত নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কুইন ওজা, সাংসদ দিলীপ শইকীয়া, বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, জিলা উপায়ুক্ত গীতিমণি ফুকন প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

## খ্যাতনামা সাহিত্যিকৰ অংশগ্ৰহণেৰে তেজপুৰত ন ডিচেম্বৰৰ পৰা তিনিদিনীয়া 'সাহিত্য উৎসৱ'

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৯ ছেপ্টেম্বৰ ঃ** নৱপ্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি তথা কিতাপ পঢ়াৰ প্ৰতি অধিক আগ্ৰহী কৰি তোলাৰ লক্ষ্যৰে অসমকে ধৰি দেশৰ বিভিন্ন ৰাজ্যৰ জনপ্ৰিয় লেখক-সাহিত্যিকৰ উপস্থিতিত 'মেজমেল', 'লেখকৰ স'তে মুখামুখী', 'সৃজনীমূলক লেখাৰ কৰ্মশালা', বহুভাষিক গদ্য কবিতা', 'থিতাতে কবিতা ৰচনা', 'লেখকৰ স'তে কথোপকথন', শ্লেম কবিতা বা দৃশ্য-শ্ৰাব্য কবিতা, আদি আকৰ্ষণীয় কাৰ্যসূচীৰে অহা ন ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈ তেজপুৰত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ব' সাহিত্য উৎসৱ'। তেজপুৰৰ সাহিত্য আৰু শৈক্ষিক অনুষ্ঠান 'টেল'ৰ উদ্যোগত আৰু তেজপুৰীয়া ৰাইজৰ সহযোগত অনুষ্ঠিত হ'ব লগা এই বৌদ্ধিক অনুষ্ঠান সফলকাম কৰি তোলাৰ লক্ষ্যৰে কালি সন্ধিয়া তেজপুৰ সাহিত্য সভা ভৱনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। তেজপুৰ সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই আঁত ধৰা আৰু শিক্ষাবিদ, নিবন্ধকাৰ ড° প্ৰাণজিৎ হাজৰিকাই পৌৰহিত্যত কৰা সভাখনৰ আৰম্ভণিতে 'টেল'ৰ সভানেত্ৰী জয়শ্ৰী ভূঞাই আদৰণী ভাষণ প্ৰদান কৰাৰ বিপৰীতে 'টেল'ৰ লক্ষ্য উদ্দেশ্য আৰু এই সাহিত্য উৎসৱৰ পৰিকল্পনা আৰু প্ৰস্তুতিৰ সন্দৰ্ভত সবিশেষ দাঙি ধৰি 'টেল'ৰ সম্পাদিকা তথা এগৰাকী সুলেখিকা ড° শ্বৰিতা শৰ্মাই। তেওঁ কয় যে, ইতিমধ্যে এই সাহিত্য উৎসৱৰ বাবে প্ৰখ্যাত সাহিত্যিক য়েছে দৰজে ঠংচি, ড° ধ্ৰুৱজ্যোতি বৰা, মুম্বাইৰ প্ৰখ্যাত সাহিত্যিক দেৱ দত্ত পাটনায়ক, নতুন দিল্লীৰ জেনিচ পেৰিয়েট, অৰুণাচল প্ৰদেশৰ ১৩ পৃষ্ঠাত চাওক



## জলসিঞ্চন-কৃষি বিভাগৰ বুজাবুজি নহ'লে কৃষিভূমিয়ে ফচল নিদিব

### ■ মঙলদৈ মিডিয়া চাৰ্কোলৰ 'পথাৰলৈ যাওঁ বলক' কাৰ্যসূচী ■ পঞ্চদশ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ৯ ছেপ্টেম্বৰ ঃ** 'মাটি আৰু খেতিয়কৰ সম্বন্ধ আছে যুগ যুগৰ। এই অসমীয়া গীতশাৰীৰ অৰ্থ এতিয়া হেৰাই যাব ধৰিছে।' এই কথা ব্যক্ত কৰে জলসিঞ্চন বিভাগৰ মঙলদৈ সংমণ্ডলৰ সহকাৰী অভিযন্তা তথা মঙলদৈৰ বিশিষ্ট ব্যক্তি কেশৱ কুমাৰ শৰ্মাই। মঙলদৈ মিডিয়া চাৰ্কোলৰ পঞ্চদশ বাৰ্ষিক অধিৱেশন উপলক্ষে সংগঠনটোৱে হাতত লোৱা 'পথাৰলৈ যাওঁ বলক' শীৰ্ষক কাৰ্যসূচীৰ অংশৰূপে আজি চন্দ্ৰমল দত্ত কৃষি বান্ধৰ নিয়মীয়া নিৰীক্ষণৰ অস্থায়ী কক্ষত অনুষ্ঠিত সভাত সহকাৰী অভিযন্তা শৰ্মাই এইদৰে কয়। মিডিয়া চাৰ্কোলৰ সভাপতি ভাৰ্গৱ কুমাৰ দাসে সভাপতিত্ব কৰা আৰু সম্পাদক ময়ূখ গোস্বামীয়ে আঁত ধৰা সভাত দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক বিজয় বৰুৱাই কয় যে ৰাজ্য চৰকাৰৰ অধীনস্থ কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগে পাৰস্পৰিক বুজাবুজিৰে আঁচনিবোৰ ৰূপায়ণ নকৰাৰ বাবে কৃষিভূমিৰ অৱস্থা দুখ লগা হৈ থাকে। সেয়ে তেওঁলোকে কৃষকৰ স্বাৰ্থত, ফচলৰ স্বাৰ্থত একেলগে কাম কৰা উচিত বুলি বৰুৱাই কয়। দৰং ডায়েটৰ অধ্যক্ষ মাধৱ শৰ্মাই মঙলদৈ মিডিয়া চাৰ্কোলৰ প্ৰতিগৰাকীলৈ শুভেচ্ছা জনাই সৎ আৰু সুস্থ সাংবাদিকতাৰ ধাৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। উল্লেখ্য যে দৰং জিলাৰ এটি পুৰণি জলসিঞ্চন বান্ধ, চন্দ্ৰমল দত্ত বান্ধে নামনিৰ কে'বাখনো গাঁৱৰ কৃষিপথাৰত পানী যোগান দি আহিছে। এই বান্ধৰ উৎপত্তি স্থল বাঁহজানীত অনুষ্ঠিত অধিৱেশনৰ মূল কাৰ্যসূচী ১৩ পৃষ্ঠাত চাওক



# পৌৰ কৰ বৃদ্ধিৰ প্ৰতিবাদত ডিব্ৰুগড়

*১২ পৃষ্ঠাৰ পৰা* সম্পত্তি মূল্যায়নৰ বাবে ভাৰতৰ অন্যান্য চহৰ-নগৰসমূহত গ্ৰহণ কৰা ইউনিট এৰিয়া মেথড গ্ৰহণ কৰি আচাম মিউনিচিপ্যাল এক্ট গ্ৰহণ কৰা হৈছে যদিও পৌৰ নিগম আৰু পৌৰসভাসমূহৰ আইনত এই সংশোধনী আজিলৈকে কৰা হোৱা নাই। ইয়াক কাৰ্যকৰী কৰিবলৈ ন্যায়ালয়েও চৰকাৰক পৰামৰ্শ দিছিল। কিন্তু এই সকলোবোৰ আওকাণ কৰি হঠাৎ ৰাজ্য চৰকাৰে এই যি ব্যৱস্থাৰ কথা ঘোষণা কৰিছে, তাক ডিব্ৰুগড় নাগৰিক মঞ্চই তীব্ৰ বিৰোধিতা কৰি অভিযোগ পত্ৰখনৰ যোগে সেই নিৰ্দেশ শীঘ্ৰে প্ৰত্যাহাৰৰ দাবী জনাইছে।

# ঘগ্ৰাপাৰত উচ্চ শিক্ষাৰ পৰা বঞ্চিত শ শ

*১২ পৃষ্ঠাৰ পৰা* আশা বাদ দি কৰ্মৰ সন্ধানত বিভিন্ন স্থানলৈ গমন কৰা বুলি জানিব পৰা গৈছে। সেয়েহে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লগতে ঘগ্ৰাপাৰ আঞ্চলিক ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতি আদিয়ে ঘগ্ৰাপাৰৰ পৈচৰাস্থিত বনভাগ জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ত এখন ডিগ্ৰী কলেজ কৰি বছৰ বছৰ ধৰি উচ্চ শিক্ষাৰ পৰা বঞ্চিত হোৱা শ শ শিক্ষাৰ্থীক উচ্চ শিক্ষা দিয়াত সহায় কৰিবলৈ বিজেপি চৰকাৰ আৰু নলবাৰীৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে।

# জলসিঞ্চন-কৃষি বিভাগৰ বুজাবুজি

*১২ পৃষ্ঠাৰ পৰা* বৃক্ষৰোপণ কৰে অভিযন্তা কেশৱ কুমাৰ শৰ্মা, মঙলদৈ মিডিয়া চাৰ্কোলৰ সভাপতি ভাৰ্গৱ কুমাৰ দাস, কাৰ্যকৰী সভাপতি হেমন্ত কুমাৰ বৰুৱা, সম্পাদক ময়ুখ গোস্বামী, উপদেষ্টা হিতেশ হাজৰিকা, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যকৰী অভিযন্তা সঞ্জীৱ শৰ্মা, দৰং ডায়েটৰ অধ্যক্ষ মাধৱ শৰ্মা, মিডিয়া চাৰ্কোলৰ বিষয়ববীয়া তথা অধিবক্তা ধৰ্মেন্দ্ৰ নাৰায়ণ দেৱ, শ্ৰাৱণ ঝা, জয়ন্ত ৰায়, নিত্যানন্দ শৰ্মা, ৰূপকান্ত শৰ্মা, স্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত গাণনিক অম্বিকা ডেকা, স্থানীয় পঞ্চায়ত সভাপতি মনেশ্বৰ বড়ো, বিশিষ্ট কৃষক ৰবি বড়ো, ভাৰত শইকীয়া আৰু স্থানীয় কে'বাজনো কৃষকে।

# ডিব্ৰুগড় নন্দলাল বৰগোহাঁই চিটি

*১২ পৃষ্ঠাৰ পৰা* ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা তথা নন্দলাল বৰগোহাঁই চিটি মহাবিদ্যালয়ৰ অন্যতম মূল ব্যক্তি জ্যোতি বৰগোহাঁয়ে নৱাগতসকলক আদৰণি জনায় নিজৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰি যাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° মানসী গগৈ বৰগোহাঁয়ে অসমৰ উচ্চ শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত নন্দলাল বৰগোহাঁইৰ অৱদান আৰু ত্যাগৰ কথা তথ্যসহকাৰে উল্লেখ কৰি তেওঁৰ অৱদান সদায় মহীয়ান হৈ থাকিব বুলিও কয়। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটৰ সভাপতি বিতুপন চাংমাই, স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সাধাৰণ পাৰ্থ সাৰথি সোণোৱাল উপস্থিত থাকে। এই নৱাগত আদৰণি সভাত অতিৰিক্ত আৰক্ষী অধীক্ষক চেতিয়া, ছাত্ৰ সন্থাৰ উপদেষ্টা গগৈ, সাংবাদিক মঞ্জিত বৰা, যাদৱ গগৈক বিশেষভাৱে মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা পত্ৰ, শৰাই, জাপি, চেলেং, গামোচা আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ছাত্ৰ ঋতম বৰা, আকাশজ্যোতি দলৈকে ধৰি ছাত্ৰ-ছাত্ৰীসকলে গীত, নৃত্য পৰিৱেশন কৰা অনুষ্ঠান আলোচনী বিভাগৰ সম্পাদক বাস্তৱ কলিতাই আঁত ধৰাৰ লগতে শলাগ জ্ঞাপন কৰে। মুকলি সভাৰ পাছতে নিমন্ত্ৰিত শিল্পীসকলেও গীত পৰিবেশন কৰে।

# পশ্চিম বড়িগোগ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা

*১২ পৃষ্ঠাৰ পৰা* এক বজাত ওজাপালি, আবেলি ৰাজহুৱা ভোগগ্ৰহণ, আবেলি সন্ধিপূজা আৰম্ভ আৰু নিশা দেৱীৰ আৰতিৰ পাছতে আমন্ত্ৰিত নামদলৰ নাগাৰা নাম প্ৰদৰ্শন, নাম উদ্বোধন কৰিব বড়িগোগ বনভাগ মণ্ডল বিজেপি অ'বিচি মৰ্চাৰ উপ-সভাপতি দ্বীজেন দাসে। চাৰি অক্টোবৰৰ মহা নৱমী পূজা, কুমাৰী পূজা, ৰাজহুৱা ভোগ উছৰ্গা, পূৰ্ণাহুতি, মহাশান্তিৰ পাছত ভোগগ্ৰহণ, আবেলি ওজাপালি, নিশা দেৱীৰ আৰতিৰ পাছতে প্ৰয়াত কালীন্দ্ৰ কলিতা সোঁৱৰণী মঞ্চ উদ্বোধন কৰিব বৰভাগ ছোৱালী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী যামিনী কলিতাই উক্ত মঞ্চতে নিশা প্ৰয়াত নৰেন্দ্ৰ নাথ কলিতা সোঁৱৰণী সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব অসম চৰকাৰৰ যুটীয়া সচিব ভূপেশ চন্দ্ৰ দাসে। সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পী গৌৰাংগ ৰাগ আৰু অপৰ্ণা ৰাণীয়ে সংগীত পৰিবেশন কৰিব। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে ৰামপ্ৰসাদ শৰ্মাক সভাপতি, ধীৰেন শৰ্মা, প্ৰফুল্ল ভট্টক উপ-সভাপতি, হিতেশ শৰ্মাক সম্পাদক, ৰাজীৱ শৰ্মা আৰু দিগন্ত কলিতাক সহকাৰী সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰা হয়। ইয়াৰ উপৰি ন অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মী পূজা আৰু ২৪ অক্টোবৰত শ্ৰীশ্ৰী শ্যামা পূজাৰ কাৰ্যসূচীতো ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগিতা কামনা কৰিছে পূজা উদ্‌যাপন সমিতিয়ে।

# নলবাৰীত দুৰ্গা পূজা সমিতিৰ স'তে

*১২ পৃষ্ঠাৰ পৰা* দুৰ্গোৎসৱ উপলক্ষে আন কোনো সাংস্কৃতিক অনুষ্ঠান, মেলা আদিৰ আয়োজন কৰিব খুজিলে তাৰ বাবেও পৃথককৈ ২০ ছেপ্টেম্বৰৰ ভিতৰতেই অনুমতিৰ বাবে আবেদন কৰিব লাগিব। পূজা মণ্ডপসমূহে অস্থায়ী বিদ্যুৎ সংযোগৰ বাবেও সুকীয়াকৈ বিভাগীয় অনুমতি ল'ব লাগিব আৰু এই অনুমতি লোৱা কাৰ্য অহা ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। অনুমতিবিহীনভাৱে কৰা অবৈধ বিদ্যুৎ সংযোগ আইনৰ চকুত দণ্ডনীয় হ'ব। এই অনুমতিৰ লোৱা কাৰ্য অহা ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব। অনুমতিবিহীনভাৱে কৰা অবৈধ বিদ্যুৎ সংযোগ আইনৰ চকুত দণ্ডনীয় হ'ব। এই অনুমতিৰ আবেদনসমূহৰ বাবে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সংশ্লিষ্ট বিভাগৰ পৰা নিৰ্দিষ্ট প্ৰপত্ৰ দিয়া হ'ব। পূজা সমিতিসমূহে এক সুৰক্ষিতভাৱে পূজা উদ্‌যাপন কৰিবলৈ পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰাৰ উপৰি নিশা প্ৰতিমা আৰু পূজাথলী পহৰা দিয়াৰ পৰা

আৰম্ভ কৰি পূজাথলী চৌহদত চকু ৰাখিব লাগিব। পূজা সমিতিসমূহে জনোৱা আবেদনৰ লগত স্বেচ্ছাসেৱকৰ তালিকা গাঁঠি দিব লাগিব। স্বেচ্ছাসেৱকসকলক আৰক্ষী অধীক্ষকৰ দ্বাৰা স্বাক্ষৰিত পৰিচয় পত্ৰ দিয়াৰো ব্যৱস্থা কৰিব লাগিব। এইবাৰ স্বেচ্ছাসেৱী নিয়োজন কেৱল পূজাথলীতেই সীমাবদ্ধ নাথাকিব, বৰঞ্চ এইবাৰ পূজা সমিতি পূজা উদ্‌যাপন কৰা সম্পূৰ্ণ একোটা অঞ্চলজুৰি স্বেচ্ছাসেৱীৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ উপৰি পূজা উদ্‌যাপনথলীৰ চৌহদ আহল-বহল হ'ব লাগিব আৰু তাত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে পৃথক ব্যৱস্থা থাকিব লাগিব বুলিও নিৰ্দেশনা দিয়া হয়। প্ৰত্যেকখন পূজাথলী চৌহদত পোহৰৰ সুব্যৱস্থাৰ লগতে সুকীয়াকৈ যানবাহন ৰখাৰ বাবে সুব্যৱস্থা থাকিব লাগিব। পূজা উদ্‌যাপনস্থলীত একক ব্যৱহাৰযোগ্য প্লাষ্টিকৰ ব্যৱহাৰ বিশেষভাৱে নিষিদ্ধ কৰা হৈছে। পূজা উদ্‌যাপনৰ সময়ছোৱাত পূজা সমিতিসমূহে প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সকলো শেহতীয়া নীতি-নিৰ্দেশনা পূৰ্ণ ৰূপত পালন কৰিব লাগিব। পূজা উদ্‌যাপনৰ সময়ছোৱাত আইন শৃংখলা সম্পৰ্কিত কোনো পৰিস্থিতিৰ উদ্ভৱ হ'লে ততালিকে জিলা প্ৰশাসনক নিয়ন্ত্ৰণ কক্ষৰ জৰুৰীকালীন নম্বৰ ০৩৬২৪২২০২১৯ত যোগাযোগ কৰিব পাৰিব। উচ্চতম ন্যায়ালয়ৰ আদেশন অনুযায়ী সকলো পূজা সমিতিয়ে পূৰ্বৰ দৰেই ছয় বজাৰ পৰা নিশা ন বজালৈ নিয়ন্ত্ৰণৰ মাজত মাইকৰ ব্যৱহাৰ কৰিব পাৰিব আৰু নিশা ন বজাৰ পাছত মাইক বন্ধ ৰাখিব লাগিব। এইবেলিও পূজা সমিতিসমূহে প্ৰতিমা বিসৰ্জন পৰ্ব সন্ধিয়া চাৰি বজাৰ পূৰ্বেই সমাপন কৰিব লাগিব। সভাত নলবাৰী জিলা আৰক্ষী অধীক্ষক পৰিন্দ্ৰ কুমাৰ নাথে পূজা উদ্‌যাপনৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসনৰ ফালৰ পৰা পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। তেওঁ পূজাস্থলীত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰাৰ উপৰি অগ্নিনিৰ্বাপণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা, প্ৰতিটো পূজাস্থলী চৌহদত পাৰ্কিঙৰ সুব্যৱস্থা, নিশা পূজাথলী পহৰা দিয়াৰ বাবে স্বেচ্ছাসেৱকৰ নিয়োগ নিশ্চিত কৰা ইত্যাদিৰ উপৰি প্ৰতিমা বিসৰ্জন দিনৰ পোহৰতে সম্পন্ন কৰাৰ বাবে সকলো পূজা সমিতিকে আহ্বান জনায়। সভাত উপায়ুক্ত গীতিমণি ফুকনে আগন্তুক দুৰ্গোৎসৱ সুৰক্ষিতভাৱে, শান্তিপূৰ্ণভাৱে আৰু সুকলমে উদ্‌যাপন কৰাত সকলো পূজা-সমিতিৰ সহযোগিতা কামনা কৰে আৰু প্ৰতিটো চৰকাৰী নীতি-নিৰ্দেশনা সুচাৰুৰূপে মানি চলিবলৈ আহ্বান জনায়। সভাত জিলাখনৰ ৫০ ৰো অধিক পূজা সমিতিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। তদুপৰি নলবাৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত মুন গগৈ, অতিৰিক্ত উপায়ুক্ত ফিৰদৌছ আলম আৰু ছয়নিকা ঠাকুৰীয়া, জিলাখনৰ ৰাজহ চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল আৰু অন্যান্য সংশ্লিষ্টসকল উপস্থিত থাকে।

# খ্যাতনামা সাহিত্যিকৰ অংশগ্ৰহণেৰে

*১২ পৃষ্ঠাৰ পৰা* সাহিত্য একাডেমী বঁটা প্ৰাপক প্ৰখ্যাত সাহিত্যিক নমাং দাই, মিত্ৰ ফুকন, বৰ্তমান প্ৰজন্মৰ জনপ্ৰিয় সাহিত্যিক অংকুশ শইকীয়া, অন্তৰ আত্ৰেয় আদিয়ে অংশগ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। আনহাতে সভাখনত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মহেন্দ্ৰ কুমাৰ নাথে এই প্ৰয়াস এক সুন্দৰ প্ৰয়াস বুলি মন্তব্য কৰি তেজপুৰত এক সুস্থ বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশ সৃষ্টিৰ বাবে এনে আয়োজনত সকলোকে চামিল হ'বলৈ আহ্বান জনায়। তৰুণ অসম সংঘৰ সভাপতি ৰবীন্দ্ৰ নাথ শৰ্মাই কয় যে, বৰ্তমান সময়ত এনে ধৰণৰ বৌদ্ধিক অনুষ্ঠান আয়োজন কৰা অতি কঠিল কাম হৈ পৰিছে। স্থূল ৰুচিৰ অনুষ্ঠানসমূহৰ প্ৰতিহে সৰ্বসাধাৰণ ৰাইজ অধিক উৎসাহী হোৱাৰ দিশটোত উদ্বিগ্নতা প্ৰকাশ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক শৰ্মাই তেজপুৰত প্ৰথমবাৰৰ বাবে এনে অনুষ্ঠানৰ আয়োজন আশাব্যঞ্জক খবৰ যদিও উদ্যোক্তাসকল কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া সম্ভাৱনাৰক কথা উল্লেখ কৰে। এই আয়োজনৰ প্ৰতি সঁহাৰি জনায়। অভিনেত্ৰী ড° জাহানাৰা বেগমে ৰাজহুৱা সভাখনত দীৰ্ঘদিন ধৰি নীৰৱে সাহিত্য আৰু শৈক্ষিক অনুষ্ঠানেৰে এক বৌদ্ধিক আন্দোলনত জড়িত হৈ অহা 'টেল'ৰ এনে পদক্ষেপ তেজপুৰবাসীৰ বাবেই এক আশাৰ বতৰা বুলি কৈ সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰীয়ে এই আয়োজনে তেজপুৰত এক নতুন মাত্ৰা দিব বুলি মন্তব্য কৰে। ড° প্ৰাণজিৎ হাজৰিকাই এই সাহিত্য উৎসৱে তেজপুৰত এক বৌদ্ধিক পৰিৱেশৰ সূচনা কৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে, বিভিন্ন গৰাকীয়ে পৰামৰ্শ আগবঢ়োৱা তথা তেজপুৰত প্ৰথমবাৰৰ বাবে এনে আশাব্যঞ্জক পদক্ষেপৰ বাবে সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়া সভাখনত দীৰ্ঘদিন সাহিত্য চৰ্চা কৰি অহা বিশিষ্ট চিকিৎসক ৰাণা মুকুট কেওঁটে গ্ৰন্থ অধ্যয়নৰ মানসিকতা ক্ৰমশঃ হ্ৰাস পাই অহা দিশটোত উদ্বেগ প্ৰকাশ কৰি এনে ধৰণৰ অনুষ্ঠানক জৰিয়তে সেই পৰিৱেশ ঘূৰাই অনাৰ সময় সমাগত বুলি কয়। লেখক ৰমেশ চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত অধ্যাপিকা কল্পনা বৰুৱা, ড° জ্যোৎস্না শৰ্মা বেজবৰুৱা, অসম নাট্য সন্মিলনৰ উপ-সভাপতি মৃগেন চন্দ্ৰ বড়া, তেজপুৰ চায়েন্স একাডেমীৰ অধ্যক্ষা সুৰঞ্জনা শৰ্মা, লেখক কুসুম কুমাৰ বৰুৱা, উত্তৰ-পশ্চিম তেজপুৰ শাখা সাহিত্য সভাৰ সম্পাদক প্ৰশান্ত দাস, সাংবাদিক পুলক কুমাৰ ডেকা, অপূৰ্ব বৰা, কবি-লেখক ৰণজিৎ বৰাকে ধৰি একাংশ ব্যক্তিৰ উপস্থিতিত এই সভাতেই সাহিত্য উৎসৱৰ বাবে পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ তেজপুৰৰ সক্ৰিয় সদস্য তথা এই গ্ৰন্থ উৎসৱৰ অন্যতম আহ্বায়ক বিক্ৰম কলিতাৰ তৎপৰতাত প্ৰস্তুত কৰা দৃশ্য-শ্ৰাব্যৰ প্ৰতীক আনুষ্ঠানিকভাৱে উন্মোচন কৰি তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই ভাষণত কয় যে তেজপুৰত প্ৰথমবাৰৰ বাবে গ্ৰন্থ উৎসৱৰ আয়োজনৰ প্ৰয়াস এক সুন্দৰ প্ৰয়াস। তেওঁ এই কাৰ্যসূচীত বিশেষকৈ শিক্ষাৰ্থী সমাজক জড়িত কৰোৱাৰ আহ্বান জনাই সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। পৰাহিৰ এই সভাতেই তেজপুৰৰ সকলো নেতৃস্থানীয় অনুষ্ঠানৰ সভাপতি, সাংবাদিক সন্থাসমূহৰ সভাপতি আৰু একাংশ বিশিষ্ট ব্যক্তিক উপদেষ্টা মণ্ডলী, তেজপুৰৰ সাংসদ পল্লৱ লোচন দাসক পৃষ্ঠপোষক, তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাক মুখ্য উপদেষ্টা আৰু শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰক সভাপতি, 'টেল'ৰ সভানেত্ৰী জয়শ্ৰী ভূঞাক কাৰ্যকৰী সভাপতি আৰু ড° শ্বৰিতা শৰ্মা, বিক্ৰম কলিতাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰে। উল্লেখ্য যে এই গ্ৰন্থ উৎসৱত অংশগ্ৰহণ বাবে মহাৰাষ্ট্ৰৰ প্ৰসিদ্ধ সাহিত্যিক ৰজত কাপুৰ, প্ৰসিদ্ধ অভিনেতা আদিল হুছেইন, ৰাজ্যখনৰ বিশিষ্ট সাহিত্যিক হৰেকৃষ্ণ ডেকা, ৰীতা চৌধুৰী, অনুৰাধা শৰ্মা পূজাৰী, বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ লগতে আন একাংশ লেখক, সাহিত্যিক আৰু শিল্পীৰ স'তেও যোগাযোগ কৰা হৈছে।

# গৌৰীসাগৰ ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ ১৫ ছাত্ৰ-ছাত্ৰীক অধ্যক্ষৰ নিৰ্যাতনৰ অভিযোগ

## ■ মুখ্যমন্ত্ৰীলৈ নিৰ্যাতিত শিক্ষাৰ্থীৰ অভিযোগ পত্ৰ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৯ ছেপ্টেম্বৰ ঃ** ১৫ গৰাকী নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হৈছে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক ইণ্ডাষ্ট্ৰিয়েল ইনষ্টিটিউটৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ বিৰুদ্ধে। এই অভিযোগ বিদ্যালয়খনৰ একাংশ ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকে উত্থাপন কৰাৰ লগতে বিষয়টোৰ সন্দৰ্ভত পৃথকে পৃথকে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ ডাকযোগে অভিযোগপত্ৰ প্ৰেৰণ কৰাৰ এক ঘটনাই সচেতন মহলক স্তম্ভিত কৰি তুলিছে। লগতে সংশ্লিষ্ট শিক্ষাৰ্থীসকলে ইয়াৰ প্ৰতিলিপি ৰাজ্যৰ শিক্ষামন্ত্ৰীলৈও প্ৰেৰণ কৰিছে। উল্লেখ্য যে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ দ্বাৰা স্বাক্ষৰিত অভিযোগ পত্ৰখনত উল্লেখ কৰা মতে, বিদ্যালয়খনৰ পৰা যোৱা ৩১ আগষ্টত অৱসৰ গ্ৰহণ কৰা নিভাৰাণী দুৱৰা কাকতি নামৰ শিক্ষয়িত্ৰীগৰাকীক শিক্ষক দিৱসৰ দিনা বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ কেইজনমান ছাত্ৰ -ছাত্ৰীয়ে ঘৰত গৈ সম্ভাষণ জনাবলৈ গৈছিল। কিয়নো শিক্ষয়িত্ৰীগৰাকীৰ ঘৰলৈ যোৱা ছাত্ৰ-ছাত্ৰীকেইজন শিক্ষক দিৱসৰ দিনা বিদ্যালয়ত বিশেষ কাৰণত উপস্থিত থাকিব নোৱাৰিলে। সেয়েহে অভিভাৱকৰ অনুমতি সাপেক্ষে উক্ত ছাত্ৰ-ছাত্ৰীসকলে পাছদিনা সদ্য অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীক নিজ গৃহতে বিদায় সম্ভাষণ জনায়। কিন্তু এনে কাৰ্যত ক্ষুণ্ণ হৈ বিদ্যালয়ৰ অধ্যক্ষজনে দুদিনৰ পাছত ছাত্ৰ-ছাত্ৰীকেইজনক নিজৰ কোঠালৈ মাতি নি বেতেৰে প্ৰহাৰ কৰাৰ লগতে নানা অকথ্য ভাষাৰে তিৰস্কাৰ কৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীকেইজনৰ সন্মুখতে বিদ্যালয়খনৰ দেউৰী উপাধিৰ এগৰাকী শিক্ষয়িত্ৰীকো মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। স্মৰ্তব্য যে শিৱসাগৰ জিলাৰ গৌৰীসাগৰ অঞ্চলৰ অন্যতম অগ্ৰণী শিক্ষানুষ্ঠানখনৰ অধ্যক্ষৰ এনে কাৰ্যই লজ্জানত কৰি তুলিছে অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজক। স্মৰ্তব্য যে অধক্ষ্যজনৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা ১৫ গৰাকীকৈ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা স্বাক্ষৰিত স্মাৰকপত্ৰৰ প্ৰতিলিপি ইতিমধ্যে জিলা উপায়ুক্তৰ লগতে শিক্ষা বিষয়ালৈও প্ৰেৰণ কৰিছে।

# নগাবাট-বেকাজান অঞ্চলৰ কে'বা স্থানত আধাৰশিলা স্থাপন



**বিশেষ সংবাদদাতা**
**নগাবাট, ৯ ছেপ্টেম্বৰ ঃ** তিতাবৰ মহকুমাৰ ৯০ নম্বৰ বেকাজান পঞ্চায়তৰ কে'বাটাও গুৰুত্বপূৰ্ণ স্থানত আজি আধাৰশিলা স্থাপন কৰা হয়। উন্নয়নমুখী লক্ষ্যৰে বেকাজান পঞ্চায়তৰ সভানেত্ৰী বহাগী ৰেগন টাকুৱে আজি ফিটা কাটি অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰি আধাৰশিলা স্থাপন কৰে। তথ্য মতে, নগাবাটৰ শংকৰ-মাধৱ উচ্চ মাধ্যমিক বিদ্যালয়, পানীখেতি স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ, বেটেলিয়ন কেম্প, বাষষ্ঠিঘৰীয়া প্ৰাথমিক বিদ্যালয় আদিলৈ পঞ্চায়তটোৰ পঞ্চদশ বিত্তীয় আয়োগ ২০২০-২১ৰ দ্বিতীয় কিস্তিৰ দ্বাৰা অনুদান আগবঢ়ায়। উল্লেখ্য যে অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সমস্যাৰাজি আৰু ৰাইজৰ দীৰ্ঘদিনীয়া অভাৱ-অভিযোগক সম্পূৰ্ণৰূপে গুৰুত্ব আৰোপ কৰি আজি বেকাজান পঞ্চায়তৰ বিষয়ববীয়াসকলে এনেদৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি পঞ্চায়ত সভানেত্ৰী টাকুৱে সদৰী কৰিছে। কাৰ্যসূচীত বেকাজন পঞ্চায়তৰ সচিব ৰঞ্জন বৰগোহাঁইকে ধৰি কে'বাগৰাকী ৱাৰ্ড সদস্য, স্থানীয় সচেতন ব্যক্তি, সংবাদকৰ্মী আদিয়ে অংশগ্ৰহণ কৰে।

# মঙলদৈ ঔতলাত জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ স্বাস্থ্য সজাগতা শিবিৰ-সম্বৰ্ধনা অনুষ্ঠান

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ উদ্যোগত ঔতলা আঞ্চলিক সমিতিৰ আতিথ্যত আৰু ঔতলাবাসী ৰাইজৰ সহযোগত অহা ২৫ ছেপ্টেম্বৰত বেছিমাৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসকৰ দলৰ দ্বাৰা চিকিৎসা শিবিৰ আৰু বৃহত্তৰ বেছিমাৰী, কপিলীসত্ৰ আৰু নেওগপাৰা অঞ্চলৰ পৰা এইবেলি হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰা হ'ব। অনুষ্ঠানত জিলাখনৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা কে'বাজনো ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব বুলি পৰিষদৰ দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে সদৰী কৰে। ইতিমধ্যে শিক্ষক গিয়াচুদ্দিন আহমেদক সভাপতি, ইৰান হুছেইন আৰু চান্দাম হুছেইনক সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। সকলো ৰাইজক অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়াবলৈ ঔতলা আঞ্চলিকৰ সম্পাদক আব্দুল আলীয়ে আহ্বান জনাইছে।

# সমাজকৰ্মী অম্বেশ্বৰ শইকীয়া সোঁৱৰণত শিৱসাগৰ জিলা ভিত্তিত গল্প প্ৰতিযোগিতা

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ দেওৰজা অভয়পুৰীয়া (খামুন) অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা সুদক্ষ অভিনেতা অম্বেশ্বৰ শইকীয়া সোঁৱৰণীত শিৱসাগৰ জিলা ভিত্তিত এখনি গল্প প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। সকলোৰে বাবে মুকলি ৰখা প্ৰতিযোগিতাখনলৈ ইচ্ছুক প্ৰতিযোগীক অহা ২৫ ছেপ্টেম্বৰৰ ভিতৰত এটাকৈ স্বৰচিত গল্প (সামাজিক) ৭০০২৩ ৮৪৬৬৪-৯৯৫৪৭ ০৮৩৫৩ নম্বৰত হোৱাটছএপ যোগে প্ৰেৰণ কৰিবৰ বাবে আহ্বান জনোৱা হৈছে। উল্লেখ্য যে গল্পসমূহ ২৫০০ শব্দৰ ভিতৰত হোৱাৰ উপৰি অপ্ৰকাশিত হ'ব লাগিব। বিজয়ী প্ৰতিযোগীক সমাজকৰ্মী অম্বেশ্বৰ শইকীয়া সোঁৱৰণত অহা ছয় নৱেম্বৰত আয়োজিত হ'বলগা এক বিশেষ অনুষ্ঠানত বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব বুলি প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি বিপিন শইকীয়া আৰু সম্পাদক ৰিতুকল্প গোহাঁয়ে সদৰী কৰিছে।

# ৰাষ্ট্ৰীয় পোষণ মাহ উদ্‌যাপন শুৱালকুছি প্ৰকল্পৰ



**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ৯ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শুৱালকুছি সংহত শিশু বিকাশ প্ৰকল্প শুৱালকুছিৰে বিভিন্ন কাৰ্যসূচীৰে পহিলা ছেপ্টেম্বৰৰ পৰা পোষণ মাহ উদ্‌যাপন কৰি আহিছে। এই উপলক্ষে পুষ্টি ৰথৰ সহিতে সজাগতা সমদল উলিয়ায়। বংশৰ শ্ৰীহাটী শুৱালকুছি আদি অঞ্চলৰ মাতৃসকলৰ লগত মিলিত হৈ গৰ্ভৱতী মহিলা শিশু সুষম আহাৰ সম্পৰ্কে এলানি বক্তব্য ৰাখে চিডিপিঅ' মুদাছাৰ নজৰ হুছেইনে। ইয়াৰ উপৰি পোষণ চাটনী, পোষণ পঞ্চায়ত কচৰৎ আদিৰে সবল নাৰী, স্বাক্ষৰ শিশু আৰু সুস্থ ভাৰত নিৰ্মাণত মহিলাসকলৰ ভূমিকাক পোষণ মাহৰ জৰিয়তে উনুকিয়াই দিয়ে। অনুষ্ঠানত খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাস, মুখ্য সেৱিকা অমিয়া বেগম, মীতা মজুমদাৰ, কুসুম কলিতা, চালেহা খাতুন উপস্থিত থাকে। আনহাতে, অনুষ্ঠানত পুষ্টিকৰ পাচলিৰ প্ৰদৰ্শনী কৰে বুলি শিক্ষয়িত্ৰী অনুপমা দাসে সদৰী কৰে।

# যোৰহাটতো চৰকাৰী শিক্ষাৰ শ্মশান যাত্ৰা

## শিক্ষা গ্ৰহণৰ বাবে প্ৰয়োজনীয় সাধাৰণ সুবিধাৰ পৰাও বঞ্চিত শিক্ষাৰ্থী ঃ আম আদমী পাৰ্টিৰ সংবাদমেল

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** শাসনাধীন বিজেপি চৰকাৰৰ দিনত প্ৰায় ন হেজাৰ বিদ্যালয় বন্ধ হৈ যোৱাত ক্ষোভ প্ৰকাশ কৰিছে আম আদমী পাৰ্টিৰ সদস্যসকলে। আজি যোৰহাট জিলা প্ৰেছ ক্লাবত অনুষ্ঠিত এক সংবাদমেলত যোৰহাট জিলাতো চৰকাৰী শিক্ষাৰ শ্মশান যাত্ৰা সম্পৰ্কে কয়। চৰকাৰে প্ৰথম গুণোৎসৱৰ পাতি সহস্ৰাধিক বিদ্যালয় বন্ধ কৰিলে আৰু দ্বিতীয় গুণোৎসৱৰ পাতি পুনৰ ১৭১০ খন বিদ্যালয় বন্ধ কৰিলে আৰু সৰ্বমুঠ ১৮৮ খন বিদ্যালয় যোৰহাট



জিলাত বন্ধ কৰিলে। এইসমূহত চৰকাৰে বিৰোধীৰ অপপ্ৰচাৰ বুলি তাচ্ছিল্য কৰে, সেয়ে আম আদমী পাৰ্টিয়ে এইবাৰ চৰজমিন তদন্ত কৰিবলৈ দলৰ পৰা বিদ্যালয় পৰিদৰ্শনৰ কাৰ্যসূচী লোৱা হয়। এই কাৰ্যসূচীত যোৰহাট জিলাস্থিত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নিজা গাঁও ৰঙাজানৰ জ্ঞানজ্যোতি প্ৰাথমিক বিদ্যালয়ৰ লগত শেহতীয়াকৈ এখন মধ্য ইংৰাজী বিদ্যালয় একেলগ কৰি দিয়া বিদ্যালয়খনত মুঠ শ্ৰেণীৰ সংখ্যা হ'ল ন-টা। ১৬৬ জন ছাত্ৰ-ছাত্ৰী থকা শিক্ষানুষ্ঠানত মাত্ৰ তিনিজন শিক্ষকে পাঠদান কৰোৱা সন্দৰ্ভতো কয়। কোনো চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নথকা বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী অথবা শিক্ষকেই বেল মাৰিব লাগে আৰু আনকি প্ৰস্ৰাৱগাৰতো পানী ঢালিব লাগে। জিলাখনৰ চিনামৰা বাগিচা প্ৰাথমিক বিদ্যালয়, বিষ্ণুপুৰ মজদুৰ প্ৰাথমিক বিদ্যালয়, কাকজান দগাঁও এম অ' বি চি মধ্য ইংৰাজী বিদ্যালয়সমূহৰো তথৈবচ অৱস্থাত দেখা পায়। আনকি সকলো বিদ্যালয় এক জৰাজীৰ্ণ অৱস্থাত চলি আছে বুলি জানিবলৈ দিয়ে আম আদমী পাৰ্টিৰ অসম ৰাজ্যিক সমিতিৰ সাংগঠনিক সম্পাদক দিব্যজ্যোতি শৰ্মাৰ লগতে জিলাখনৰ আহ্বায়ক মণ্ডলীৰ হৈ প্ৰশান্ত কলিতা, জিলা সভাপতি সূৰ্যমোহন দাসকে মুখ্য কৰি সমূহ কৰ্মকৰ্তা উপস্থিত থাকে।

# কোঁৱৰপুৰত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভা সম্পন্ন

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ কোঁৱৰপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সভাকক্ষত কালি নৰকুমাৰ লাহনৰ সভাপতিত্বত কোঁৱৰপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলনৰ এখন সভা অনুষ্ঠিত হয়। সভাত আগন্তুক দুবছৰৰ বাবে নৰকুমাৰ লাহনক সভাপতি আৰু অনিল বুঢ়াগোহাঁইক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হয়। সভাত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকল উপস্থিত থাকে।

# সত্ৰ-মন্দিৰত চেক বিতৰণ বিধায়কৰ·

**অগ্ৰদূত বাৰ্তা**
**পশ্চিম যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালীয়ে আজি বিয়লি বৰখঙীয়া গাঁওস্থিত শ্ৰীশ্ৰী লেটুগ্ৰাম সত্ৰ নিৰ্মাণৰ বাবে বিধায়ক উন্নয়ন পুঁজিৰ সাত লাখ ৯৫ হেজাৰ টকাৰ প্ৰথম কিস্তিৰ ৭৫ শতাংশ ধনৰ চেক প্ৰদান কৰে। সত্ৰৰ সত্ৰাধিকাৰ জগত মহন্ত, ৭১ নম্বৰ খঙীয়া গাঁও পঞ্চায়তৰ সভাপতি অমূল্য বৰা, অগপ নেতা প্ৰকাশ চন্দ্ৰ বৰাৰ উপস্থিতিত চেক প্ৰদান কৰে। আনহাতে, ঢাপকটাস্থিত মহাবিষ্ণু যজ্ঞ মন্দিৰটো ছয় লাখ ৭৫ হেজাৰ টকা অনুদানৰ প্ৰথম কিস্তিৰ ৭৫ শতাংশ ধনৰ চেক প্ৰদান কৰে।

# বজালী সৃষ্টি বিকাশ সাংস্কৃতিক মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস



**পাটাছাৰকুছি, ৯ ছেপ্টেম্বৰ ঃ** পাটাছাৰকুছিস্থিত বজালী সৃষ্টি বিকাশ সাংস্কৃতিক মহাবিদ্যালয়ৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে আজি পাটাছাৰকুছি বিদ্যাপীঠৰ প্ৰেক্ষাগৃহত আবেলি পাঁচ বজাত ন গৰাকী বিশিষ্ট ব্যক্তিয়ে ন গছি বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচী ৰূপায়ণৰ পাছতে ৫.৩০ বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বি কে পদুমী দেৱীয়ে। অনুষ্ঠানত স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে মুখ্য অতিথি, বজালী জিলাৰ জিলা উন্নয়ন আয়ুক্ত মানস দাস, লগতে উপস্থিত থাকে স্থানীয় তথা কণিমাৰা হাইস্কুলৰ সহকাৰী শিক্ষক দিলীপ কুমাৰ ৰয়, হাফলং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা এই অনুষ্ঠানৰ প্ৰাক্তন সভাপতি ধৰণীধৰ ৰয়, প্ৰাগজ্যোতি ক্লাবৰ সভাপতি মঃ ৰফিকুল হক, পাটাছাৰকুছি পৌৰসভাৰ পৌৰাণিক জয়ন্ত তহবিলদাৰ আদি বিশিষ্ট ব্যক্তি সকলে বক্তব্য ৰাখে। অনুষ্ঠানৰ আঁত ধৰে তুতুল মানবে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰখনৰ ছাত্ৰ-ছাত্ৰী তথা আমন্ত্ৰিত নৃত্যশিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে ইতিমধ্যে ১৭ আগষ্টত মাংগলিক কাৰ্য আৰু বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হৈ যায়।

# হোজাইত জল জীৱন আঁচনিৰ নামত অনিয়ম

## ■ ভাড়াঘৰত চলা অংগনৱাড়ী কেন্দ্ৰ, ছাত্ৰ নথকা মাদ্ৰাছাত জল জীৱন আঁচনি দি ধন লুণ্ঠনৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**যমুনামুখ, ৯ ছেপ্টেম্বৰঃ** হোজাই জিলাত জল জীৱন মিছন আঁচনিৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। উত্থাপিত অভিযোগ অনুসৰি হোজাই জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ একাংশ অৰ্থলিপ্সু বিষয়া, ঠিকাদাৰে নীতি-নিয়ম ভংগ কৰি জল জীৱন মিছন (জে জে এম) ৰূপায়ণ কৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্থাপিত অভিযোগ অনুসৰি হোজাই জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে জল জীৱন মিছনৰ অধীনত অংগনৱাড়ী কেন্দ্ৰকে ধৰি অন্যান্য শিক্ষানুষ্ঠানত বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবে জলজীৱন মিছনৰ আঁচনি ৰূপাযণ কৰি আছে। কিন্তু অতি আচৰিত ধৰণে জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে এজনো ছাত্ৰ নথকা এখন প্ৰি-ছিনিয়ৰ মাদ্ৰাছাত জল জীৱন মিছনৰ আঁচনি ৰূপায়ণ কৰি চৰকাৰী ধনৰ শৰাধ পাতিছে। একেদৰে অভিযোগ মতে, জল জীৱন আঁচনিৰ অধীনত ডবকা পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডত ভাৰাঘৰত চলা এটা অংগনৱাড়ী কেন্দ্ৰত জল জীৱন মিছনৰ আঁচনি ৰূপায়ণ কৰা হৈছে। যিহেতুকে জল জীৱন আঁচনিৰ নিয়ম অনুযায়ী নগৰ অঞ্চল বা ভাৰাঘৰত চলা অংগনৱাড়ী কেন্দ্ৰত এই আঁচনি ৰূপায়ণ কৰা নহয়। অথচ ডবকা পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ বিষ্ণুপল্লী কালীবাৰী অংগনৱাড়ী কেন্দ্ৰটো সুদীৰ্ঘ দিনৰ পৰা ভাৰাঘৰত চলি থকাৰ পিছতো জল জীৱন মিছনৰ অধীনত পানী যোগান আঁচনি ৰূপায়ণ কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। একেদৰে ডবকা পৌৰসভাৰ ন নম্বৰ ৱাৰ্ডৰ ২০৭ নম্বৰ অংগনৱাড়ী কেন্দ্ৰটো ভাৰাঘৰত চলি থকাৰ পিছতো জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ঠিকাদাৰে ধন ঘটাৰ মানসেৰে চৰকাৰী এটা বিয়াগোম আঁচনিৰ নীতি-নিয়ম ভূলুণ্ঠিত কৰা পৰিলক্ষিত হৈছে। একেদৰে চৰ্দাৰ গাঁৱত থকা প্ৰি-ছিনিয়ৰ মাদ্ৰাছাত এজনো ছাত্ৰ-ছাত্ৰী নথকাৰ পাছতো জনস্বাস্থ্য কাৰিকৰী বিভাগে জল জীৱন মিছনৰ আঁচনি ৰূপায়ণ কৰাৰ অভিযোগ উঠিছে। জিলা উপায়ুক্তৰ লগতে জনস্বাস্থ্য কাৰিকৰী বিভাগে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## খেদি খেদি মটৰ চাইকেল চোৰক ডিমৌৰ ৰাষ্ট্ৰীয় ঘাইপথত চিনেমাৰ কায়দাৰে আটক

**অগ্ৰদূত বাৰ্তা**

**চিলাপথাৰ, ৯ ছেপ্টেম্বৰ ঃ** ধেমাজি জিলাৰ চিলাপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত কুলাজান পঞ্চায়তৰ কুলামুৰা নেপালী গাঁৱৰ নীলমণি পেগুৰ পুত্ৰ নিগম পেগু (২৩) আৰু টঙানী বৰমূৰীয়া গাঁৱৰ যুৱৰাজ পেগু নামৰ যুৱকদ্বয়ে চুৰি মটৰ চাইকেল লৈ আলহী খাব আহি আৰক্ষীৰ জালত পৰিল। চিলাপথাৰ নগৰ এছাৰ পেট্ৰ'ল পাম্পৰ ওচৰত ৰাখি থোৱা এএছ-২২বি-১৪৯৫ নম্বৰযুক্ত ৰঙা ৰঙৰ পালছাৰ মটৰ চাইকেল এখন চুৰি কৰি নিয়ে। যুৱৰাজ পেগু নামৰ যুৱকজনক লৈ ডিমৌৰ টেঙাবাৰীত আলহী খাব আহি আৰক্ষীৰ জালত পৰে। চাবি নথকা মটৰ চাইকেলখন পেট্ৰ'ল ভৰাব গৈ দোকানীজনৰ সন্দেহ ওপজে। আৰু প্ৰশ্ন কৰাৰ লগে লগে পলায়ন কৰে। ডিমৌ আৰক্ষীয়ে খেদি খেদি মটৰ চাইকেলসহ যুৱকদ্বয়ক আটক কৰে।

### এছডিআৰএফৰ উদ্ধাৰ অভিযান

## কৃষ্ণাইৰ নৈৰ বুকুত সন্ধানহীন দুবছৰীয়া শিশু



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই নৈত পুনৰ অঘটন। কৃষ্ণাই নৈৰ বুকুত পুনৰ হেৰাই গ'ল আন এটি কণমানি। সন্ধানহীন শিশুটোৰ নাম নাহিদ আফ্ৰিন. তথ্য মতে, আজি পুৱা প্ৰায় ১০ বজাত কৃষ্ণাইৰ ভেল্টাৰঘাট নামাপাৰা নিবাসী নুৰ আলমৰ দুবছৰীয়া কন্যা সন্তান নাহিদ আফ্ৰিনে আন এটি শিশুৰ লগত খেলি থাকোতে হঠাতে কৃষ্ণাই নৈৰ পানীত পৰি যায়। এই ঘটনাটোৰ পাছতে অঞ্চলটোত হুৱাদুৱা লাগে। লগে লগে ৰাইজে খবৰ দিয়ে কৃষ্ণ আৰক্ষী থানাত। আৰক্ষীৰ পাছতে ঘটনাস্থলীত আহি উপস্থিত হয় এছডিআৰএফ বাহিনী। আৰম্ভ হয় উদ্ধাৰ অভিযান। পিছে সন্ধিয়া এই বাতৰি লিখা পৰলৈকে সন্ধানহীন শিশুটিৰ কোনো শুংসূত্ৰ পোৱা হোৱা নাই।

## কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলত অবৈধ মৎস্য চিকাৰ ঃ ধৃত দুজন



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ৯ ছেপ্টেম্বৰ ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তঃভাগৰ বিলত অব্যাহত আছে অবৈধ মৎস্য চিকাৰ। ৰাষ্ট্ৰীয় উদ্যানৰ পৰা প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন স্থানলৈ সংগোপনে সৰবৰাহ হৈছে বৃহৎ বৃহৎ মাছ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাংকৈ মৎস্য চিকাৰৰ অভিযোগত দুজন লোকক আটকৰ পাছতে পোহৰলৈ আহিছে এই তথ্য। যোৱা নিশা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চলৰ বনকৰ্মীয়ে অভিযান চলাই কলিয়াবৰ মহকুমাৰ অন্তৰ্গত নজানৰ পৰা আটক কৰে জালালুদ্দিন আৰু আমিৰ আলী নামৰ ৰাষ্ট্ৰীয় উদ্যানৰ অন্তঃভাগত চোৰাংকৈ মৎস্য চিকাৰ কৰা লোক দুজনক। দীৰ্ঘদিন ধৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ বাগৰি বনাঞ্চলৰ বোকা বিলত গোপনে মৎস্য চিকাৰ কৰি ব্যৱসায় চলাই আহিছিল ধৃত লোক দুজনে। যোৱা নিশাৰ বনকৰ্মীৰ অভিযানৰ সময়ত লোক দুজনৰ পৰা উদ্ধাৰ হয় ৰৌ, বাহু, মিৰিকাকে ধৰি প্ৰায় ৬০ কিলোগ্ৰাম মাছ আৰু মৎস্য চিকাৰৰ আহিলা। আটকৰ পাছতে আটাকাধীন লোক দুজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত চলাইছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই।

## জলাবিলত নৰকংকাল উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বগৰীবাৰী, ৯ ছেপ্টেম্বৰ ঃ** বিটিআৰৰ কোকৰাঝাৰ জিলাৰ বগৰীবাৰী থানাৰ অন্তৰ্গত জলাবিল দাস পাৰত যোৱা নিশা এটি বৃদ্ধাৰ নৰকংকাল উদ্ধাৰ হয়। উল্লেখ্য যে নৰকংকালটি উদ্ধাৰ হোৱাৰ পাছত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। প্ৰায় ২০ দিন পূৰ্বে গাঁওখনৰ পাৰ্শ্ববৰ্তী বৰগাঁও নিবাসী পবিতৰা ৰবিদাস (৮০) নামৰ বৃদ্ধা এগৰাকী নিখোঁজ হৈ আছিল। বৰ্তমান উদ্ধাৰকৃত নৰকংকালটো উক্ত নিখোঁজ হোৱা মহিলাৰ বুলি গাঁওবাসীয়ে সন্দেহ প্ৰকাশ কৰিছে। অৱশ্যে আৰক্ষী নৰকংকালটোক মৰণোত্তৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰিছে।

## বিশ্বনাথৰ পৰা অপহৰণ কৰা ছয় বছৰীয়া শিশুক অৰুণাচলত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ৯ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ পৰা অপহৰণ কৰা এটি ছবছৰীয়া শিশুক ২৪ ঘন্টাৰ ভিতৰত অৰুণাচল প্ৰদেশৰ নাহৰলগুণৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয় বিশ্বনাথ চাৰিআলি আৰক্ষীয়ে। কালি বিশ্বনাথৰ ফলফলিত শিশুটি নিজ ঘৰৰ চৌহদত খেলি থকা সময়ত অপহৰণকাৰীয়ে শিশুটিক কৌশলেৰে প্ৰথমে আইচক্ৰীম দিয়াৰ লোভ দি লৈ গৈছিল এখন দোকানলৈ। তাৰ পাছতে ই-ৰিক্সাত ফুৰাব বুলি শিশুটিক লৈ গৈছিল ৰেল ষ্টেছনলৈ। তাৰ পাছতে ৰেলত অলপ ফুৰি আহো বুলি শিশুটিক অপহৰণ কৰি লৈ গৈছিল অৰুণাচলৰ নাহৰলগুণত। অপহৰণকাৰীয়ে অৰুণাচলৰ নাহৰলগুণত এজন লোকক শিশুটি নিজৰ সন্তান বুলি পৰিচয় দি ডেৰ লাখ টকাত বিক্ৰী কৰাৰ চেষ্টা কৰিছিল। কিন্তু অপহৰণকাৰীয়ে শিশুটিক বিক্ৰী কৰিবলৈ লোৱা ব্যক্তিজনে অপহৰণকাৰীৰ কথাত সন্দেহ ওপজাত অধিক সোধ-পোছ কৰে আৰু অৱশেষত লোকজনে অৰুণাচল আৰক্ষীক খবৰ দিয়ে। ইফালে, বিশ্বনাথ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ছামডাম হাজুৱালীয়ে লগে লগে অৰুণাচলৰ নাহৰলগুণ আৰক্ষীৰ লগত যোগাযোগ কৰি নাহৰলগুণৰ পৰা অৱশেষত উদ্ধাৰ কৰি বিশ্বনাথলৈ আনে শিশুটিক। লগতে বিশ্বনাথ সদৰ আৰক্ষীৰ দলে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় অপহৰণকাণ্ড সংঘটিত কৰা বিশ্বনাথৰ কুমলীয়া অঞ্চলৰ আবু তাহেৰ আৰু তেওঁৰ সহযোগী তথা বিশ্বনাথৰ বৰপুখুৰীৰ ললিত কেওট নামৰ আন এজন অভিযুক্তক। ইতিমধ্যে বিশ্বনাথ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা শিশু অপহৰণকাৰী দুজনক সোধ-পোছ অব্যাহত ৰাখিছে।

## বালিয়ে পুতি পেলোৱা পথাৰলৈ চাই চকুলো উপায়হীন কৃষকৰ



## বান সাহায্যৰ পৰা বঞ্চিত টিহু ষাঠিকুছি-বনিয়াকুছিৰ বানবিধ্বস্ত কৃষক

**অগ্ৰদূত বাৰ্তা**

**টিহু, ৯ ছেপ্টেম্বৰ ঃ** বৰমা বিধানসভা সমষ্টিৰ টিহু ৰাজহ চক্ৰ তথা পূব নাম বৰভাগ গাঁও পঞ্চায়তৰ অন্তৰ্গত ষাঠিকুছি গাঁৱৰ এটি কৃষিজীৱী চুবুৰি বনিয়াকুছি। চুবুৰিটোৰ প্ৰায় কেইঘৰ লোকেই শ্ৰমজীৱী, কৃষিজীৱী লোক। প্ৰতি বছৰে বাৰিষা মৰাপাগলদিয়া নৈৰ প্ৰবল বানে ষাঠিকুছিৰ বিভিন্ন প্ৰান্তৰ লগতে এই বনিয়াকুছি চুবুৰিক যমৰ যাতনা ভোগাই আছে। মৰাপাগলদিয়া নৈৰ দাঁতি কাষৰত থকা চুবুৰিটোৰ বাসিন্দাসকলে বছৰি বানপানীৰ লগত সহবাস কৰাটো যেন নিয়মত পৰিণত হৈছে। খৰালি অতি কষ্টেৰে ঠিক-ঠাক কৰি লোৱা সকলোবোৰ বাৰিষা আহিলেই তচনচ হৈ পৰে। প্ৰতিবছৰে হোৱাৰ দৰে বিগত আহাৰমহীয়া বানত এইবাৰো চুবুৰিটো বানে বুৰাই পেলাইছিল। বাট-পথ, চোতালত এবুকু, ঘৰৰ ভিতৰত একাঁঠু পৰ্যন্ত পানী হৈ আলাই-আথানি হৈ পৰিছিল চুবুৰিটোৰ পৰিয়ালকেইটা। এসপ্তাহ-১০ দিনলৈ আশ্ৰয় শিবিৰত থাকিবলৈ বাধ্য হৈছিল; কিন্তু এই বানবিধ্বস্ত চুবুৰিটোৰ লোকসকলে বানসাহায্য লাভ কৰিবলৈ সক্ষম নহ'ল। চুবুৰিটোৰ একাংশ লোকে অভিযোগ কৰা অনুসৰি চুবুৰিয়া ভিন্ন গাঁৱৰ লোকে ত্ৰিপাল, কাপোৰ, ঔষধ, খাদ্যসামগ্ৰী, কৃষি বীজ আদি সাহায্য লাভ কৰাৰ বিপৰীতে সামান্য পৰিমাণৰ সাহায্যও লাভ নকৰিলে বনিয়াকুছি চুবুৰিৰ লোকে। একেখন পূব নামবৰভাগ গাঁও পঞ্চায়তৰ বাসিন্দা হৈও কিয় এনে বৈষম্যৰ বলি হ'ল তাকে লৈ প্ৰশ্ন উত্থাপন কৰিছে চুবুৰিটোৰ বাসিন্দাসকলে। জীৱিকাৰ আশ্ৰয় বুলিবলৈ মৰাপাগলদিয়া নৈৰ পাৰতে থকা খেতিপথাৰখনো বালিয়ে পুতিয়ে পেলাইছে। ইয়াত এতিয়া খেতি-বাতি কৰা মুঠেই সম্ভৱ নহয়। বালিময় কৃষিপথাৰলৈ চাই চকুলো টুকিবলৈ বাধ্য হৈছে কৃষকসকলে। সেয়ে বনিয়াকুছিৰ কৃষক ৰাইজে খেতিপথাৰখন চৰকাৰীভাৱে ব্যৱস্থা লৈ খেতিৰ উপযোগী কৰিবলৈ ৰাজ্য চৰকাৰ তথা জনপ্ৰতিনিধিসকলৰ ওচৰত দাবী জনাইছে।

## দৈয়াংপাৰ সমবায় সমিতিৰ বালিয়া চাপৰি গাঁৱৰ এজেণ্টৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ

### চাউল, কটন, ৰেছন কাৰ্ড উলিয়াই দিয়াৰ নামতো ধন সংগ্ৰহৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ খাদ্য আৰু যোগান বিভাগৰ অধীনস্থ দৈয়াং পাৰ সমবায় সমিতিৰ দুৰ্নীতিপৰায়ণ এজেণ্টৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে গ্ৰাহকসকল। তথ্য মতে, দৈয়াং পাৰ সমবায় সমিতিৰ অন্তৰ্গত বালিয়া চাপৰি গাঁৱৰ সুলভ মূল্যৰ এজেণ্ট ডিম্পল হাজৰিকাই অসম চৰকাৰৰ খাদ্য আৰু যোগান বিভাগৰ বিতৰণ ব্যৱস্থাক ভেঙুচালি কৰি নিজ খেয়ালখুচি মতে হিতাধিকাৰীৰ প্ৰাপ্য চাউল কৰ্তন কৰি লুণ্ঠন চলাই আহিছে। আজি গাঁওখনৰ প্ৰায় অৰ্ধ শতাধিক পুৰুষ-মহিলা একত্ৰিত হৈ এজেণ্টজনৰ বিৰুদ্ধে বিভিন্ন অভিযোগ তুলি তৎকালে উক্ত দুৰ্নীতিপৰায়ণ এজেণ্টজনক বৰ্খাস্ত কৰি ব্যৱস্থাৰ দাবী তোলে। গাঁওখনৰ এই ক্ষোভিত হিতাধিকাৰীসকলে এজেণ্ট ডিম্পল হাজৰিকাৰ বিৰুদ্ধে এক লিখিত অভিযোগ সমবায় সমিতিৰ সচিবৰ জৰিয়তে গোলাঘাট খাদ্য আৰু যোগান বিভাগলৈ প্ৰেৰণ কৰে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে, এজেণ্টজনে বহু গ্ৰাহকৰ পৰা ৰেছন কাৰ্ড উলিয়াই দিয়াৰ নামত দুশ টকাৰ পৰা পাঁচশ টকাকৈ ধন সংগ্ৰহ কৰা, হিতাধিকাৰীয়ে চাউল নিয়া দুদিন দেৰি হ'লে গ্ৰাহকক অশ্লীল গালি-গালাজ পাৰি চাউল নিদি ঘূৰাই পঠায়। সেয়েহে উৰ্ধ্বতম কৰ্তৃপক্ষই এই এজেণ্টজনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি দৰিদ্ৰ গ্ৰাহকসকলৰ প্ৰাপ্য চাউল মুঠি নিয়মিয়া কৰিব বুলি বাতৰি কাকতযোগে ৰাইজে আহ্বান জনাইছে।

## নাট্যকাৰ হেমন্ত দত্তলৈ মুখ্যমন্ত্ৰীৰ চিকিৎসা সাহায্য



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ চিকিৎসা সাহায্য পুঁজিৰ পৰা প্ৰদান কৰা ৫০ হেজাৰ টকাৰ চেক আজি মঙলদৈৰ ভেৰাৰঘাট নিবাসী প্ৰখ্যাত গীতিকাৰ, নাট্যকাৰ, পৰিচালক, অভিনেতা হেমন্ত দত্তৰ গৃহলৈ গৈ প্ৰদান কৰে মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস আৰু ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। সাহায্য গ্ৰহণ কৰি নাট্যকাৰজনে মুখ্যমন্ত্ৰী আমাৰ অভিভাৱক বুলি অভিহিত কৰি তেওঁ খবৰ ৰখাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ সাহায্য প্ৰদান কৰি বিধায়ক ড° ৰাজবংশীয়ে ভৱিষ্যতে নাট্যকাৰজনৰ স্বাস্থ্যৰ কিবা সমস্যা হ'লে জিএমচিএইছত ভৰ্তি কৰিলেই বাকী সকলোখিনি সহায় বিধায়কজনে কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ পদক্ষেপক দৰঙৰ বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে আৰু ৰোগাক্ৰান্ত জ্যেষ্ঠ শিল্পীজনৰ বিনামূলীয়া চিকিৎসা সেৱাৰ দিহা কৰিবলৈও চৰকাৰলৈ আহ্বান জনাইছে।

## চাইকেলেৰে উত্তৰ-পূব ভ্ৰমণ যোৰহাটত কৰিষ্মন চুতীয়া-কিষাণ কোঁৱৰক দল-সংগঠনৰ সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ মৰিয়নিৰ কৰিষ্মন চুতীয়া আৰু কিষাণ কোঁৱৰ চাইকেলেৰে উত্তৰ-পূব ভাৰত ভ্ৰমণ কৰি আজি দুয়ো উপস্থিত হয় গৃহ জিলা যোৰহাটত। উদীয়মান যুৱকদ্বয়ে যোৱা এক জুনত মৰিয়নিৰ পৰা আৰম্ভ কৰিছিল এই যাত্ৰা। যোৰহাট জিলাৰ মৰিয়নিৰ নিউ সোণোৱাল কাণখোৱা গাঁৱৰ মুকুট চুতীয়া আৰু ইলা চুতীয়াৰ পুত্ৰ কৰিস্মন চুতীয়া (২৭) আৰু নিউ সোণোৱালৰ চেনিৰাম কোঁৱৰ আৰু কালাৱতী কোঁৱৰৰ পুত্ৰ কিষাণ কোঁৱৰ (২৪)ৰ অতি কম বয়সতে সমগ্ৰ মানৱ জাতিৰ কল্যাণ আৰু বিশ্ব শান্তিৰ অৰ্থে তথা মানৱ জাতিক গছপুলি ৰোপণ আৰু ইয়াৰ সংৰক্ষণৰ প্ৰতি সজাগতা অনাৰ উদ্দেশ্যে কৰা এই উত্তৰ-পূব ভাৰত চাইকেল ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। হিন্দুসকলৰ পুণ্য তীৰ্থৰ চাৰি ধাম ক্ৰমে পুৰী, দ্বাৰকা, বদ্ৰীনাথ আৰু ৰামেশ্বৰমৰ লগতে নেপালৰ ধৰ্মীয় তীৰ্থ ভ্ৰমণ কৰি আজি যোৰহাটত উপস্থিত হোৱাত যোৰহাটৰ চাওলুং ছুকাফা সমন্বয় ক্ষেত্ৰৰ সমীপত মাহেকীয়া আলোচনী 'দিগদৰ্শন'ৰ সম্পাদক তথা সাংবাদিক পংকজ কুমাৰ দাস, 'মানৱ ধৰ্ম' আলোচনীৰ সম্পাদক নদলি ৰুহিদাস, যুৱ সমাজকৰ্মী আব্দুল ৰহমান, পৱন মিৰ্ধা, ঘনশ্যাম দাসকে ধৰি স্থানীয় বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জনায়।

## কেন্দ্ৰীয় বিদ্যালয়ত বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৯ ছেপ্টেম্বৰ ঃ** সমাজত দিনক দিনে নৱপ্ৰজন্ম তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাঢ়ি অহা আত্মহত্যাৰ প্ৰৱণতা প্ৰতিৰোধ কেনেকৈ কৰিব পৰা যায় তাৰ লক্ষ্যৰে প্ৰথমবাৰৰ বাবে লীলাবাৰীস্থিত কেন্দ্ৰীয় বিদ্যালয়ত আজি বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়খনৰ পৰামৰ্শদাতা ড° ধ্ৰুৱতা শৰ্মাৰ সম্পূৰ্ণ একক প্ৰচেষ্টাৰে অনুষ্ঠিত অনুষ্ঠানত মুখ্য অতিথিৰূপে লখিমপুৰ জিলা উপায়ুক্ত সুমিত ছাত্তাৱানে অনুষ্ঠানৰ বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে। বিদ্যালয়ৰ অধ্যক্ষ বিবেক কুমাৰ চৌহানে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত অনুষ্ঠানৰ গুৰি ধৰোতা ড° ধ্ৰুৱতা শৰ্মাই সমাজত দিনক দিনে বৃদ্ধি পাই অহা আত্মহত্যাৰ প্ৰৱণতাৰ কাৰণ আৰু কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি এই সম্পৰ্কে কয় যে অভিভাৱকসকলে ল'ৰা-ছোৱালীক মানসিক চাপ দি কাম কৰোৱাৰ কথাই বিৰূপ প্ৰভাৱ পেলায়। প্ৰতিটো শিশুৰে নিজস্ব প্ৰতিভা আছে আৰু সেই প্ৰতিভাসমূহ নিজ নিজ ইচ্ছা অনুযায়ী বিকশিত হ'বলৈ দিব লাগে। এই ক্ষেত্ৰত অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীৰ ভূমিকা অপৰিসীম। অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে গোগামুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ ঝায়ে আত্মহত্যাই কোনো সমস্যা দূৰ কৰিব নোৱাৰে বৰঞ্চ ই সমাজৰ এক ব্যাধিহে বুলি কয়।

## জামুগুৰিহাটত চাৰিজন গভাইত চোৰ কৰায়ত্ত



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৯ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটৰ কুসুমটোলাত কৰায়ত্ত কৰা হৈছে চাৰিজনকৈ গভাইট চোৰক। কুসুমটোলাস্থ চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰি থকা সংস্থা টি কে ইঞ্জিনিয়াৰিঙৰ অস্থায়ী কাৰ্যালয় চৌহদৰ ভিতৰত নিশাৰ ভাগত প্ৰৱেশ কৰি বৃহৎ যন্ত্ৰাংশ চুৰি কৰি নি থকা অৱস্থাতে কোম্পানীৰ কেইজনমান কৰ্মচাৰীয়ে স্থানীয় ৰাইজৰ সহযোগত গভাইত চোৰ চাৰিজনক কৰায়ত্ত কৰি জামুগুৰি আৰক্ষীক গতাই দিয়ে। জামুগুৰি আৰক্ষীয়ে ইতিমধ্যে কৰায়ত্ত কৰা জামুগুৰিহাটৰ শলগুৰি পদ্মপুৰৰ চন্দ্ৰ বাউৰি, চতিয়াৰ কৰৈয়নীৰ ছাইফুল ইছলাম, জামুগুৰিহাটৰ বৰপুখুৰীপাৰৰ মদন খাৰিয়া আৰু চতিয়াৰ দীনেশ তাঁতী নামৰ চোৰ কেইজনক জেললৈ প্ৰেৰণ কৰিছে। উল্লেখ্য যে যোৱা এমাহৰ ভিতৰত জামুগুৰিহাটত সংঘটিত হোৱা কে'বাটাও চুৰি ঘটনাই ৰাইজক শংকিত কৰি তুলিছে।

### দুই দুৰ্বৃত্তই শিক্ষয়িত্ৰীৰ ডিঙিৰ পৰা কাঢ়ি নিলে সোণৰ চেইন

## ঘগ্ৰাপাৰত চিলনী চোৰৰ সন্ত্ৰাস

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ গ্ৰাম্য চহৰত ক্ৰমাৎ বৃদ্ধি পাইছে চিলনী চোৰৰ সন্ত্ৰাস। আজি দিনৰ আঢ়ৈ মান বজাত গ্ৰাম্য চহৰখনৰ ৩১ নম্বৰ ঘাইপথৰ ঘগ্ৰাপাৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ সন্মুখত এগৰাকী শিক্ষয়িত্ৰীৰ ডিঙিৰ পৰা এডাল সোণৰ চেইন দুৰ্বৃত্তই কাঢ়ি লৈ যোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত বাঘমাৰা গাঁও নিৱাসী তথা ক্ৰীড়া সংগঠক ৰিন্টু আহমেদৰ শিক্ষয়িত্ৰী পত্নী চৈয়দা মঞ্জুৱাৰা বেগমৰ ডিঙিৰ পৰা দুৰ্বৃত্তই কাঢ়ি লৈ যায় সোণৰ চেইন। উল্লেখ্য যে বড়িগোগ বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত প্ৰগতি এমই বিদ্যাপীঠৰ শিক্ষয়িত্ৰী বেগমে প্ৰতিদিনৰ দৰে আজিও ঘগ্ৰাপাৰ হাইৰে চ'কৰ পৰা নিজৰ ঘৰলৈ বুলি খোজকাঢ়ি গৈ থকা অৱস্থাতে উক্ত স্থানতে মটৰ চাইকেলত অহা দুজন দুৰ্বৃত্তই শিক্ষয়িত্ৰীগৰাকীৰ ডিঙিৰ পৰা সোণৰ চেইন কাঢ়ি পলায়ন কৰে।

## অৱসৰপ্ৰাপ্ত পৰিসংখ্যা বিষয়া, নামতি দিলেশ্বৰ বৰাৰ দেহাৱসান

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ হাতীচোং মৌজাৰ চকলাঘাট নতুন খাটোৱাল গাঁৱৰ নিবাসী, অৱসৰপ্ৰাপ্ত পৰিসংখ্যা বিষয়া তথা গাঁৱৰ নামঘৰৰ নামতি দিলেশ্বৰ বৰাৰ আজি পুৱতি নিশা পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭২ বছৰ। বৰা এজন অতি সহজ-সৰল ধৰ্মপ্ৰাণ লোক আছিল। অৱসৰৰ পাছত তেওঁ ধৰ্মীয় আৰু সামাজিক কাম-কাজত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। আজি গাঁৱৰ ৰাইজৰ ফালৰ পৰা ধৰ্মীয় ৰীতি-নীতিৰে তেওঁক শ্ৰদ্ধা জনোৱা হয়। নামতিজনৰ বিয়োগত বটদ্ৰৱা সমষ্টিৰ বিধায়িকা শিৱামণি বৰা, চকলাঘাট শাখা সাহিত্য সভাৰ সভাপতি ত্ৰৈলোক্য ভট্টাচাৰ্য, সম্পাদক কল্যাণ কুমাৰ বৰা, চকলাঘাট ৰাস মন্দিৰৰ সভাপতি ক্ষীতেশ্বৰ বৰা, সম্পাদক অনন্ত শইকীয়াৰ লগতে বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এগৰাকী জীয়ৰী, জোঁৱাই, নাতি-নাতিনী আৰু আত্মীয়-স্বজনক এৰি গৈছে।

## নগাঁৱত জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে সৎকাৰ কৰিলে কেও কিছু নোহোৱা মহিলাৰ মৃতদেহ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৯ ছেপ্টেম্বৰ ঃ** নগাঁৱত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এগৰাকী অসহায় মহিলাৰ কাষত থিয় দি মানৱতাৰ নিদৰ্শন দাঙি ধৰে। জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি প্ৰাগজ্যোতিষ বণিয়া আৰু সাধাৰণ সম্পাদক দেৱাশীষ দাসে এক বিবৃতিযোগে সদৰী কৰা মতে ঢেকিয়াজুলিৰ মুনাবা চাহ বাগিচাৰ নিবাসী কৰুণা মুণ্ডাৰ যোৱা ১১ আগষ্টত নগাঁৱৰ এটা ইটাভাটাত কৰ্মৰত অৱস্থাত অগ্নিদগ্ধ হৈ নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। অসহায় অভিভাৱকবিহীন মহিলাগৰাকীৰ শেষকৃত্য সমাপন কৰে যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিয়ে মধুপৰ শ্মশানত। লগতে নেতাদ্বয়ে কয় যে যিহেতু মহিলাগৰাকী ইটাভাটাত কৰ্মৰত অৱস্থাত অগ্নিদগ্ধ হৈ প্ৰাণ হেৰুৱাইছে তাৰ বাবে ইটাভাটাৰ স্বত্বাধিকাৰীজনৰ দায়িত্ব আছিল মহিলাগৰাকীৰ চিকিৎসা কৰা কিন্তু তেওঁ কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিলে। সেয়েহে এই গোটেই বিষয়টো তদন্ত কৰি নিৰ্যাতিত মহিলাগৰাকীক ন্যায় প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক দাবী জনাইছে। লগতে তদন্তৰ আওতালৈ ইটাভাটাৰ স্বত্বাধিকাৰীজনক আনিবলৈ দাবী জনায়।



### অসম-অৰুণাচলৰ সীমা পূৰ্ব নিৰ্ধাৰিত স্থানত ৰখাৰ দাবীত অৱস্থান ধৰ্মঘট, দুলুংপৰীয়া ৰাইজৰ

## দুলুং সংৰক্ষিত বনাঞ্চল বেদখল মুক্ত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ৯ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহ চক্ৰৰ অন্তৰ্গত চিয়া নাহৰৰ বাবে অসম বিখ্যাত দুলুং সংৰক্ষিত বনাঞ্চল ভূমি বেদখল মুক্ত কৰা আৰু অসম-অৰুণাচল সীমা পূৰ্ব নিৰ্ধাৰিত স্থানত ৰখাৰ দাবীত পথালি পাম বন খণ্ড ঘাগৰ নগৰত আজি দুলুংপৰীয়া ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সমূহ দুলুংপৰীয়া ৰাইজ একত্ৰিত হৈ ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি হাতে হাতে প্লেকাৰ্ড লৈ 'বনাঞ্চল ধ্বংস কাৰ্য নচলিব, অৰুণাচলী বেদখলৰ পৰা দুলুং বনাঞ্চল মুক্ত কৰিব নোৱাৰা অসম চৰকাৰ হায় হায়' আদি ধ্বনিৰে প্ৰতিবাদ সাব্যস্ত কৰে। স্থানীয় ৰাইজে প্ৰতিবাদ স্থলীত সদৰী কৰা অনুসৰি অসম চৰকাৰে দুলু' বনাঞ্চলৰ এটি ক্ষুদ্ৰ অংশ অৰুণাচলক এৰি দিলে পুনৰ তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব। আৰু তেজ দিম মাটি নিদিয়াৰ এই দৃঢ় পণ লৈ এই কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি ব্যক্ত কৰে। লগতে অসম চৰকাৰে ইয়াৰ যথোপযুক্ত পদক্ষেপ গ্ৰহণ নকৰিলে পৰিস্থিতি অধিক ভয়ানক হ'ব বুলি হুংকাৰ প্ৰদান কৰে। উল্লেখ্য যে অসম চৰকাৰে অসম-অৰুণাচলৰ সীমা সমস্যা সমাধানৰ নামত অসম চৰকাৰে ৯,৯০০ হেক্টৰ ভূমি আৱৰি থকা দুলুং সংৰক্ষিত বনাঞ্চলৰ ৯,৭০০ হেক্টৰ ভূমি অৰুণাচলক গতাই দিয়াৰ যো-জা কৰাৰ বিৰুদ্ধে দুলুং পৰীয়া ৰাইজ শংকিত হৈ পৰে। তদুপৰি কদম ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-অৰুণাচল অতীতৰ সীমান্ত জিলি নদীৰ পৰা প্ৰায় পাঁচ কিলোমিটাৰ আগুৱাই আহি অৰুণাচলী লোকে বেদখল কৰি ঘৰ, চাহ বাগান নিৰ্মাণ কৰিছে। উল্লেখ্য যে ১৯২৬ত ভাৰত চৰকাৰে জাৰি কৰা অধিসূচনা মতে অসমৰ ৯৯০০,০০ হেক্টৰৰ লখিমপুৰ জিলা সংৰক্ষিত বনাঞ্চলখনৰ শেহতীয়াকৈ অৰুণাচল চৰকাৰে কামনাৰে জিলা গঠন কৰি ৯৭০০ হেক্টৰ ভূমি কামনাৰে জিলা বুলি দাবী কৰিছে। দুলুংপৰীয়া ৰাইজে আজি উক্ত দাবী সম্বলিত এক স্মাৰকপত্ৰ বনমন্ত্ৰীলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে দুলুংপৰীয়া ৰাইজে ইয়াৰ প্ৰতিবাদত গণ স্বাক্ষৰিত স্মাৰকপত্ৰ, কে'বাটাও সংগঠন একত্ৰিত হৈ জনজাগৰণ কাৰ্যসূচী ৰূপায়ণ কৰে।

## মাজবাট আঞ্চলিক বন বিভাগৰ সঁজাতী দলৰ ঘন অৰণ্যত লুকুৱাই থোৱা কাঠ জব্দ



**অগ্ৰদূত বাৰ্তা**

**টংলা, ৯ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ মাজবাট আঞ্চলিক বন বিভাগৰ সঁজাতী এটা দলে ঘন অৰণ্যত লুকুৱাই থোৱা অৱস্থাত মূল্যৱান কাঠৰ ফাণ্টা আৰু বাটাম কাঠ জব্দ কৰে। তথ্য মতে, মাজবাট আঞ্চলিক বন বিভাগৰ বিট অফিচাৰ মিণ্টু বড়োৱে এদল বনকৰ্মীক লগত লৈ এক বিশেষ খবৰৰ ভিত্তিত অসম-অৰুণাচল সীমান্তৰ চিকাৰী ডাংগা অঞ্চলৰ ঘন অৰণ্যৰ পৰা যোৱা নিশা নমান বজাত বৃহৎ পৰিমাণৰ ফাণ্টা কাঠ আৰু বাটাম জব্দ কৰি মাজবাট আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত লৈ আনে। বন বিভাগে জানিব দিয়া অনুসৰি জব্দ কৰা উক্ত মূল্যৱান গছৰ প্ৰায় একশ কেবি কাঠ হ'ব। উল্লেখ্য যে জিলাখনৰ অসম-অৰুণাচল সীমান্তত পুনৰ চোৰাং কাঠ বেপাৰীয়ে অবৈধ কাঠৰ বেহা গঢ়ি তুলিছে। এনে সময়ত বন বিভাগে নিতৌ অভিযান চলালে পুনৰ চোৰাং কাঠৰ লগতে চোৰাং কাঠ বেপাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ব।




# ভাৰতীয় অলিম্পিক সংস্থাক নিৰ্বাসনৰ ভাবুকি আইঅ'চিৰ ঃ অনিশ্চয়তাত ভাৰতৰ ক্ৰীড়াবিদ

**নিউজ ব্যুৰ'**

**লুজানে, ৯ ছেপ্টেম্বৰ ঃ** ফুটবলৰ পাছত এইবাৰ নিৰ্বাসনৰ আশংকাৰ সন্মুখীন হ'ল ভাৰতীয় অলিম্পিক সংস্থা। যাৰ ফলত নীৰজ চোপ্ৰা, লাভলীনা বৰগোহাঁই, সাক্ষী মালিকৰ দৰে তাৰকা খেলুৱৈৰ ক্ৰীড়া ভৱিষ্যতো অনিশ্চয়তাৰ গৰাহত পৰিছে। কিয়নো প্ৰশাসনিক সমস্যা দূৰ কৰাৰ লগতে ডিচেম্বৰৰ ভিতৰতে নিৰ্বাচন অনুষ্ঠিত নহ'লে বিশ্ব ক্ৰীড়াক্ষেত্ৰৰ পৰা নিৰ্বাসিত হ'ব ভাৰত। কিছুদিনৰ পূৰ্বে ভাৰতীয় ফুটবলো এনে নিৰ্বাসনৰ সন্মুখীন হৈছিল যদিও সেই অচলাৱস্থা সম্প্ৰতি দূৰ হৈছে। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে ভাৰতীয় ফুটব ফেডাৰেছনৰ ওপৰত আৰোপ কৰা নিৰ্বাসন প্ৰত্যাহাৰ কৰিছিল ফিফাই। এইবাৰ আন্তৰ্জাতিক অলিম্পিক কমিটী (আইঅ'চি)ৰ তৰফৰ পৰা কঠোৰ সতৰ্কবাণী আহিছে ভাৰতীয় অলিম্ৰিক সংস্থা (আইঅ'এ)লৈ।

আইঅ'চিয়ে স্পষ্ট কৰি দিছে যে প্ৰশাসনিক সমস্যা দূৰ কৰিব লাগিব আৰু ডিচেম্বৰৰ ভিতৰতে আইঅ'এৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। অন্যথা কেৱল অলিম্পিকেই নহয়, কোনো আন্তৰ্জাতিক প্ৰতিযোগিতাতে অংশ ল'ব নোৱাৰিব ভাৰতীয় ক্ৰীড়াবিদে। বিশেষকৈ অলিম্পিকত থকা কোনো খেলৰ প্ৰতিযোগিতাতে ভাৰতীয় ক্ৰীড়াবিদে খেলিব নোৱাৰিব। ভাৰতীয় সময় অনুসৰি, বৃহস্পতিবাৰে মাজনিশা ছুইজাৰলেণ্ডৰ লুজানেত আইঅ'চিৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। তাৰ পৰাই কঠোৰভাৱে সকিয়নী দি ভাৰতীয় অলিম্পিক সংস্থালৈ পত্ৰ প্ৰেৰণ কৰা হয়। পত্ৰত স্পষ্ট কৰি দিয়া হৈছে যে আইঅ'এৰ তৰফৰ পৰা ভাৰপ্ৰাপ্ত বা অন্তৰ্ৱৰ্তীকালীন সভাপতি নিয়োগ কৰিলেও গ্ৰাহ্য কৰা নহ'ব। সকলো বিষয়ত আইঅ'এৰ সচিবপ্ৰধান ৰাজীৱ মেহতাৰ স'তেহে যোগাযোগ ৰখা হ'ব। উল্লেখ্য যে ডিচেম্বৰত আইঅ'চিৰ পৰৱৰ্তী কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত হ'ব। সেই সময়লৈ ভাৰতে নিয়ম পালন নকৰিলেই নিৰ্বাসন আৰোপ কৰা হ'ব পাৰে। আইঅ'চিয়ে পূৰ্বেই ভাৰতক তৎকালে নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিছিল। যোৱা বছৰৰ ডিচেম্বৰত নিৰ্বাচন হোৱাৰ কথা আছিল যদিও মূৰকত বাতিল হয়। চলিত বৰ্ষৰ মে'ত দিল্লী উচ্চ ন্যায়ালয়ে ৰায় দি আইঅ'এৰ সভাপতি পদৰ পৰা নৰিন্দাৰ বাত্ৰাক খাৰিজ কৰে। তৎসত্ত্বেও আইঅ'এৰ তৰফৰ পৰা নিৰ্বাচনৰ ক্ষেত্ৰত কোনো তৎপৰতা দেখুওৱা নাই।



*মহানগৰীৰ সৰুসজাইত অনুষ্ঠিত ৭৫সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় সাঁতোৰত স্বৰ্ণজয়ী অসমৰ আস্থা চৌধুৰী (মাজত), ৰূপ বিজয়ী শিৱাংগী শৰ্মা আৰু বিক্ৰম চাংমাই, শুকুৰবাৰে।*

# টকিঅ'ৰ পাছত জুৰিখত বিজয়ধ্বজা নীৰজৰ

## ডায়মণ্ড লীগ জয় কৰি নতুন ইতিহাস ৰচিলে অলিম্পিকৰ স্বৰ্ণজয়ীয়ে



**নিউজ ব্যুৰ'**

**জুৰিখ, ৯ ছেপ্টেম্বৰ ঃ** টকিঅ'ৰ পাছত এইবাৰ ছুইজাৰলেণ্ডৰ জুৰিখত বিজয়ধ্বজা উৰুৱালে নীজ চোপ্ৰাই। কালি সন্মানীয় প্ৰতিযোগিতাখনত স্বৰ্ণপদক জয় কৰি ভাৰতৰ জেভেলীন থ্ৰ'ৱাৰজনে নতুন ইতিহাস ৰচনা কৰিলে। ডায়মণ্ড লীগত ইয়াৰ পূৰ্বে কোনো ভাৰতীয় এথলীটে স্বৰ্ণপদক জয় কৰিবলৈ সক্ষম হোৱা নাছিল।

ডায়মণ্ড লীগৰ ফাইনেলৰ জেভেলীন থ্ৰ'ত নীৰজে কালি ৮৮.৪৪ মিটাৰ লংঘন কৰি খিতাপ জয় কৰে। টকিঅ' অলিম্পিকত স্বৰ্ণপদক জয় কৰি ইতিহাস ৰচনা কৰা ২৪ বছৰীয়া এথলীটজনে কালিৰ ফাইনেলৰ প্ৰথম প্ৰয়াসত ব্যৰ্থ হৈছিল। অৱশ্যে দ্বিতীয় প্ৰয়াসতে তেওঁ ৮৮.৪৪ মিটাৰ লংঘন কৰি স্বৰ্ণপদক নিশ্চিত কৰে। পৰৱৰ্তী চাৰিবাৰৰ প্ৰচেষ্টাত নীৰজে লংঘন কৰে ক্ৰমে ৮৮.০০, ৮৬.১১, ৮৭.০০ আৰু ৮৩.৬০ মিটাৰ। অৱশ্যে আন কোনো প্ৰতিযোগীয়েই তেওঁৰ দ্বিতীয় প্ৰয়াসৰ সীমাৰেখা অতিক্ৰম কৰিব নোৱাৰিলে। অলিম্পিকৰ ৰূপজয়ী চেক গণৰাজ্যৰ ইয়াকুব ভাডলেই ৰূপ আৰু জাৰ্মানীৰ জুলিয়ান ৱেবাৰে ব্ৰঞ্জৰ পদক পায়। উল্লেখ্য যে নীৰজে মাত্ৰ ১৩ মাহৰ ভিতৰতে অলিম্পিকৰ স্বৰ্ণ, বিশ্ব চেম্পিয়নশ্বিপৰ ৰূপ আৰু ডায়মণ্ড লীগৰ স্বৰ্ণ জয় কৰিবলৈ সক্ষম হয়। ইয়াৰ জৰিয়তে তেওঁ এক স্বৰ্ণিম ছিজন সম্পূৰ্ণ কৰিলে। ডায়মণ্ড লীগ ফাইনেলক অলিম্পিক আৰু ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ পাছতে সন্মানীয় এথলেটিক প্ৰতিযোগিতাৰ আখ্যা দিয়া হয়।

## পাৰ্থিৱ-চান্দোগ্যৰ দ্বি-মুকুট

**গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিভাৱান দুই টেনিছ খেলুৱৈ পাৰ্থিৱ কলিতা আৰু চান্দোগ্য টি পাঠকে অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত দ্বি-মুকুট লাভ কৰিবলৈ সক্ষম হৈছে। পাৰ্থিৱে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক আৰু দ্বৈত শাখাৰ খিতাপ লাভ কৰাৰ বিপৰীতে চান্দোগ্যই ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক আৰু দ্বৈত শাখাৰ চেম্পিয়ন হয়।

উল্লেখ্য যে অইল ইণ্ডিয়াৰ সহযোগিতাত অসম টেনিছ সন্থাই চচল টেনিছ প্ৰকল্পত আয়োজন কৰা ল'ৰা-ছোৱালীৰ ১২ আৰু ১৪ বছৰ অনূৰ্ধ্বৰ ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাখনৰ আজি সফল সামৰণি পৰে। আজি অন্তিম দিনা হোৱা ফাইনেলত অসম সন্তান পাৰ্থিৱে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ফাইনেলত ৰাজ্যৰে ৰৌণক কাশ্যপক ৬-০, ৬-০ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ অধিকাৰী হয়। একক শাখাৰ খিতাপ দখলৰ পাছতে পাৰ্থিৱে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰো চেম্পিয়ন ট্ৰফী ল'বলৈ সক্ষম হয়। ৰাজ্যৰে জ্যোতিস্মান বড়োৰ লগত যুটি বান্ধি খেলা পাৰ্থিৱে ফাইনেলত ৬-০, ৬-০ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে অসমৰ ৰৌণক কাশ্যপ আৰু ৰাজস্থানৰ ধনঞ্জয় তিৱেৰাল যুটিক। ইফালে, চান্দোগ্যই ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ দ্বিমুকুট দখল কৰি ৰাজ্যৰ হৈ আন এক গৌৰৱ অৰ্জন কৰে। চচলত আজি হোৱা একক শাখাৰ ফাইনেলত চান্দোগ্যই ৬-১, ৬-১ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে গুজৰাটৰ হত কন্দোৰীয়াক। আনহাতে, ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ ডাবলছ শাখাত অসমৰে অভয় ভৰালীৰ লগত যুটি বান্ধি খেলা চান্দোগ্যই ফাইনেলত ৬-০, ৬-১ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে মহাৰাষ্ট্ৰৰ ঋষিকেশ মানে আৰু গুজৰাটৰ হত কন্দোৰীয়া যুটিক।

## মৰিগাঁও আন্তঃক্লাব ফুটবলত অসম জ্যোতিৰ জয়

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৯ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত চলি থকা আন্তঃক্লাব 'এ' ডিভিজন ফুটবলত অসমজ্যোতি ক্লাবে আজি ২-১ গ'লত জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হয়। কাইলৈ বলব'ম এফচিয়ে মৰ্ণিং ক্লাব, মৰিগাঁৱৰ বিপক্ষে খেলিব।

## বড়িদতৰাৰ প্ৰাইজমানি ফুটবলৰ ছেমিত মিচিং ক্লাব

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বড়িদতৰাৰ বিষ্ণুৰাম মেধি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নৱজ্যোতি সংঘৰ উদ্যোগত চলি থকা মেঘালী বৰ্মন, ডাঃ চিৰাজউদ্দিন আহমেদ আৰু তাহেৰ আলী সোঁৱৰণী প্ৰাইজমানি চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি মিচিং ক্লাব, তেজপুৰ আৰু কেতেকীবাৰী জ্ঞানদা সংঘৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰে তৃতীয়খন কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হয়। আজি অনুষ্ঠিত খেলখন ১-১ গ'লত ড্ৰ হোৱাত টাইব্ৰেকাৰত মিছিং ক্লাবে জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰাত ৰাজ্যিক ৰেফাৰী হীৰেন বৰ্মনক লাইনত সহায় কৰে অৰূপ বৰ্মন, ভাস্কৰ কলিতাই আৰু চতুৰ্থ ৰেফাৰীৰ আসনত থাকে গৌতম কলিতা। খেলখন উদ্বোধন কৰে সাংবাদিক শ্বাহ আলম আহমেদে। অহা ১১ ছেপ্টেম্বৰত কৰ্দৈতলা সুৰুজ ক্ৰীড়া সন্থা আৰু মাধাপুৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ মাজত হ'ব বুলি জিতু আলী আৰু ৰবীন ডেকাই জনাইছে।

## জাজৰিৰ মাজগাঁও বিজয়ী

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ভোটাইগাঁৱৰ ভোটাই ডেকা খেলপথাৰত ভোটাই ডেকা উন্নয়ন সমিতি আৰু কলংপাৰ গ্ৰাম্য ক্ৰীড়া উন্নয়ন সমিতিৰ সৌজন্যত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত এখন খেলত মাজগাঁও ফুটবল ক্লাব, জাজৰিয়ে আউনিআটিৰ ষ্টাৰ গ'ল্ড ক্লাবক ৪--১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। কাইলৈৰ খেলত অংশগ্ৰহণ কৰিব ৰাংচিনা আঞ্চলিক ফুটবল ক্লাব, বৰচুং, কামপুৰ বনাম কন্দলী ফুটবল ক্লাবে।

# ইউএছ অপেনৰ ফাইনেলত ইগা-জাবেউৰ

**নিউজ ব্যুৰ'**

**নিউ য়ৰ্ক, ৯ ছেপ্টেম্বৰ ঃ** ইউএছ অপেনৰ মহিলা ছিংগল্‌ছৰ ফাইনেলত উপনীত হ'ল বিশ্বৰ এক নম্বৰ খেলুৱৈ ইগা ছুইয়াটেক আৰু টিউনিছিয়াৰ অ'ন্স জাবেউৰ। ইগাই পোলেণ্ডৰ প্ৰথম খেলুৱৈৰূপে ইউএছ অপেনৰ ছিংগল্‌ছৰ ফাইনেলত প্ৰৱেশ কৰিছে। সেইদৰে ইউএছ অপেনৰ মুকলি যুগত আফ্ৰিকাৰ প্ৰথম মহিলা খেলুৱৈৰূপে জাবেউৰে ফাইনেলত প্ৰৱেশৰ কৃতিত্ব অৰ্জন কৰে। কালিৰ ছেমিফাইনেলত বিশ্বৰ এক নম্বৰ খেলুৱৈ ইগাই বেলাৰুছৰ আৰিনা ছাবালেংকাক ৩-৬, ৬-১, ৬-৪ ছেটত পৰাজিত কৰে। প্ৰথম ছেটত পৰাস্ত হোৱাৰ পাছতো ইগাই খেলখনলৈ দুৰ্দান্ত প্ৰত্যাৱৰ্তন ঘটায়। উইম্বলডনৰ তৃতীয় ৰাউণ্ডত পৰাজিত হোৱাৰ পূৰ্বে ইগাই ফ্ৰেন্স অপেনৰ খিতাপ জয় কৰিছিল। আনহাতে, উইম্বলডনৰ ফাইনেলত পৰাজিত হোৱা জাবেউৰে ক্ৰমাগত দ্বিতীয়বাৰলৈ গ্ৰেণ্ড শ্লামৰ খিতাপৰ যুঁজত অৱতীৰ্ণ হ'ব। কালিৰ ছেমিফাইনেলত বিশ্বৰ পঞ্চম ৰেংকিঙৰ খেলুৱৈ জাবেউৰে ফৰাচী তাৰকা কেৰ'লিন গাৰ্চিয়াৰ ৬-১, ৬-৩ ব্যৱধানৰ পোনপটীয়া ছেটত পৰাজিত কৰে। উল্লেখ্য যে ইগা আৰু জাবেউৰে প্ৰথমবাৰলৈ ইউএছ অপেনৰ ফাইনেল খেলিব।



ইগা ছুইয়াটেক

## ৰঙিয়া আন্তঃবিদ্যালয় ফুটবল

## কছাৰী মহল চেম্পিয়ন



**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৯ ছেপ্টেম্বৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত চলি থকা ৰঙিয়া আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা কছাৰী মহল হাইস্কুলে খিতাপ অৰ্জন কৰিছে। আজি অনুষ্ঠিত ফাইনেলত কছাৰী মহল দলে ডিমু জনতা হাইস্কুলক নূন্যতম গ'লত পৰাজিত কৰে। চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে কছাৰী মহল হাইস্কুলৰ খেলুৱৈ জন্মিজয় বড়োৱে। আজিৰ খেলসমূহ পৰিচালনা কৰে আনছাৰ উদ্দিন আহমেদ, মনোৰঞ্জন মহন্ত, সতীশ ডেকা আৰু আনোৱাৰ হুছেইন মজুমদাৰে। চূড়ান্ত খেলখনত অতিথিৰূপে উপস্থিত থাকে ৰঙিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ভৰেন্দ্ৰ নাথ ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ ৰেফাৰী আমিৰ আলী, জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি সঞ্জয় তালুকদাৰ, সাধাৰণ সম্পাদক মুকুতানন্দ ভট্টাচাৰ্য, ফুটবল সম্পাদক সুৰেন বড়ো, সহঃ সম্পাদক কমল বড়ো, ক্ৰিকেট সম্পাদক নয়নজ্যোতি দাস আৰু জ্যেষ্ঠ ৰেফাৰী সুভাষ দেৱে।

## অইল-আইটা টেনিছতত নায়ীনৰ খিতাপ

**গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ** অসমৰ নায়ীন হুছেইনেও ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্বৰ ডাবলছৰ খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। মহাৰাষ্ট্ৰৰ ইছাল পাঠানৰ লগত যুটি বান্ধি খেলা নায়ীনে আজি হোৱা ফাইনেলত ৬-০, ৬-১ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে অসমৰে সংস্কৃতি বৰা আৰু অৰিশা এম চৌধুৰী যুটিক। ছোৱালীৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰ খিতাপ লাভ কৰে বংগৰ আকাংশা ঘোষ আৰু ওড়িছাৰ আৰাধ্যা বাৰ্মাই। ইফালে, ছোৱালীৰ ১২ আৰু ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ খিতাপ দখল কৰে ক্ৰমে ওড়িছাৰ অবিপাশা দেহুৰী আৰু আৰাধ্যা বাৰ্মাই। প্ৰতিযোগিতাৰ অন্তত হোৱা বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে অইল ইণ্ডিয়াৰ মহা প্ৰৱন্ধক ৰামানুজ দত্ত, অসম টেনিছ সন্থাৰ কোষাধ্যক্ষ স্বপনীল বৰঠাকুৰ আৰু সম্পাদক অংকুশ দত্ত আদিয়ে।

## ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল

## ধিঙত আপাৰ আছাম এফচি-কামপুৰত ষ্টাৰ স্প'ৰ্টিঙৰ জয়



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৯ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত চলি থকা সৰ্বভাৰতীয় ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি ধিঙৰ খেলত দুলীয়াজানৰ আপাৰ আছাম এফচিয়ে মাজুলীৰ কাৰচাং ক্লাবক টাইব্ৰেকাৰত সামগ্ৰিকভাৱে ৪-৩ (১-১) গ'লত পৰাজিত কৰে। সেইদৰে কামপুৰত অনুষ্ঠিত খেলত নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবে বঙাইগাঁৱৰ ইলেভেন ষ্টাৰক ২-০ গ'লত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আৰু ধিং ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত ধিং ষ্টেডিয়ামত অনুষ্ঠিত খেলখনৰ নিৰ্ধাৰিত সময়ত আপাৰ আছামৰ দীপাংকৰ দাসে গ'ল দিয়াৰ বিপৰীতে কাৰচাং ক্লাবৰ হৈ পীতাম্বৰ পায়েঙে সমতা স্থাপন কৰে। নিৰ্ধাৰিত সময়ত খেলখন ১-১ গ'লত ড্ৰ হোৱাত টাইব্ৰেকাৰৰ জৰিয়তে ফলাফল নিৰ্ণয় কৰা হয়। টাইব্ৰেকাৰত আপাৰ আছাম এফচিৰ গোবিন্দ ওৰাং, শংকৰ মিৰ্ধা আৰু ৰোহিত হেমৰমে গ'ল দিয়াৰ বিপৰীতে কাৰচাং ক্লাবৰ হৈ নলীন পায়েং আৰু তুলু পায়েঙেহে গ'ল দিবলৈ সক্ষম হয়। খেলখন পৰিচালনা কৰাত ৰেফাৰী শ্বাহজাহান আলী চৌধুৰীক সহায় কৰে নিৰ্মল ভট্টাচাৰ্য, পবিত্ৰ বৰা আৰু শৈলেন ভূএগ (চতুৰ্থ)ই। আনহাতে, কামপুৰ ক্ৰীড়া সংস্থাৰ ব্যৱস্থাপনাত কামপুৰ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত নগাঁৱৰ ষ্টাৰ স্প'ৰ্টিং ক্লাবৰ হৈ গ'ল দুটা দিয়ে ক্ৰমে ডেনিছ বড়ো আৰু মাধৱ বৰদলৈয়ে। কাইলৈ এই প্ৰতিযোগিতাৰ ধিঙৰ খেলত নগাঁৱৰ সঞ্জীৱন সমাজে ওডালগুৰিৰ দৈমালু ক্লাবৰ বিৰুদ্ধে আৰু কামপুৰত আইটিবিপিয়ে যোৰহাট টাউন ক্লাবৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

## ধুবুৰীত আন্তঃক্লাব ফুটবল

**ধুবুৰী, ৯ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ধুবুৰীৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত আৰম্ভ হোৱা আন্তঃক্লাব ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলখন গোলকগঞ্জ আঞ্চলিক এছ'চিয়েছন আৰু এভাৰগ্ৰীণ ক্লাবৰ মাজত অনুষ্ঠিত হয়। খেলখন ড্ৰ হয় বুলি ধুবুৰী জিলা ক্ৰীড়া সন্থাই সদৰী কৰে।

## বড়োলেণ্ড ছহিদ মহিলা ফুটবল

## মণিপুৰক হৰুৱাই ভেৰগাঁও গাম্বাৰী চিখলাৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৯ ছেপ্টেম্বৰ ঃ** ভেৰগাঁও আঞ্চলিক এবছু আৰু ভেৰগাঁও আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ভেৰগাঁও উচ্চ বিদ্যাপীঠ হায়াৰ ছেকেণ্ডাৰী খেলপথাৰত চলি থকা ১৫সংখ্যক বড়োলেণ্ড ছহিদ সোঁৱৰণী মহিলা ফুটবলৰ আজিৰ খেলত ভেৰগাঁও গাম্বাৰী চিখলা এফচিয়ে মণিপুৰৰ এপাইবি এফচিক ২-১ গ'লত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে। সহস্ৰাধিক দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত ভেৰগাঁও দলৰ টিশা দৈমাৰীয়ে খেলৰ ২৩ মিনিটত এটা সুন্দৰ দীঘলীয়া শ্বটেৰে প্ৰথমে গ'ল দিয়ে। পুনৰ ৬২ মিনিটত দৈথি বড়োৱে দলটোৰ হৈ দ্বিতীয়টো গ'ল দিয়ে। আনহাতে, ৬৮ মিনিটত মণিপুৰৰ লৈনগুণথেমে এটা গ'ল পৰিশোধ কৰে। কাইলৈ আছাম ৰাইফল (তেজপুৰ)ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব বিহাৰৰ পশ্চিম চম্পাৰণ দল।

## কমনৱেল্‌থ কাৰাটেত তিনি পদক অসমৰ

**গুৱাহাটী, ৯ ছেপ্টেম্বৰ ঃ** ইংলণ্ডৰ বাৰ্মিংহামত অনুষ্ঠিত দশম কমনৱেল্‌থ কাৰাটে চেম্পিয়নশ্বিপত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি অসমৰ তিনিজন খেলুৱৈয়ে পদক অৰ্জন কৰিছে। ইয়াৰ ভিতৰত আছে এটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদক। কালি প্ৰতিযোগিতাৰ দ্বিতীয় দিনা সূৰয কোঁৱৰে কেডেট (১৪-১৫) পুৰুষৰ কুমিটেৰ ৫৭ কেজি শাখাত ৰূপৰ পদক অৰ্জন কৰে। সেইদৰে হেম্ফু বংজাঙে কেডেট পুৰুষ ব্যক্তিগত কাটা আৰু নিছাদ আলীয়ে ছিনিয়ৰ পুৰুষৰ কুমিটেৰ ৭৫ কেজি শাখাত ব্ৰঞ্জৰ পদক পায়। অসমৰ মুঠ ছয় কাৰাটেকাই ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰিছে। কাইলৈ ৱাছিমা আখতাৰ আৰু ইৰফান হবিবে নিজা ইভেণ্টত প্ৰতিদ্বন্দ্বিতা কৰিব।



## ছয়গাঁৱত ৰাজ্যিক বিদ্যুৎ পৰিষদৰ জয়

**ছয়গাঁও, ৯ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ পৰিচালনাত ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথম ছেমিফাইনেল অনুষ্ঠিত হয়। খেলখনত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ছানৰাইজ এছচিক ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। কাইলৈৰ অন্তিমখন ছেমিফাইনেল হিটলাৰ ক্লাব আৰু বঙাইগাঁও ইলেভেন ষ্টাৰৰ মাজত অনুষ্ঠিত হ'ব। খেলখন উদ্বোধন কৰিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে।

# অতুল-মনাই ফুটবলত মাৰ্ঘেৰিটাৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা**

**চেপন, ৯ ছেপ্টেম্বৰ ঃ** মাৰ্ঘেৰিটা ইউনাইটেড এফচিয়ে চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণী আমন্ত্ৰণমূলক প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। টিফুক নৱজ্যোতি যুৱ সংঘৰ উদ্যোগত আৰু চৰাইদেউ জিলা ক্ৰীড়া সন্থা তত্বাৱধানত টিফুক ৰাজহুৱা খেলপথাৰত চলি থকা প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত গ্ৰুপ 'এ'ৰ দ্বিতীয়খন খেলত মাৰ্ঘেৰিটাৰ দলটোৱে চৰাইদেউৰ নাফুক ফুটবল দলক টাইব্ৰেকাৰৰ সহায়ত ৩-২ গ'লত পৰাজিত কৰে। তুমূল প্ৰতিদ্বন্দ্বিতামূলক খেলখন নিৰ্ধাৰিত সময়লৈকে গ'ল শূণ্যভাৱে সামৰণি পৰে। অৱশ্যে খেলখনত দুয়োটা দলে গ'ল স্ক'ৰ কৰাৰ কে'বাটাও সুৱৰ্ণ সুযোগ লাভ কৰিছিল যদিও কোনো এটা দলেই গ'লৰ মুখ দেখিবলৈ সক্ষম নহ'ল। ফলস্বৰূপে খেল পৰিচালকে ফলাফল নিৰূপণৰ বাবে টাইব্ৰেকাৰ পদ্ধতিৰ সহায় লয়। টাইব্ৰেকাৰত মাৰ্ঘেৰিটাৰ তিনিজন খেলুৱৈয়ে গ'ল কৰাৰ বিপৰীতে নাফুকৰ দুজন খেলুৱৈয়েহে গ'ল কৰিবলৈ সক্ষম হয়। আজিৰ খেলখন পৰিচালনা কৰে সাপেখাটীৰ গৌতম বড়াই। লাইনত সহায় কৰে সাপেখাটী কিৰণ বড়া আৰু সোণাৰিৰ ৰাহুল মল্লিকে। চতুৰ্থ ৰেফাৰী দেৱজিৎ বুঢ়াগোহাঁই (সোণাৰি)। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে মাৰ্ঘেৰিটা ইউনাইটেডৰ বুবু গগৈয়ে। খেলুৱৈজনক বঁটা প্ৰদান কৰে মৰাণ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষ দিবাকৰ শেনচোৱা, টিফুক গাঁৱৰ গাঁও প্ৰধান মনেশ্বৰ খাণ্ডাধৰা, টিফুক মজলীয়া বিদ্যালয়ৰ শিক্ষকদ্বয় নকুল ফুকন, সুনীল ফুকন আৰু যুৱ সমাজকৰ্মী হৰেন গগৈয়ে। কাইলৈ প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ দ্বিতীয়খন খেলত মৰাণ অইল ইণ্ডিয়া ফুটবল একাডেমীয়ে শিৱসাগৰৰ বকতা ছীডফাৰ্ম কোচিং চেন্টাৰৰ মুখামুখি হ'ব।



**লখিমপুৰৰ ছাত্ৰীৰ চমকপ্ৰদ উদ্ভাৱন**

# কেঁচা কলৰ পৰা আটাগুড়ি প্ৰস্তুত

**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ৯ ছেপ্টেম্বৰ ঃ** লখিমপুৰৰ খেৰাজখাত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী উপাসনা বৰুৱাই কেঁচা কলৰ পৰা সম্পূৰ্ণ ঘৰুৱা পদ্ধতিৰে প্ৰস্তুত কৰি উলিয়াইছে আটাগুৰিৰ বিকল্প। বিশেষকৈ জাহাজী, চেনিচম্পা, কাঁচকল আৰু ভীমকলৰ পৰা আটাগুৰিৰ বিকল্প প্ৰস্তুত কৰি উলিয়াইছে ছাত্ৰীগৰাকীয়ে। ইতিমধ্যে ছাত্ৰীগৰাকীয়ে ‘Exposition of women Innovation and its outreach for Sustainability’ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি দেশৰ নিৰ্বাচিত ১০টা প্ৰকল্পৰ ভিতৰত স্থান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই প্ৰকল্প প্ৰস্তুতিত ছাত্ৰীগৰাকীক মেণ্টৰৰূপে সহায় কৰিছে শিক্ষক যজ্ঞোৰাম বৰাই। ছাত্ৰীগৰাকীৰ এই সফলতাত অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰা, লখিমপুৰ জিলাৰ উপায়ুক্ত সুমিত সাত্তৱান, খেৰাজখাত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ বীৰেন বৰাৰ লগতে বিভিন্নজনে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে খেৰাজখাত ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰী উপাসনা বৰুৱাই ইয়াৰ পূৰ্বে ভীমকলৰ পৰা গুৰ প্ৰস্তুত কৰি বিশেষ চৰ্চা লাভ কৰিছিল।





## দুদিনতে সাজি উলিয়ালে বৈদ্যুতিক বাল্বৰ পোহৰ নিয়ন্ত্ৰণ কৰিব পৰা ৰিমট কণ্ট্ৰ’ল

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই, ৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ এজন উদ্ভাৱনী শক্তিৰ অধিকাৰী যুৱকৰ শেহতীয়া কাম-কাজে সচেতন মহলৰ দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছে। যুৱকজনৰ নাম আকিবুল হুছেইন। জিলাখনৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত ভেল্টাৰঘাটৰ এটা অতি সাধাৰণ পৰিয়ালৰ যুৱক আকিবুল। সততে বৈদ্যুতিক কাম-কাজত ব্যস্ত থকা আকিবুলে শেহতীয়াভাৱে নিজ চেষ্টাৰ বলত সাজি উলিয়ালে এটি ৰিমৰ্ট। যি ৰিমৰ্টৰ দ্বাৰা বিদ্যুৎ বোৰ্ডৰ চুইটছত হাত নিদিয়াকৈয়ে জ্বলাব-নুমুৱাব পৰা যায় বৈদ্যুতিক লাইট। এটা ৰিমৰ্টৰে মুঠ চাৰিটা লাইট নিয়ন্ত্ৰণ কৰিব পাৰি। যুৱকজনে দাবী কৰা মতে মাত্ৰ দুদিনতে তেওঁ সাজি উলিয়ালে এই ৰিমৰ্ট। ইফালে, এই উদ্ভাৱনে যুৱকজনক অতি উৎসাহিত কৰি তুলিছে। যাৰ ফলত তেওঁ আৰু অধিক ব্যস্ত হৈ পৰিছে নতুন উদ্ভাৱনত। আকিবুলৰ আশা অতি শীঘ্ৰে তেওঁ উদ্ভাৱন কৰিবলৈ সক্ষম হ’ব সূৰ্যৰ ৰশ্মিৰ দ্বাৰা বিদ্যুতৰ লাইট জ্বলাব পৰা আন এক কৌশল। আকিবুল হুছেইনৰ নতুন সৃষ্টিয়ে অঞ্চলটোত চৰ্চা লাভ কৰিছে।

# ধুবুৰীত বিশ্বকৰ্মাৰ প্ৰতিমা নিৰ্মাণত ব্যস্ত মৃৎশিল্পী



**ধুবুৰী, ৯ ছেপ্টেম্বৰ ঃ** বিশ্বকৰ্মা পূজাৰ মাজত মাথোঁ কেইটামান দিন বাকী থকা সময়তে ধুবুৰীতো দেখা গ’ল মৃৎশিল্পীসকল বিশ্বকৰ্মাৰ প্ৰতিমা নিৰ্মাণত ব্যস্ত। বৰ্তমান সময়ত বিশ্বকৰ্মা পূজা ব্যক্তিগতভাৱে নাইবা ৰাজহুৱাভাৱেই হওক অধিক সাৰ্বজনিকতাৰে পালন কৰা দেখা যায়। বিভিন্ন শিল্প প্ৰতিষ্ঠান, কাৰিকৰী আলয় তথা ব্যক্তিগত গৃহ আদিত বিশ্বকৰ্মাৰ মৃণ্ময় মূৰ্তি, ধাতু মূৰ্তি প্ৰভৃতি স্থাপন কৰি উপাসকসকলে বিশ্বকৰ্মা পূজা কৰি প্ৰাৰ্থনা কৰে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ধুবুৰীতো ক’ভিডসৃষ্ট পৰিৱেশৰ বাবে বিগত দুটা বছৰে জটিলতা দেখা দিছিল মৃৎশিল্পীসকলৰ মাজত। বৰ্তমানে ক’ভিড পৰিস্থিতি কিছু শিথিল হোৱাত পুনৰ তেওঁলোক ব্যস্ত হৈ পৰিছে বিশ্বকৰ্মাৰ প্ৰতিমা নিৰ্মাণত। এইবাৰ বিশ্বকৰ্মা পূজা উলহ-মালহৰে পালন হ’ব বুলি মৃৎশিল্পীসকল আশাবাদী কাৰণ যোৱাবাৰো ক’ভিডৰ কিছু নিয়ম-নীতিৰ বাবে উলহ-মালহৰে উদ্‌যাপন হোৱা নাছিল বিশ্বকৰ্মা পূজা। যোৱা বছৰৰ তুলনাত এইবাৰ বেছিকৈ নিৰ্মাণ কৰিছে বিশ্বকৰ্মাৰ প্ৰতিমা।

## পাঁচ নৱেম্বৰত উন্মোচন হ’ব সুধাকণ্ঠৰ ২৬ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**যোৰহাট, ৯ ছেপ্টেম্বৰ ঃ** যোৰহাট নগৰৰ মূল প্ৰৱেশদ্বাৰ ভোগদৈ দলঙৰ সমীপত ২০১৪তে স্থাপন কৰিবলৈ লোৱা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ পূৰ্ণাংগ প্ৰতিমূৰ্তিৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সুধাকণ্ঠ ড° হাজৰিকা পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণ সমিতিৰ উদ্যোগত আনন্দ নগৰ উন্নয়ন সমিতিৰ সহযোগত মাটিৰ পৰা ২৬ ফুট উচ্চতাত যোৰহাট নগৰৰ মূল প্ৰৱেশদ্বাৰতে নিৰ্মাণ হৈ থকা প্ৰতিমূৰ্তি ভাগ অহা পাঁচ নৱেম্বৰত সুধাকণ্ঠৰ মৃত্যু তিথিৰ দিনা উন্মোচন কৰা হ’ব। ভূপেন হাজৰিকা ফাউণ্ডেছনে কালি বিশ্ববৰেণ্য শিল্পীজনৰ ৯৭ সংখ্যক জন্মদিন উপলক্ষে যোৰহাটৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী প্ৰেক্ষাগৃহত আয়োজন কৰা ‘ভূপেন্দ্ৰ জয়ন্তী’ত এই কথা ঘোষণা কৰে পূৰ্ণাংগ প্ৰতিমূৰ্তি নিৰ্মাণ সমিতিৰ সাধাৰণ সম্পাদক বিজয় শংকৰ বৰদলৈয়ে। নিৰ্মাণ সমিতিৰ সাধাৰণ সম্পাদক বিজয় শংকৰ বৰদলৈ আৰু আনন্দ নগৰ উন্নয়ন সমিতিৰ সম্পাদক বিপুল হাজৰিকাই কয় যে যোৰহাটবাসী ৰাইজৰ দীৰ্ঘদিনীয়া আশা এটি পূৰণ হোৱাৰ পথত আগবাঢ়িছে। চিৰনমস্য ব্যক্তিজনৰ অসম আৰু অসমীয়ালৈ যি অৱদান, সেই অৱদান যাউতিযুগীয়া কৰি ৰখাৰ স্বাৰ্থত, লগতে ভৱিষ্যৎ প্ৰজন্মৰ মাজত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিৰাজিৰ প্ৰচাৰ, প্ৰসাৰ আৰু সমাগত সময়লৈ চৰ্চা অব্যাহত ৰখাৰ উদ্দেশ্যেৰে প্ৰতিষ্ঠা কৰিবলৈ মানস কৰা এই প্ৰতিমূৰ্তি ভাগৰ ক্ষেত্ৰত যোৰহাটবাসী ৰাইজৰ সৰ্বতোপ্ৰকাৰৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কামনা কৰা হৈছে বুলি বিবৃতিটোত ব্যক্ত কৰিছে।



# ধুবুৰীত বাংলাদেশৰ পৰা কপাহ লৈ মালবাহী জাহাজ উপস্থিত

**ধুবুৰী, ৯ ছেপ্টেম্বৰ ঃ** ধুবুৰী তথা অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বাবে নতুন দিগন্তৰ সূচনা ঘটাই বৃহৎ পৰিমাণৰ পেলনীয়া কাপোৰেৰে তৈয়াৰী কপাহ লৈ ভাৰতীয় অন্তৰ্দেশীয় জলমাৰ্গ প্ৰাধিকৰণৰ ধুবুৰীস্থ জাহাজঘাটত এখন বাংলাদেশৰ মালবাহী জাহাজ আহি উপস্থিত হৈছে। উল্লেখ্য যে পোন প্ৰথমবাৰৰ বাবে এইদৰে নদীপথেৰে বাংলাদেশৰ পৰা ভাৰতলৈ আহি পালে বৃহৎ পৰিমাণৰ পেলনীয়া কাপোৰেৰে তৈয়াৰী কপাহ। বাংলাদেশৰ পৰা বৰলুইতেৰে ধুবুৰী অভিমুখে যাত্ৰা আৰম্ভ কৰিছিল যোৱা এক ছেপ্টেম্বৰত “ইয়া-ৰাজ্জাকু’ নামৰ বাংলাদেশী মালবাহী জাহাজখন আৰু যোৱা সাত ছেপ্টেম্বৰত আহি ধুবুৰীত উপস্থিত হয়। জানিব পৰা মতে, বাংলাদেশৰ ‘মোক্তাৰ হুছেইন এন্টাৰপ্ৰাইজ’ নামৰ প্ৰতিষ্ঠান এটাই ভাৰতলৈ ৰপ্তানি কৰিছে পেলনীয়া কাপোৰেৰে তৈয়াৰী কপাহখিনি। ইমানদিনে জাহাজঘাট তথা নদী বন্দৰটোৰে মূলতঃ পাথৰ আৰু শিল বাংলাদেশলৈ ৰপ্তানি কৰা হৈ আছিল। শেহতীয়াকৈ বাংলাদেশে ভাৰতলৈ ৰপ্তানি সামগ্ৰী ধুবুৰীৰ সেই জাহাজঘাটটোলৈ আহিবলৈ লোৱাটো এক শুভলক্ষণ বুলিয়েই বিবেচিত হৈছে। আশা কৰা হৈছে, জাহাজঘাটটোৱে আগলৈ গৈ ধুবুৰীকে ধৰি পশ্চিম-অসমৰ আৰ্থ-সামাজিক বিকাশত এক ধনাত্মক অৰিহণা যোগাব বুলি।

## নাৰিকলৰ ওপৰত গৱেষণা কৰি ৰাষ্ট্ৰীয় সন্মানেৰে উজ্জ্বলি উঠিল হাজোৰ পংকজ দাস

**ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়ৰ অধীনৰ নাৰিকল বিকাশ ব’ৰ্ডৰ দ্বাৰা সন্মানিত**

**অগ্ৰদূত বাৰ্তা**
**হাজো, ৯ ছেপ্টেম্বৰ ঃ** থলুৱা নাৰিকলৰ বিপৰীতে অসমত শেহতীয়াকৈ বৃদ্ধি পাইছে আমদানিকৃত নাৰিকলৰ চাহিদা। এনে সময়তে নাৰিকলৰ ওপৰত গৱেষণা কৰি ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰণালয়ৰ অধীনৰ নাৰিকল বিকাশ ব’ৰ্ডৰ দ্বাৰা ৰাষ্ট্ৰীয় সন্মানেৰে সন্মানিত হৈছে হাজো পানীপাৰাৰ পংকজ দাস। কেৰালাত অনুষ্ঠিত বিশ্ব নাৰিকল দিৱসৰ অনুষ্ঠানত এই সন্মান লাভ কৰে হাজোৰ যুৱ খেতিয়কজনে। ইয়াৰ পূৰ্বেও ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত হৈছে পংকজ। বিগত ৩০ বছৰে নাৰিকলৰ খেতি কৰি স্বাৱলম্বী হোৱাৰ লগতে পংকজে গৱেষণা চলাই গৈছে নাৰিকলৰ ওপৰত। প্ৰায় চাৰি বছৰ সময় চোৱা-চিতা কৰাৰ পাছত ৫০ বছৰ ধৰি ইয়াৰ ফল পোৱাৰ লগতে এবিঘা মাটিত নাৰিকলৰ খেতিৰে বছৰি দুইৰ পৰা তিনি লাখ টকা উপাৰ্জন কৰি নিৱনুৱা যুৱক-যুৱতীসকল স্বাৱলম্বী হ’ব পাৰিব বুলি মন্তব্য কৰে যুৱ খেতিয়কজনে।

উল্লেখ্য যে প্ৰয়াত পিতৃ ঋষভ দাসৰ পদাংক অনুসৰণ কৰি শিক্ষিত যুৱক পংকজে নাৰিকল খেতিৰ ওপৰত মনোনিৱেশ কৰে। গুৱাহাটীৰ কাঁহিকুছিৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ বিশেষজ্ঞসকলৰ স’তে বিভিন্ন সময়ত নাৰিকলৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত দিহা পৰামৰ্শ লোৱা বুলি জানিবলৈ দিয়ে ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত পংকজে। অসমত থলুৱাভাৱে নাৰিকলৰ উৎপাদন কম হোৱাৰ বাবেই প্ৰতিটো নাৰিকলৰ দাম ৫০ৰপৰা এশ টকা পৰ্যন্ত হোৱাৰ বিপৰীতে অসম তথা ভাৰতৰ বাহিৰৰ পৰা আমদানিকৃত নাৰিকল ১০ৰ পৰা ২০ টকাত বজাৰত উপলব্ধ হৈছে। ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক নাৰিকলৰ খেতি কৰি স্বাৱলম্বী হ’বলৈ আহ্বান জনাইছে ৰাষ্ট্ৰীয় বঁটা প্ৰাপক, গৱেষক পংকজে।




অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com